# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

**তাৰিখঃ ২৮/০৩/২০২২ সোমবাৰ**

---

**আজি ইংৰাজী ২৮-০৩-২০২২ তাৰিখে পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচীমতে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১০১

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচৰা প্ৰশ্নটো আছিল যে অসংগঠিত খণ্ডৰ যি সকল শ্ৰমিক আছে তেওঁলোকৰ ভিতৰত চহৰ নগৰ, বিভিন্ন পৰ্য্যায়ত কৰ্মৰত গৃহকৰ্মী সকলৰ কথা সোধা হৈছিল আৰু ইয়াতে অসংগঠিত খণ্ডৰ শ্ৰমিক সকলৰ সামাজিক সুৰক্ষা নিশ্চিত কৰিবৰ বাবে বাজেটত বিগত তিনি বছৰে ধন ধাৰ্য্য হোৱা নাই বুলি খুব দুৰ্ভাগ্যজনক ভাবে লোৱা হৈছে। মহোদয় অসংগঠিত খণ্ডৰ, এই ডমেষ্টিক খণ্ডৰ ওৱাৰ্কাৰ সকলৰ কাৰণে চৰকাৰে কনষ্ট্ৰাকচন লেবাৰৰ কাৰণে কিছু কিছু ধন মুকলি কৰে বা বিভিন্ন ঠাইৰ পৰা তহবিল মজুত কৰাৰ বাবে চৰকাৰৰ কিবা পৰিকল্পনা আছে নে, আৰু যদি আছে, কেতিয়ালৈ বাস্তৱায়িত হ'ব পাৰে সেইটো আপোনাৰ জৰিয়তে জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি সমূহ প্ৰশ্ন কৰিছে মই তেখেতক ধন্যবাদ জনাইছো । ডমেষ্টিক ওৱাৰ্কাৰ চচিয়েল চিকিউৰিটি স্কীম, ২০১৮ ৰ খচৰাৰ পৰা বিভিন্ন বিভাগৰ পৰা পোৱা অভিমত পোৱাৰ সময়তে ভাৰত চৰকাৰে জাৰি কৰা সামাজিক সুৰক্ষা ২০২০ চনৰ অধীনত অসম সামাজিক সুৰক্ষা নীতি, ২০২১ ৰ খচৰাৰ কাম আৰম্ভ কৰা হোৱাৰ বাবে সেই যি Domestic Workers' Social Security Scheme, 2018 উক্ত প্ৰভিজন সমূহ অসম সামাজিক সুৰক্ষা নীতি, ২০২১ ত সন্নিবিষ্ট কৰি খচৰা অধিসূচনা জাৰি কৰা হৈছে । অধ্যক্ষ ডাঙৰীয়া অধিসূচনা খন চূড়ান্ত হ'লে গৃহকৰ্মী সকলক উক্ত সামাজিক সুৰক্ষা আঁচনি সম্পৰ্কে অধিক ব্যৱস্থা লোৱা হ'ব। এই শ্ৰমিক সকলক বিভিন্ন সুবিধা সমূহ আমি প্ৰদান কৰিবৰ কাৰণে সক্ষম হম যিহেতু এই অধিসূচনা ইতিমধ্যে জাৰি কৰা হৈছে খুব কম সময়ৰ ভিতৰত চূড়ান্ত ৰূপ দিয়া হ'ব আৰু এই চূড়ান্ত ৰূপ পোৱাৰ লগে লগে শ্ৰমিক সকলে বিভিন্ন সা-সুবিধা পোৱাৰ বাবে সক্ষম হ'ব । ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰা সামাজিক সুৰক্ষা কোড, ২০২০ ৰ অধীনত ধাৰ ৬(১৫) মৰ্মে গৃহকৰ্মী সহিত সকলো অসংগঠিত খণ্ডৰ শ্ৰমিকৰ বাবে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সামাজিক সুৰক্ষা আঁচনি প্ৰনয়ণ কৰিব পৰাকৈ আইন প্ৰনয়ণ কৰিছে। এই বিধি সমূহ কাৰ্য্যক্ষম হোৱাৰ লগে লগে আমাৰ প্ৰশ্নকৰ্তাই কোৱাৰ দৰে তেখেত সকলক বিভিন্ন সুবিধা সমূহ প্ৰদান কৰিব পৰা যাব। লগতে অসম সামাজিক সুৰক্ষা নীতি, ২০২১ বলবৎ হোৱাৰ পিছত সামাজিক সুৰক্ষা আঁচনিৰ অধীনত উক্ত সাহাৰ্য্য সমূহ দিবলৈ আঁচনি সমূহ যুগুত কৰি থকা হৈছে। এই সংক্ৰান্তত আমাৰ আইনটো যিহেতু বলৱৎ হোৱা নাই সেই কাৰণে পুঁজি ধাৰ্য্য কৰিব পৰা নাই । আমি সকলোৱে জানো যে প্ৰথম বাৰৰ বাবে ক'ভিড আহিলে, ক'ভিড অহাৰ পিছত বিভিন্ন শ্ৰমিক সকলৰ মাজত হাহাকাৰ অৱস্থা হ'ল আৰু তাৰ আগতে শ্ৰমিক সকলৰ কোনো ধৰণৰ পঞ্জীয়নৰ

ব্যৱস্থা কতো নাছিল আৰু ইয়াৰ পিছতে এতিয়া পঞ্জীয়নৰ ব্যৱস্থা কৰিছো। এই সংক্ৰন্তত অসংগঠিত শ্ৰেণীৰ গৃহ কৰ্মী সকলে ই-শ্ৰম পৰ্টেলত পঞ্জীয়ন হ'লে ভৱিষ্যতে বিভিন্ন কল্যাণমূলক চৰকাৰী সাহাৰ্য্য দিয়াৰ সহায়ক হ'ব । আমি প্ৰায় ৭৫ লাখ ই-শ্ৰম কাৰ্ড ইতিমধ্যে প্ৰদান কৰিছো আৰু নিশ্চিত ভাবে বহতো সুবিধা দিবৰ বাবে সক্ষম হম ।

**মাননীয় অধ্যক্ষ ঃ** Second supplimentary.

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰা প্ৰশ্নৰ উত্তৰ আপোনাৰ সন্মুখতে কোৱা নাই, আমি কৈছো যে গৃহকৰ্মী সকলক পেঞ্চন দিব নে নাই ? আজি নিৰ্মাণ শ্ৰমিক সকলক পেঞ্চন দিয়া হৈছে তেওঁলোকে এটা অংশ প্ৰতিমাহে জমা কৰে। আপুনি আজিৰ সদনত জনাওক যে গৃহকৰ্মী সকলক পেঞ্চন দিয়ে নে নিদিয়ে আৰু একেটা সময়তে জনাব লাগে যে গৃহকৰ্মী সকলক ঘন্টাত নিম্নতম ঘন্টাত কেই টকাকৈ তেওঁলোকৰ মজুৰী ফিক্স কৰা হৈছে আৰু গৃহকৰ্মী সকলক শ্ৰম আইনৰ অধীনত তেওঁলোকক সপ্তাহত চুটি দিয়া হয় নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয় , গৃহকৰ্মী সকলক পেঞ্চন দিয়াৰ বাবে ইতিমধ্যে চৰকাৰে বিবেচনা কৰি আছে। ইতিমধ্যে আপোনালোকে জানে যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সদনত ঘোষণা কৰিছে, কিন্তু ইয়াৰ কাৰণে চৰকাৰে শ্ৰমিকৰ কল্যাণৰ হকে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। অসম চৰকাৰে অসম সামাজিক সুৰক্ষা নীতি, ২০২১ ৰ অধীনত জি.এল. আৰ/ আৰ. চি. ৬৯ /২০২০ /৮৯ তাৰিখ ২১-১০-২০২১ ৰ জৰিয়তে জাৰি কৰিছে । এই নীতিৰ যোগেদি গৃহকৰ্মী সকলৰ সামাজিক সুৰক্ষাৰ বাবে বিভিন্ন আঁচনিৰ সুবিধা ৰখা হৈছে। খচৰা নীতিখন চূড়ান্ত হ'লে উক্ত আঁচনিসমূহ ৰূপায়ণ কৰা হ'ব । মই ইতিমধ্যে কৈ গৈছো যে খচৰা এতিয়া চূড়ান্ত ৰূপ দিয়া হোৱা নাই আৰু যেতিয়া চূড়ান্ত হ'লে এই আঁচনি সমূহ ৰূপায়নৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব, তেতিয়া মাননীয় সদস্য জনে কোৱা সুবিধা সমূহ পাবলৈ সক্ষম হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** জাকিৰ হুছেইন সিকদাৰ.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই গৃহকৰ্মী বা শ্ৰমিক সকলৰ কল্যাণৰ হকে যিখিনি লিখিত উত্তৰ পাঠ কৰিলে তাত পৰা কোনো এটা স্পষ্ট ধাৰণা ল'ব পৰা নাই । গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট ভাবে জানিব বিচাৰিছো যে- শ্ৰম বিভাগে গৃহকৰ্মী বুলি কলে কাক বুজাব ? গৃহকৰ্মী সকলৰ আওতাত কোন কোন পৰিব আৰু এই সকলৰ কল্যাণৰ হকে চৰকাৰে কি কি কাম কৰিব বিচাৰিছে এই সম্পৰ্কে স্পষ্টভাবে জনালে আমি প্ৰকৃত কথাখিনি জানিব পাৰিম ।

দ্বিতীয়তে, এইটো এটা গুৰুত্বপূৰ্ণ বিভাগ, এই বিভাগলৈও চৰকাৰৰ অনুদান আহে। আনহাতে আমি দেখা পাইছো যে এই শ্ৰম বিভাগত ২০০ কোটি টকাতকৈও অধিক টকা জমা হৈ আছে। কিন্তু বিভাগে খৰচ কৰিব পৰা নাই । পৱিত্ৰ বিধান সভাত ইয়াৰ আগতেও এই বিষয় সমূহ আলোচনা কৰা হৈছে । আজিৰ তাৰিখত শ্ৰম বিভাগৰ মন্ত্ৰী বা বিষয়া সকলে যি দৰে তৎপৰতা লৈ শ্ৰমিক সকলৰ কাষত থিয় দিব লাগিছিল তেনেদৰে থিয় হ'ব পৰা নাই । গতিকে এই বিভাগটোৱে কেতিয়া শুৱাৰ পৰা উঠি শ্ৰমিক সকলৰ কাষত থিয় দিব এই খিনি জানিব বিছাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰমিক সকলৰ সুৰক্ষাৰ বাবে ভাৰত চৰকাৰে পোন প্ৰথম বাৰৰ বাবে ই-শ্ৰম কাৰ্ড প্ৰদানৰ নীতি গ্ৰহণ কৰিছে । ইতিমধ্যে আমি কাম

আৰম্ভ কৰিছো আৰু প্ৰায় ৭৫ লাখ শ্ৰমিকক এই নীতিৰে পঞ্জীয়ন কৰিছো। আপোনালোকে কোৱাৰ দৰে গৃহকৰ্মী, ঠেলা বা ৰিক্সা চালক আদি বিভিন্ন শ্ৰমিকৰ সুৰক্ষাৰ বাবে এই আইন প্ৰণয়ন কৰা হৈছে । চুড়ান্ত ভাবে বলৱৎ হ'লে এই সুবিধা সমূহ প্ৰদান কৰা হ'ব । ইতিমধ্যে ই-শ্ৰম কাৰ্ড প্ৰদান কৰা শ্ৰমিক সকলক জীৱন বীমা নিগমৰ ফালৰ পৰা ২ লাখ টকাকৈ দিয়া হৈছে, আগলৈ বহু সুবিধা পাব । মাত্ৰ অলপ ধৈৰ্য্য ধৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক, এটা বিশেষ কথা ক'ব বিচাৰিছো, উদ্যোগ বিলাকত মই যিটো অনুভৱ পাইছো, Provident fund ESIC পঞ্জীয়ন কৰা তেওঁলোকে কি কৰে, যদি ২০০ লেৱাৰ আছে, তেওঁলোকে PF ৰ কাৰণে ৫০ জন মানুহৰ পঞ্জীয়নটো কৰি তেওঁলোকে নিয়মটো কৰি থয়। অন্যান্য ক্ষেত্ৰটো তেনেকুৱা হৈছে। ১০ শতাংশ দিব লাগে, লেৱাৰ সকলক। এতিয়া মোৰ প্ৰশ্ন হ'ল আমাৰ সমষ্টিত বহু কেইটা উদ্যোগ আছে, মই নাম কেইটা কৈ থৈছো। য'ত তেওঁলোকে এই বিলাক চুৰি কৰি আছে, মই ধৰিছো তেওঁলোকক কিন্তু আমাৰ লেৱাৰ ইউনিয়নে এইটোৰ ওপৰত বিহীত ব্যৱস্থা যোৱা বিধান সভাতো কৈছিলো কিন্তু এদিন কাম কৰিছে। পৰিদৰ্শক সকলে কি কৰে মই নাজানো। তেওঁলোকৰ সুৰক্ষাৰ বস্তু বিলাক নিপিন্ধি হাৰাই চেন্দেল বিলাক পিন্ধাই লেৱাৰক কাম কৰাই আছে। ইকো উদ্যোগ, মই বিভাগীয় কৰ্তৃপক্ষকো অৱগত কৰিছো। এইটোৰ ওপৰত এটা বিহীত ব্যৱস্থা ল'ব লাগে। ধন্যবাদ।

**শ্ৰী সঞ্জয় কিষাণ (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰা তদন্ত কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে, যদি তেনে ধৰণৰ কোনো বিশেষ উদ্যোগৰ ওপৰত অভিযোগ আছে নিশ্চিত ভাবে সঠিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। যদি তেখেতে আমাক লিখিত ভাবে দিয়ে, নিশ্চিত ভাবে আমি উক্ত উদ্যোগ সমূহৰ ওপৰত সঠিক ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নম্বৰ ১০২। শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী বিমল বৰা (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰ্তমান অসম চৰকাৰে ক্ৰীয়া ক্ষেত্ৰত বহুটো গুৰুত্ব প্ৰদান কৰা পৰিলেক্ষিত হৈছে। আমাৰ চৰাইদেউ জিলাত আমাৰ সোণাৰী সমষ্টিত আমাৰ জিলা ষ্টেডিয়াম হিচাবে নিৰ্মাণৰ অনুমোদন লাভ কৰিছো বুলি মই জানিব পাৰিছো। কিন্তু তাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয় আৰু ক্ৰীয়া মন্ত্ৰী মহোদয়ক মোৰ ফালৰ পৰা বিশেষ ভাবে ধন্যবাদ দিছো। কিন্তু মোৰ প্ৰশ্ন হ'ল আমাৰ চৰকাৰে প্ৰতিখন উন্নয়নখণ্ডত একোখনকৈ আদৰ্শ ষ্টেডিয়াম নিৰ্মাণৰ আঁচনি কেনেবাকৈ লৈছে নেকি ? যদি লৈছে আমাৰ সাপেখাইটী কলেজৰ কাষতে আমাৰ ২৫ বিঘা চৰকাৰী মাটি আছে, যদি তাত আদৰ্শ ষ্টেডিয়াম নিৰ্মাণৰ কথা চিন্তা কৰিছে অন্তত ভাল হ'ব বুলি মই ভাবিছো। গতিকে মন্ত্ৰী মহোদয়ে তাৰ বিষয়ে কিছু ক'ব নেকি ? মই আজিৰ সদনত উত্থাপন কৰিলো।

**শ্ৰী বিমল বৰা (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ক্ৰীয়া ক্ষেত্ৰ সমূহ উন্নয়ন কৰিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ এই চৰকাৰখনে বিশেষ ভাবে আমি পদক্ষেপ গ্ৰহণ কৰিছো। খুৱ কম সময়ৰ ভিতৰতে সমগ্ৰ অসমত আমি জিলা সদৰ সমূহত ১০খন জিলাত প্ৰায় ৫০ কোটি টকা ব্যয় সাপেক্ষে এখন আন্তঃৰাষ্ট্ৰীয় মানৰ ষ্টেডিয়াম নিৰ্মাণৰ ইতিমধ্যে প্ৰাকক্‌লন আমি প্ৰস্তুত কৰি নিদা আঁচনিৰ অধীনত সেই সমূহ অনুমোদনৰ বাবে

ইতিমধ্যে নাবাৰ্ডলৈ প্ৰেৰণ কৰা হৈছে। তাৰ লগে লগে প্ৰায় ৪০ টা বিধান সভা সমষ্টিত ৪০ খন মিনি ষ্টেডিয়াম যাৰ খৰচৰ মূল্য প্ৰায় ১২ কোটি টকা। তাৰো প্ৰাকক্‌লন প্ৰস্তুত কৰি অনুমোদনৰ বাবে প্ৰেৰণ কৰিছো। সমগ্ৰ অসমতে, ক্ৰীয়াৰ আন্তঃগাঠনি নিৰ্মাণৰ বাবে আমাৰ চৰকাৰে দায়াবদ্ধ আৰু তৎপৰতাৰে কাম কৰি আছো। আমাৰ মাননীয় সোণাৰী সমষ্টিৰ বিধায়ক কোঁৱৰ ডাঙৰীয়াই প্ৰতিখন উন্নয়ন খণ্ড এলেকাত একোখনকৈ আদৰ্শ ষ্টেডিয়াম নিৰ্মাণৰ আঁচনি লৈছে নেকি বুলি যি প্ৰশ্ন কৰিছে আচলতে খণ্ড উন্নয়ন এলেকাৰ ভিত্তিত বুলি নহয়, আমি সমষ্টি ভিত্তিক কৰিছো। ইতিমধ্যে ৩৩ টা বিধান সভা সমষ্টিৰ উত্তৰণ আঁচনিৰ অধীনত প্ৰায় ১০ কোটি টকা ব্যয় সাপেক্ষে সেই ষ্টেডিয়াম সমূহ নিৰ্মাণ হৈ আছে। গ্ৰাম্য ষ্টেডিয়াম সমূহ। ৪০ য়ে ৩৩ প্ৰায় ৭৩ খন হয়গৈ। এই ফালেদি আমাৰ ১০ খন জিলাত ষ্টেডিয়াম ৮৩ হয়। এইফালে ডিব্ৰুগড়, লক্ষীমপুৰ, সাবটি আৰু শুৱালকুছিত ১০০ কোটিতকৈ অধিক টকা ব্যয় সাপেক্ষে ষ্টেডিয়াম নিৰ্মাণ কৰি আছো। গতিকে খণ্ড উন্নয়ন এলেকা ভিত্তিত তেনে ধৰণৰ কোনো হাতত আঁচনি নাই। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য আঁচনিৰ যোজনাৰ অধীনত ক্ৰীয়া খেল পথাৰ সমূহ উন্নয়ন কৰিবৰ কাৰণে আমাৰ কাম-কাজ চলি আছে, সেই কামৰ অধীনত বহু খেল পথাৰ উন্নয়ন হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যা শ্ৰী শিৱামণি বৰা।

**শ্ৰী শিৱামণি বৰা (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ক্ৰীয়া আৰু যুৱ কল্যাণ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, তেখেতে যিটো ক'লে আমাৰ প্ৰতিটো বিধান সভা সমষ্টিতে একোখনকৈ মিনি ষ্টেডিয়াম দিয়া কথাটো যোৱাবাৰ বাজেটত ধৰা হৈছে। সেই অনুযায়ী মই বটদ্ৰৱা সমষ্টিত জাজৰি আঞ্চলিক ক্ৰীয়া প্ৰকল্পৰ নামত ২০ বিঘা মাটি ইতিমধ্যে আৱন্টন দিয়া হৈছিলে। সেই প্ৰকল্পটো এতিয়া মিনি ষ্টেডিয়াম খনক কি পৰ্য্যায়ত আছে মই জানিব খুজিছো। দ্বিতীয়তে, যিটো Signature Project ২০১৯ চনতে আমাৰ বটদ্ৰৱা সমষ্টিত কপাহাৰা অঞ্চলত আধাৰশিলা স্থাপন কৰিছিলে। জানিব পৰা মতে ৯ কোটি ৮০ লাখ টকা মই আৱৰ্তন হৈছিলে। সেই প্ৰকল্পটো কোনো কৰিছে আৰু কি পৰ্য্যায়ত আছে, সেই প্ৰকল্পটো এতিয়া লৈকে সম্পূৰ্ণ হোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বটদ্ৰৱা সমষ্টিৰ মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে। তেখেতে যি ষ্টেডিয়াম নিৰ্মাণৰ বাবে মাটি কাগজ-পত্ৰ সমূহ বিভাগক দাখিল কৰিছিলে অন্যহাতে তেখেতৰ সমষ্টিত উত্তৰণ আঁচনিৰ অধীনত এটা ষ্টেডিয়ামৰ কাম চলি আছে। এই ৪০ খন বিধান সভা সমষ্টিত ষ্টেডিয়াম নিৰ্মাণৰ সিদ্ধান্তটো যেতিয়া গ্ৰহণ কৰিছিলো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শ অনুযায়ী। তেতিয়া আমি এটা কথা আগত লৈ চলিছিলো যে, যি সমূহ সমষ্টিত উত্তৰণ আঁচনিৰ অধীনত ইতিমধ্যে ষ্টেডিয়াম নিৰ্মাণ হৈ আছে, সেই ষ্টেডিয়াম সমূহ এই তালিকাত অন্তৰ্ভূক্ত কৰা নাছিলো যিহেতু তেওঁলোকৰ তাত এখন ষ্টেডিয়াম হৈয়ে আছে। নোহোৱা সমষ্টি সমূহত আমি এই ৪০ খন ষ্টেডিয়াম নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো। তেখেতে যি উত্তৰণ আঁচনিৰ অধীনত বটদ্ৰৱা সমষ্টিত ষ্টেডিয়াম হৈ থকা বুলি কৈছে, নিৰ্মাণৰ অগ্ৰগতি সম্পৰ্কত। আমাৰ বিভাগৰ লগত খা খৱৰ কৰিম। এই আঁচনি সমূহ বিভিন্ন ধৰণে ৰূপায়ন হৈ আছে। গড়াকাপ্তানী বিভাগে কৰি আছে, হাউচফেদে কৰি আছে, গতিকে কোনটো বিভাগে কৰি আছে, আপুনি মোৰ লগত কথা ৰাৰ্তা পাতিলে, মই সেইটো বিভাগৰ লগত কথা পাতি খৰটকীয়া কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য, শ্ৰী পৰামন্দ ৰাজবংশী।

**শ্ৰী পৰামন্দ ৰাজবংশী, (ছিপাঝাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চিপাঝাৰ সমষ্টিৰ কথা ক'ব বিচাৰিছো যে, ৰাষ্ট্ৰীয় পৰ্য্যায়ত ভলীবল প্ৰতিযোগিতা আমাৰ বৰদলৈ ট্ৰফি প্ৰতিযোগিতা চলি আছে। একমাত্ৰ ৰাইজৰ সহযোগত। মই এটা প্ৰশ্ন সুধিব বিচাৰিছো আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আমাৰ চিপাঝাৰ সমষ্টিত এটা ষ্টেডিয়ামৰ কাম কেতিয়াবাই আৰম্ভ হৈছে, কেতিয়া শেষ হ'ব ক'ব নোৱাৰো। ৰাজহ চক্ৰ বিষয়াৰ অন্তত এলেকাত তাত আন এটি ষ্টেডিয়াম কৰিবৰ কাৰণে আমি মাটি বা অন্যান্য কাম বিলাক কৰি থৈছো। মই ভাবো এই দুটা বিষয়ত বিশেষকৈ যি ধৰণৰ এটা পৰিবেশ আহিছে ক্ৰীয়া ক্ষেত্ৰত পৰিবেশ সৃষ্টি কৰিছো। এই ক্ষেত্ৰত আমি ভাবো  যে, আমাক ষ্টেডিয়াম গ্ৰাম্য অঞ্চলত দিয়াটো উপযোগী বুলি ভাবো। মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ক্ৰীয়া ক্ষেত্ৰখন শক্তিশালী কৰিবৰ বাবে আন্তঃগাঠনি সমূহ যাতে ক্ৰীয়াৰ উপযোগী কৰাৰ লগতে আমাৰ খেলুৱৈ সকলে যাতে সততে পাব পাৰে, তাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই বলিষ্ঠতাৰে গোটেই কামখিনি আগবঢ়াই লৈ গৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াক দেখিছে বিধান সভাৰ মজিয়াত ক্ৰীয়া বিষয়ৰ যেতিয়া প্ৰশ্ন আহে, তেখেতে দুবাৰকৈ ইয়াৰ বিষয়ে তেখেতে উত্তৰ দিছে। আপোনাৰ চিপাঝাৰ সমষ্টিটোত আমি ক্ৰীয়া ক্ষেত্ৰখন শক্তিশালী কৰিবলৈ মই নিশ্চয় উদ্যোগ গ্ৰহণ কৰিম। বৰদলৈ ট্ৰফি এইবাৰ বিভিন্ন ঠাইত আয়োজন কৰিছে। আমাৰ ৰঙিয়া, কমলপুৰ,  সমষ্টিটো আয়োজন কৰিছে, বৰদলৈ ট্ৰফিখন যাতে আকৌ পুনৰ ৰাইজৰ মাজলৈ  লৈ যোৱাৰ ক্ষেত্ৰত সন্মানীয় বিধায়ক এটা উদ্যোগ গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নম্বৰ ১০৩। শ্ৰী কমলাক্ষ দে' পুৰুকায়স্থ।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো যদিও কিছুমানত ক্লিয়াৰলি পোৱা নাই। মন্ত্ৰী মহোদয়ে নিশ্চয় ক'ব যে আমাৰ আইন শৃংখলাৰ অৱস্থাটো ভাল হৈছে, যদিও আমাৰ বহুত ল'ৰা-ছোৱালী আলফাত জইন কৰি আছে। যিমান মন্ত্ৰী-বিধায়ক আমি আছো, আমাক কাক কিমান পি এচ অ' দিয়া হৈছে সেইখিনি কথা আপুনি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আইন শৃংখালৰ অৱস্থাটো যদি ভাল হৈছে তেনেহ'লে আমাৰ মন্ত্ৰী-বিধায়ক সকলৰ লগত থকা পি এচ অ'  সমূহ কমাই দিলে হ'ল। মোৰ এগৰাকী পি এচ অ' গুৱাহাটীৰ কাৰণে দিয়া হৈছে। মই বাৰম্বাৰ অনুৰোধ কৰিছো যে মোৰ গুৱহাটীৰ পি এচ অ'  উঠাই দিব লাগে। প্ৰ'টোকল মতে যিকেইটা আছে ঠিক আছে। আইন শৃংখলাৰ অৱস্থা যদি ভাল হৈছে তেনেহ'লে পি এচ অ' কমাই দিব লাগে।

দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা ক'ব পাৰে যে কোনোবাই যদি ৰেপ কৰে, কোনোবাই যদি ড্ৰাগছ্ ৰ ব্যৱসায় কৰে বা অন্য কোনো ক্ৰাইম কৰে তেনে অপৰাধী যদি  পলাই যাব বিচাৰে তেনেহ'লে এনকাউণ্টাৰ কৰিব লাগে, তাত আমাৰ আপত্তি কৰিব লগীয়া নাই। কিন্তু মোৰ কথাটো হৈছে বিগত দিনত যিমানবোৰ এনকাউণ্টাৰ হৈছে, ইতিমধ্যে কোৰ্টে বিচাৰিছে, ২৮ টা কেচৰ মাজত ১৭ টা দিব পাৰিছে, ১০ টা দিব পৰা নাই। এতিয়া কথাটো হৈছে একে ষ্টৰী, একে কথা, যে পলাই যায়। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এইটো পুলিচৰ কোনো অক্ষমতাৰ প্ৰমাণ হয় নেকি, পুলিচৰ কিবা একাউণ্টেবিলিটিৰ অভাৱ আছে নেকি? এনেকৈ যে পলাই যায়, কিয় এনেকুৱা পৰিবেশ হৈছে? যদি কোনবা জেনুৱেনলি হয়, তাৰ এনকাউণ্টাৰ কৰক ঠিকে আছে। কিন্তু বাৰ বাৰ এনেকুৱা কিয় হয়, সেই কথাটো মই জানিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াৰ চাৰিজন পি এচ অ' আছে। সাধাৰণতে বিধায়ক সকলৰ তিনি গৰাকী পি এচ অ' আছে, তেখেতৰ চাৰি জন আছে। তেখেতে আজিলৈকে লিখি দিয়া নাই উইদ্ৰ কৰিম বুলি মুখত ক'লে নহ'ব। আপুনি লিখি দিয়া নাই কিন্তু উইদ্ৰ কৰিম বুলি কৈ আছে। কেইগৰাকীমান বিধায়কে লিখি দিয়াৰ কাৰণে উইদ্ৰ হ'ল আৰু কেইগৰাকীমানে লিখি নিদিয়াৰ কাৰণে উইদ্ৰ হোৱা নাই। গতিকে যদি তেখেতে লিখি দিয়ে আমি উইদ্ৰ কৰাৰ ব্যৱস্থা কৰিম।

দ্বিতীয় কথাটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, এনকাউণ্টাৰ বুলি কোনো শব্দ আমাৰ অসম পুলিচ মেনুৱেলত নাই। যদি অপৰাধী পলাই যায়, অপৰাধীয়ে যদি পুলিচক আক্ৰমণ কৰিবলৈ উদ্যত হয় বা আক্ৰমণ কৰে তেতিয়া পুলিচে কেতিয়াবা গুলীয়াবলৈ বাধ্য হয় আৰু তেতিয়া হয়তো কোনোবা অপৰাধী মৃত্যু মুখত পৰে। অপৰাধী পুলিচৰ গুলীত নিহত হোৱাটো অসমত নতুন কথা নহয়।

................................সদনত হুলস্থুল .............

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ লোকৰ পিঠাইদি বিহু পতাৰ এটা অভ্যাস আছে। শিবেন মণ্ডল বুলি এগৰাকী ডকাইত পুলিচৰ গুলীত নিহত হৈছিল কংগ্ৰেছ চৰকাৰৰ দিনত। মোৰ যদি ভুল হোৱা নাই এইটো কংগ্ৰেছ চৰকাৰৰ দিনৰ ঘটনা।মোৰ যদি ভুল হোৱা নাই, ২০০৪ বা ২০০৫ চনত যোৰাবাট থানাত কৃষ্ণ হাজৰিকা বুলি অপৰাধী পুলিচৰ গুলীত নিহত হৈছিল। অপৰাধী পুলিচৰ গুলীত তেতিয়াও নিহত হৈছিল। মই ৰেকৰ্ড চোৱাই নাই, মোৰ মনত থকা ঘটনা কেইটাহে কৈছো। পুলিচৰ গুলীত নিহত অপৰাধীৰ ৰেকৰ্ড মই যদি চাওঁ আগৰ চৰকাৰৰ দিনত বহুত ওলাব। গতিকে আগতেও শিবেন মণ্ডল, কৃষ্ণ হাজৰিকাৰ দৰে অপৰাধী পুলিচৰ গুলীত নিহত হৈছিল আৰু এতিয়াও অপৰাধী পলালে, পুলিচক আক্ৰমণ কৰিলে পুলিচৰ গুলীত নিহত হয়। তাৰ ফলত ৩০ শতাংশ কেচ, ক্ৰাইম অসমত কমি গৈছে। চোৰ-ডকাইতৰ বিৰুদ্ধে আমি ব্যৱস্থা লমেই। আপোনালোকে যিমান যি ক'লেও আমি তাৰ কাৰণে কাম কৰিমেই।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন কৰিব বিচাৰিছো। তেখেতে মুখ্যমন্ত্ৰীৰ চিকিউৰিটিৰ ওপৰত প্ৰশ্ন আনিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চিকিউৰিটি কমাইছে। তেওঁলোকৰ সময়ত মুখ্যমন্ত্ৰীয়ে চিকিউৰিটি কিমান ৰাখিছিল সেইটো কওঁক।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেণ্টৰী।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা পুলিচ ট্ৰেইনিং চেণ্টাৰ আছে। স্মাৰ্ট পুলিচ কৰিবলৈ বিচাৰিছে এইটোত আমি আপত্তি কৰা নাই। আমাৰ কথাটো হৈছে যে, এইযে বাৰম্বাৰ ঘটনা বিলাক হয় বা যিটো পৰিবেশৰ আজি সৃষ্টি হৈছে, এইটো কমোৱাৰ বাবে বা পুলিচৰ আৰু ট্ৰেইনিঙৰ কাৰণে কি ব্যৱস্থা কৰিব ?

দ্বিতীয় কথাটো হ'ল, মই মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাইছো যে, দৈনিক ৰাতি তিনি-চাৰিটাকৈ চোৰ হয় এইটোৰ কাৰণে কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি কৰিমগঞ্জত সেইকাৰণে ক'ব লাগে যে পুলিচ অলপ শক্তিশালী হ'ব লাগে। পুলিচ কঠোৰ হ'ব লাগে বুলি আপুনি বিধান সভাত উপস্থাপন কৰিব লাগে। আপোনালোকে পুলিচক দুৰ্বল কৰিবলৈ কয় আৰু কৰিমগঞ্জত চোৰ নাইকিয়া কৰিবলৈ ও কয়। আ পুনি কওঁক যে পুলিচ কঠোৰ হ'ব লাগে, পুলিচ স্মাৰ্ট হ'ব লাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কঠোৰ শব্দটোৰ অৰ্থ বুজাই দিয়ক। কেইদিনমান আগত যে পুলিচে ৰাস্তাত মানুহ মাৰিছে তেনেকুৱা হ'ব লাগে নেকি?

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ৰাইম কমিব লাগে নে বাঢ়িব লাগে সেইটো কওঁক। অসমে কৈ আছে ক্ৰাইম কমিব লাগে, কিন্তু আপোনালোকে কৈ আছে ক্ৰাইম বাঢ়িব লাগে।

**মাননীয় অধ্যক্ষ ঃ** স্পেচিফিক প্ৰশ্ন কৰক। এনেকুৱা কথাবোৰ পাতি থাকিব নালাগে।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পুলিচে অপৰাধ কৰা কামবোৰৰ কাৰণে তেওঁলোকৰ ওপৰতো ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। তেখেতে কৈছে যে কৃৰ্তি কমল বৰাৰ ক্ষেত্ৰত কিয় একো পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই? বণিয়া নামৰ চাব ইন্সপেক্টৰ জনক বৰ্খাস্ত কৰা হৈছে আৰু চি আই ডি য়ে ইয়াৰ তদন্ত কৰি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ক্ষেত্ৰত আ পোনালোকে যি কৈছে, এইক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁ নিজে নিজৰ চিকিউৰিটি কমাইছে। তেখেতৰ ২৫ খন গাড়ীৰ ভিতৰত ৬-৭ খন গাড়ীলৈকে চিকিউৰিটি ক'ভাৰ কমাইছে। গতিকে আমি এইক্ষেত্ৰত সচেতন হৈ আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত তথ্যত দিছে যে ২৯ জন মানুহ পুলিচৰ এনকাউণ্টাৰ বা পুলিচৰ জিম্মাত মৰিছে। মই বাতৰি কাকতত পোৱা হিচাপ মতে এতিয়ালৈকে ৩৫ জন মানুহৰ এনকাউণ্টাৰত মৃত্যু হৈছে। কিন্তু ইয়াত ২৯ জন বুলি কৈছে। মই কেৱল এটা ফেক্সুৱেল তথ্য হে দাঙি ধৰিছো। মোৰ প্ৰশ্নটো হ'ল যে অসম চৰকাৰে এনকাউণ্টাৰ বোৰক এটা নীতি হিচাপে লৈছে নেকি? বি জে পি আৰু অসম গণ পৰিষদ চৰকাৰে গুপ্ত হত্যাক যেনেকৈ এটা নাতি হিচাপে গ্ৰহণ কৰিছিল, ভাৰত চৰকাৰ আৰু অসম চৰকাৰে এনকাউণ্টাৰক অৰ্থাৎ যি সকল অপৰাধী পুলিচৰ হাতত থকা মানুহক গুলীয়াই হত্যা কৰাটো টো নাতি হিচাপে গ্ৰহণ কৰিছে নেকি? যদি গ্ৰহণ কৰিছে সেইটো মুকলিকৈ ক'ব লাগে।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা নহয়। অসম আৰক্ষীয়ে এনকাউণ্টাৰ কৰাই নাই।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** আপোনালোকৰ ক'বলৈ সাহস নাই। আপোনালোকে অপৰাধীক হত্যা কৰে।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** এই বিষয়টোত তৰ্ক নকৰিব। আপোনালোকে অপৰাধীক সুৰক্ষা দিছে।

....................................সদনত হুলস্থুল......................

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** বি জে পি চৰকাৰখন অপৰাধীক হত্যা কৰা চৰকাৰ।

....................................সদনত হুলস্থুল......................

**শ্ৰীপিয়ুষ হাজৰিকা (সংসদীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম পুলিচ ইমান ভদ্ৰ, সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই পুলিচক মৰা ভিডিও আছে ...

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)** ঃ মন্ত্ৰী মহোদয়, আপোনালোকে কিমান এন্টকাউন্টাৰ কৰি কিমান মানুহ মাৰিলে, গুপ্ত হত্যা কৰি কিমান মাৰিলে ..

...(হুলুস্থুল)..

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য নিজামুদ্দিন চৌধুৰী, question please. অকল সন্মানীয়

সদস্য নিজামুদ্দিন চৌধুৰী ডাঙৰীয়াৰ চলিব।

...(হুলস্থূল)..

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাবিলাক উঠাই লবলৈ কওঁক। আমি আইনৰ নিয়মত যাবলৈ বিচাৰো। মুখ্যমন্ত্ৰী মহোদয়ে encounter pattern হ'ব বুলি কোৱাটো সত্য মহোদয়। সেই কাৰণে এনেকুৱা কথাক লৈ বিতৰ্ক কৰিব নালাগে। আপুনি rulling দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য সকল, সদনত সকলোৱে যদি যি মন যায়, তাকে যদি কৈ থাকে, তেনেকৈ চলিব, এইটো আজিৰ কথা নহয়। সেই কাৰণে প্ৰশ্নত্তোৰৰ সময়ত, question বিলাক specific হ'ব লাগে। প্ৰশ্নৰ লগত supplementary বিলাক কৰোতে যদি ৫ টা, ১০ টা প্ৰশ্ন সংলগ্ন কৰি গৈ থকা হয়, তেতিয়া উত্তৰ দিওঁতে, ক'ৰবাত নহয়, কৰবাত specific উত্তৰ যিটো দিব লাগিছিল, অন্য কিবা উত্তৰ দিলে প্ৰশ্নকৰ্তা বিলাকে সন্তুষ্ট নহয় আৰু ইয়াৰ ওপৰত বিতৰ্ক চলি থাকিব। গতিকে প্ৰশ্নৰ যিটো rule আছে, সেই rule বাহিৰে আমি চলিব নোৱাৰো, rule টো মানি চলিলেহে চলিব। কোনো সদস্যই ইয়াৰ rule মতে মানি নচলে, তেতিয়া হ'লে প্ৰশ্নৰ সময়টো তেনেকৈ গুছি যাব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি ঠিকে কৈছে যে সদনত rule ৰ মতে চলিব লাগে। আজি কালি সদনৰ সকলো কথা recording হয়। rule ৰ মতে চলিবলৈ হ'লে কোন বিধায়কে অনাহকত প্ৰত্যেকটো ক্ষেত্ৰত সৰু ডাঙৰ নাই, প্ৰত্যেকতে বাধা কৰিছে ...

...... (হুলস্থূল)....

এই সদনত কিছুমান নতুনকৈ কিছুমান বিধায়ক নিৰ্বাচিত আহিছে, কেইদিনমান আগত মানদণ্ডৰ কথা কৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এবাৰ চাওঁক যে কোনে ডাঙৰ, সৰু, জ্যেষ্ঠ কাকো নামনি প্ৰত্যেকতে কথা কৈছে। আপুনি এবাৰ চালে সদনখন ভালদৰে চলিব। সেই কথাটোকে মই কৈছোঁ।

**মাননীয় অধ্যক্ষ** ঃ হ'ব মই চাই আছোঁ।

এতিয়া প্ৰশ্ন নং ১০৪, শ্ৰীচিৰাজউদ্দিন আজমল।

**শ্ৰীআমিনুল ইছলাম, (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নত চৰকাৰে যিটো উত্তৰ দিছে যে নগাওঁ জিলাৰ আকাশী গংগা আৰু বুঢ়ী গংগাত যিকেইটা জলপ্ৰপাত আছে আৰু পাহৰীয়া প্ৰাকৃতিক পৰিৱেশ আছে, তাত অসম দৰ্শণৰ অধীনত এটা পৰ্য্যটন কেন্দ্ৰ কৰিব পাৰি নে নাই। চৰকাৰে উত্তৰ দিছে, যে অসম দৰ্শণটো আমাৰ পৰ্য্যটন বিভাগৰ অধীনত নপৰে, ঠিকে আছে। পৰ্য্যটন বিভাগে তাত যিহেতু এটা ধুনীয়া পৰিবেশ আছে, পৰ্য্যটন বিভাগে নিজা ববীয়াকৈ বুঢ়ী গঙ্গা আৰু আকাশী গংগাত এটা পৰ্য্যটন ক্ষেত্ৰৰ উন্নয়ন কৰি পৰ্য্যটন কেন্দ্ৰ স্থাপন কৰিব পাৰে নেকি, এই কথাটো চৰকাৰৰ ফালৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছোঁ।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য চিৰাজউদ্দিন আজমল ডাঙৰীয়াই অসম দৰ্শণত বিভিন্ন স্থানত পৰ্য্যটন সম্পৰ্কীয় যিসমূহ স্থান আছে, সেইসমূহ উন্নয়নৰ ক্ষেত্ৰত কি আচঁনি গ্ৰহণ কৰিছিলে, এটা প্ৰশ্ন উত্থাপন কৰিছে। মই আপোনাৰ জৰিয়তে সন্মানীয় সদস্য গৰাকীক জনাব বিচাৰো যে অসম দৰ্শন আমাৰ চৰকাৰৰ ২০১৯-২০ বৰ্ষত গ্ৰহণ কৰা এটা অভিলাষী আঁচনি আছিল যি আঁচনিৰ জৰিয়তে অসমখনত যদি কোনোবাই দৰ্শন কৰিব বিচাৰে, অসমখনৰ সম্পৰ্কত যদি কোনোবাই জানিব বিচাৰে, তেতিয়া সেই অসম দৰ্শনৰ আঁচনিৰ অধীনত

যিসমূহ স্থান আমি নিৰ্বাচন কৰি উন্নয়নৰ কাম কাজ কৰিছো, তাৰ জৰিয়তে অসমখনৰ সম্পৰ্কত যিকোনো পৰ্য্যটকে কিছু জ্ঞান অৰ্জন কৰিবৰ কাৰণে সক্ষম হয় আৰু হোজাই জিলাৰ প্ৰসঙ্গত এই প্ৰশ্নটো উত্থাপন কৰিছে। হোজাই জিলাত তেনেধৰণে অসম দৰ্শন আঁচনিৰ জৰিয়তে ১৩ টা স্থানত সেই কাম-কাজসমূহ কৰিছোঁ। যদিও পৰ্য্যটন বিভাগ পোনপতীয়াকৈ এই কামসমূহত জড়িত নহয়, তথাপিও যিহেতু গোটেই বিষয়বস্তুটো পৰ্য্যটকৰ লগত সম্পৰ্কিত, সেই কাৰণে আমি আন্তৰিকতাৰে এই গোটেই কামখিনি আগুবাই নিবলৈ বিচাৰিছো। তাৰ ফলশ্ৰুতিত যিসমূহ ঐতিহাসিক কীৰ্তিচিহ্ন আছে, যিসমূহ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ, বিভিন্ন স্থান আছে, যলৈকে জনসাধাৰণৰ জনসমগম হয়, সেই স্থানসমূহৰ তালিকা সকলো সন্মানীয় বিধায়কে দিছিলে আৰু তেনেধৰণে আমাৰ চৰকাৰে এই কামসমূহ কৰি আছে।

মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই হোজাই জিলাত আকাশী গংগা আৰু বুঢ়ী গঙ্গাত পৰ্য্যটন আৰু ধৰ্মীয় স্থলীৰ সম্পৰ্কত চৰকাৰ অৱগত হয় নে নহয়। নিশ্চিতভাৱে আমি আকাশী গংগা আৰু বুঢ়ী গংগা এই দুটা বিষয়ত নতুনকৈ অসমৰ জনসাধাৰণক কোৱাৰ কোনো প্ৰয়োজনীয়তা নাই। কাৰণ আকাশী গঙ্গাত অসমৰ বিভিন্ন স্থানৰ পৰা পৰ্য্যটকে পিকনিক আদিকে ধৰি বিভিন্ন কাৰণত আহে আৰু দেশী -বিদেশী বিভিন্ন পৰ্য্যটক সেই স্থানলৈকে আহে। আকাশী গঙ্গাৰ যি জলপ্ৰপাত আছে, সেইটো ডবকা- ডিফু পথৰ পৰা প্ৰায় ৯ কিলোমিটাৰ দূৰত অৱস্থিত। এই জলপ্ৰপাতৰ যি নৈসৰ্গিক দৃশ্য, সেই দৃশ্যই দূৰ-দূৰণিৰ সেই পৰ্য্যটকসকলক খুৱ সুন্দৰকৈ আকৰ্ষণ কৰে আৰু পৰ্য্যটকক আকৰ্ষণ কৰিব পৰাকৈ যিখিনি প্ৰয়োজনীয়তা থাকিব লাগে, প্ৰকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ এটুকুৰা স্থানৰ আকাশীগংগাৰ নিশ্চিতভাৱে সেইখিনি আছে আৰু যি জনপ্ৰবাদ আছে, জনপ্ৰবাদ অনুসৰি যদি আকাশীগংগাৰ পানীত আমি স্নান কৰো, সেই ভক্ত সকলে দেৱীৰ আশাৰ্বাদ পায় আৰু জলপ্ৰপাতৰ কাষতে এটা প্ৰাচীন ঐতিহাসিক শিৱ মন্দিৰ আছে আৰু সেই শিৱমন্দিৰো অতীজৰে পৰা আমাৰ পৰ্য্যটক সকলক আকৰ্ষিত কৰি আহিছে। গতিকে আকাশীগংগাৰ সম্পৰ্কত মাননীয় বিধায়ক চিৰাজ উদ্দিন ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে আমি পৰৱৰ্তী সময়ত নিশ্চয় সেই পৰ্য্যটন ক্ষেত্ৰক পৰ্য্যটকৰ কাৰণে আৰু আকৰ্ষণীয় কৰি তুলিবলৈ যত্ন কৰিম।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে পৰ্য্যটন ক্ষেত্ৰখনত আমাৰ অসমত যিমান সম্ভাৱনা আছে, সিমান আগুৱাই নিব পৰা নাই। কেৰেলা, মধ্যপ্ৰদেশৰ নিচিনা ৰাজ্য এতিয়া যিমান উন্নত হৈছে, আটাইতকৈ বেছি উন্নত হৈছে পৰ্য্যটন ক্ষেত্ৰৰ জৰিয়তে। মাননীয় বিধায়ক চিৰাজ উদ্দিন আজমল ডাঙৰীয়াৰ প্ৰশ্নত এইটোৱে কৈছিল যে, আকাশীগংগা আৰু বুঢ়ীগংগাত যদি অসম দৰ্শনৰ উদ্যোগত পৰ্য্যটন ক্ষেত্ৰৰ উন্নীত কৰা যায়, তেতিয়াহ'লে যথেষ্ট ৰাজহ সংগ্ৰহ হ'ব। কিন্তু মন্ত্ৰী মহোদয়ৰ উত্তৰত দিছে অসম দৰ্শন আমাৰ বিভাগত নপৰে, তেখেতে বিৱৰণটো অসম দৰ্শনৰ কি কি কাম কৰিছে, সেইটো কৈ আছে। আমাৰ কথা হ'ল যে, চিৰাজ উদ্দিন আজমল ডাঙৰীয়াই যিটো কথা সুধিছে যে বুঢ়ীগংগা আৰু আকাশীগংগাত চৰকাৰে অনতি পলমে কিবা প্ৰজেক্ট লৈ তাত যাতে আৰু বেছিকৈ পৰ্য্যটক সকলক আকৰ্ষণ কৰিব পৰা যায়, সেই সম্পৰ্কত কিবা পদক্ষেপ ল'ব নেকি ? আৰু পৰিকল্পনা আছে নেকি। এই বিষয়টো স্পষ্ট কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** অসম দৰ্শনৰ যিসমূহ স্থান উন্নয়ন কৰা হৈছে, পৰ্য্যটনৰ লগতে জড়িত হৈ আছে। গতিকে পৰ্য্যটনৰ কথা কোৱাৰ লগে লগে অসম দৰ্শন একেখন চৰকাৰে কৰা কাম। গতিকে অসমখনক দৰ্শন কৰিবৰ কাৰণে, অসমখনক বুজিবৰ কাৰণে, জানিবৰ কাৰণে

আমাৰ যি ইতিহাস, পৰম্পৰা, সভ্যতা এই সম্পৰ্কত এইখিনি জানিবৰ কাৰণে আমি এই আঁচনিখন গ্ৰহণ কৰিছো। যাতে অসমখনলৈ আহিলে অসমখনৰ সম্পৰ্কত এটা সম্যক ধাৰণা পাব পাৰে আৰু পৰ্য্যটন বিভাগৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বিভিন্ন আঁচনি আমি গ্ৰহণ কৰিছো তাৰ ßÁ±Ë religious circuit ৰ পৰা আৰম্ভ কৰি wild life circuit এই সমূহ নিৰ্মাণ হৈছে আৰু আপোনালোকক জনাব বিচাৰিছো যে এইবাৰ বাজেটতো উল্লেখ আছে যে, নদী পৰ্য্যটন গঢ়িবৰ কাৰণে প্ৰয়াস কৰিম। তাতে আমাৰ বিভিন্ন বৰাক, ব্ৰহ্মপুত্ৰৰ দুয়োখন নদীৰ উপনৈ সমূহ আৰু আমাৰ যিসমূহ বিশাল আকাৰৰ জলাশয় সমূহ আছে, যাতে সেই জলাশয় সমূহত আমি পৰ্যটনৰ ক্ষেত্ৰত নিৰ্মাণ কৰিব পাৰো নিশ্চিত ভাৱে আকাশীগংগা আৰু বুঢ়ীগংগাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে ভৱিষ্যতৰ দিনত উদ্যোগ গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভাস্কৰ বৰুৱা।

**শ্ৰীভাস্কৰ বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো, যে অসম দৰ্শনৰ অধীনত চৰকাৰে এশ বছৰৰ ওপৰত যিমানবোৰ নামঘৰলৈ আপোনালোকে অনুদান দিছে, তাৰ যোগেদি বহু নামঘৰ উন্নতি হৈছে, তাৰ কাৰণে আমি সকলোৱে ভাল পাইছো। কিন্তু এই এশ বছৰৰ যিটো ম্যাদ আছে, তাক যদি আৰু অলপ কম কৰিব পৰা যায় আৰু যিহেতু materials ৰ বহুতো দাম বাঢ়িছে। আঢ়ৈ লাখ টকাত একো কামেই নহয়। মন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত আঢ়ৈ লাখ টকাৰ যিটো আমাৰ চিলিং বান্ধি দিছে, সেইটোক অলপ সৰহীয়া কৰি যিটো নামঘৰৰ অনুদান দিয়ে যাতে সৰহ পুঁজি পালে নামঘৰৰ কামখিনি once for all শেষ কৰিব পাৰি। মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম দৰ্শন দুভাগে হৈছে। বিধায়ক ডাঙৰীয়াই যিটো কথা কৈছে আঢ়ৈ লাখ টকা আৰু এতিয়া আমি যিটো আলোচনা কৰি আছো, সেইটো দহ লাখ টকা। অসম দৰ্শনত আমাৰ নামঘৰসমূহ উন্নয়ন কৰিবৰ কাৰণে আঢ়ৈলাখ টকা আমাৰ চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছিল, এটা এটা বিধান সভা সমষ্টিত মোৰ সংখ্যাটো এতিয়া মনত নাই, কিন্তু প্ৰায় পঞ্চাশ লাখতকৈ অধিক নামঘৰ উন্নয়ন কৰিবৰ কাৰণে সক্ষম হৈছো আৰু যি অসম দৰ্শনৰ জৰিয়তে এটা স্থান উন্নয়ন কৰিবৰ কাৰণে যাৰ ঐতিহাসিক মুল্যাংকনেৰে আমি মুল্যাংকন কৰিব লাগিব। কোনোবা মৈদাম, পুৰাতত্ব সমল থকা কোনোবা স্থান বা পৰ্য্যটকক আকৰ্ষণ কৰিব পৰা স্থান এইসমূহ উন্নয়ন কৰিবৰ কাৰণে আমি অসম দৰ্শন অন্য এখন আঁচনিৰে আমি দহ লাখ টকা আগবঢ়োৱা হৈছিল আৰু সদনৰ মজিয়াত আমি সকলোৱে জানো যে দহলাখ টকা পুঁজি আগবঢ়োৱা সেই স্থানসমূহ উন্নয়ন হোৱাৰ পিছত সেই স্থানলৈকে যাতে পৰ্য্যটকসকল যাব পাৰে তাৰ কাৰণে যোগাযোগৰ যিটো পথ, সেই পথটো উন্নয়ন কৰিবৰ কাৰণে আমাৰ চৰকাৰৰ তৰফৰ পৰা পি. ডব্লিউ. ডি বিভাগৰ ফালৰ পৰা সেই পথসমূহ আমি উন্নয়ন কৰিছিলো। গতিকে অসম দৰ্শন যদিওবা নামঘৰ উন্নয়নৰ কাৰণে আঢ়ৈলাখ টকা বা দহলাখ টকা, কিন্তু আমি যদি চাঁও, এখন অসম দৰ্শন আঁচনি ৰূপায়ণ কৰিব যাওতে প্ৰায় আশী লাখ, নব্বৈ লাখ, এক কোটি, দেৰকোটি লৈকে চৰকাৰৰ তৰফৰ পৰা পুঁজি যোগান ধৰা হৈছে। হয় আঢ়ৈ লাখ টকাতো কম হয়। তথাপিও অসমত ইমান নামঘৰ আছে, সেই নামঘৰসমূহ সামৰিবৰ কাৰণে আৰু আমাক সময় লাগিব। গতিকে পৰৱৰ্তী সময়ত আৰু upgradation কৰিবৰ কাৰণে নিশ্চয় এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী চৰণ বড়ো।

**শ্ৰীচৰণ বড়ো (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, অসম দৰ্শনত আমাৰ এটা আছিল historical place আৰু ধৰ্মীয় অনুষ্ঠান আৰু Tourist place. ইয়াত আমাৰ ধৰ্মীয় অনুষ্ঠান বিলাকত অলপ আগতে মন্ত্ৰী ডাঙৰীয়াই কৈছে দুই ধৰণৰ কাম হৈছে, ধৰ্মীয় অনুষ্ঠান বিলাকৰ আন্তঃগাঁথনি উন্নয়ন আৰু ইয়াৰ লগতে যাতায়াত ব্যৱস্থা। এইখিনি হৈ গৈছে। কিন্তু Tourist place. বিলাকৰ যিবিলাক কাম কৰিব লৈছিল, বোধহয় এইটো এ. টি. ডি চি ক দিয়া হৈছিল। মোৰ ভৈৰৱ খণ্ডত তেনেকৈ পঞ্চাশ লাখ টকা দিয়া হৈছিল আৰু এ. টি. ডি চি ৰ পৰা ইতিমধ্যে চাৰ্ভেও কৰিব গৈছিল। প্ৰাককলন প্ৰস্তুত কৰিছিল। কিন্তু এতিয়ালৈকে এ. টি. ডি চিৰ যিবিলাক হাতত লৈছিল, এইবিলাক কাম এতিয়াও হোৱাতো দেখা নাই। তাৰ কাৰণে কি পৰ্য্যায়ত আছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় বিধায়ক ডাঙৰীয়াই তেওঁৰ সমষ্টিৰ যিখন আঁচনিৰ কথা জনাইছে, মই বিভাগৰ লগত আলাপ-আলোচনা কৰি কেনে ধৰণৰ খৰতকীয়াকৈ কৰিব পৰা যায়, কি কাৰণে ইমান দেৰি হৈ আছে।

**শ্ৰী চৰণ বড়ো (মাজবাট) ঃ** বহুদিন হৈ গ'ল প্ৰায় তিনিবছৰ।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** হয়। আপুনি বিধায়ক আছিল গতিকে মোতকৈ আপুনি বেছি গম পাব। আপোনাৰ সমষ্টিৰ সেই কামটো কিয় হোৱা নাই, কিবা যদি বিসংগতি আছে, আমি সেইখিনি আঁতৰাই সোনকালে কৰিব পৰা যায়, তাৰ কাৰণে মই এ. টি. ডি. চিক জনাম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১০৫ শ্ৰী তেৰছ গোৱালা। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সমূহত মই সন্তুষ্ট হৈছো। কেৱল মই অলপ ভয় খাইছো, যে অত্যাধিক হাৰত আমি বিনামূলীয়া বিদুৎ সংযোগ দিয়াৰ পিছত আমি দেখিছো যে, পুৰণা ট্ৰেঞ্চফাৰ্মাৰবিলাক বেয়া হৈছে আৰু সমষ্টিত প্ৰায় ট্ৰেঞ্চফৰ্মাৰৰ প্ৰয়োজন হৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম আমাক আৰু ট্ৰেঞ্চ ফৰ্মাৰ দিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীতেৰছ গোৱালা ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে যে, ট্ৰেঞ্চফাৰ্মাৰ দিয়া হ'ব নেকি ? ট্ৰেঞ্চফৰ্মাৰৰ কোনো আমাৰ shortage নাই। যদি আমাৰ নিজ নিজ সমষ্টিত কোনো কোনো স্থানত ট্ৰেঞ্চৰ ফাৰ্মাৰ বিকল হয় আৰু সেইখিনি replacement কৰিবৰ কাৰণে আমাৰ যি স্থানীয় CEO আছে, তেখেতক জনোৱাৰ লগে লগে বিধায়ক সকলক ট্ৰেঞ্চফৰ্মাৰ সমূহ যোগান ধৰা হয়, গতিকে আমাৰ ট্ৰেঞ্চফৰ্মাৰৰ কোনো shortage নাই CEO ক জনাই দিলে লগে লগে ট্ৰেঞ্চফৰ্মাৰ সমূহ দিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** মোৰ আৰু এটা প্ৰশ্ন আছে যে, আমি প্ৰথমবাৰ যেতিয়া সৌভাগ্যত বিনামুলীয়া বিদ্যুৎ সংযোগ দিলো, তেতিয়া ঠিকাদাৰ সকলে বিদ্যুৎ সংযোগ কৰি বিল লৈ গুচি গ'ল। বিভাগত বিষয়টো নজোনোৱাৰ কাৰণে আমি একবছৰ, দেৰবছৰ, দুইবছৰৰ পিছত

বিলাবিলাক বিশহাজাৰ, পঁছিচ হাৰ ত্ৰিশহাজাৰ দি দিয়া হ'ল যাৰ কাৰণে এই দুখীয়া পৰিয়ালৰ লোকসকলে এতিয়া বিল দিব পৰা নাই। গতিকে তেওঁলোকক বিশেষভাৱে ৰেহাই দিয়াৰ ব্যৱস্থা কৰিব নেকি আৰু এতিয়া যিহেতু বহুত নতুন সংযোগ দিছো, প্ৰায় তেৰলাখৰ অধিক হৈছে। গতিকে মই ভাৱো বিভাগৰ জৰিয়তে অতি সোনকালে মাহে মাহে যাতে বিলবিলাক দিয়াৰ ব্যৱস্থা কৰিব নেকি শক্তিশালী ৰূপত।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সৌভাগ্য দীনদয়াল আঁচনিৰ জৰিয়তে যোৱা ২০১৬ চনৰ পৰা অসমত যিমান সংখ্যক বিদুৎ সংযোগ কৰা হ'ল ই এক অসমৰ কাৰণে উল্লেখনীয় বিষয়। কাৰণ ২০১৬ চনলৈ অসমত বিদ্যুতৰ গ্ৰাহক আছিল ৪২ লাখ। আমাৰ অসমত সৌভাগ্য আৰু দীনদয়াল আঁচনিৰ জৰিয়তে আমি মাত্ৰ যোৱা ৫ টা বছৰত ২২ লাখতকৈ অধিক লোকক বিদ্যুৎ সংযোগ দিবলৈ সক্ষম হৈছে। কিন্তু তথাপিতো পৰৱৰ্তী সময়ত প্ৰায় চাৰি লাখ মানুহ থাকি গৈছে। আমাৰ চৰকাৰ অহাৰ পিছত মাননীয় মুখ্যমন্ত্ৰীৰ তৎপৰতাত সেই চাৰি লাখ মানুহকো বিদ্যুৎ যোগান দিবৰ বাবে আমি কাম-কাজসমূহ কৰি আছো আৰু সেই কাম ইতিমধ্যে সমাপ্তিৰ দিশে গৈ আছে। এই কাম শেষ হ'লে আমাৰ অসমে প্ৰায় ৯৯.৫ শতাংশ মানুহক সামৰি লৈ ইলেক্ট্ৰিফাই হোৱা ৰাজ্য হিচাপে আমি অসমেও গৌৰৱ কৰিব পাৰিম। বিধায়ক ডাঙৰীয়াই ঠিকেই কৈছে যে এই কামসমূহ কৰোতে বিদ্যুৎ যোগান দিয়াৰ বহুদিন পিছত বিলসমূহ আহে। এই কথাটো সত্য। কাৰণ APDCL ৰ Revenue Collection ৰ যিটো Efficiency যোৱা দিনবোৰত আমি যিধৰণে সফলতা পাব লাগিছিল, সেইধৰণে সফলতা লাভ কৰা নাই। কিন্তু এতিয়া লাহে লাহে পৰিৱেশ বদলি গৈছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেই বিষয়টো নিজে চাইছে। তেওঁ বিজুলী ভৱনলৈ বৰ্তমানলৈকে তিনিবাৰ পৰিদৰ্শন কৰিছে Billing Efficiency আৰু Collection Efficiency আমাৰ যাতে এশ শতাংশ হয় তাৰ কাৰণে আমি প্ৰয়াস কৰি আছো। কিন্তু ইয়াত এটা Ghost Customer আছে। তাৰ মানে তেওঁলোকক বিচাৰি পোৱা নাযায়। বিগত দিনবোৰত আঁচনিসমূহ হওঁতে যেনেধৰণে কৰিবলগীয়া হৈছিল, হয়তো সময়ৰ অভাৱৰ বাবে বা খৰতকীয়াকৈ কৰিবলগীয়া হোৱাৰ বাবে যিসমূহ মানুহৰ ঘৰত বৈদ্যুতিক সংযোগ হৈছিল তেওঁলোকে নথি-পত্ৰসমূহ ঠিকমতে দিব পৰা নাছিল। এইটো হয়তো দীনদয়াল আঁচনিয়েই হওঁক বা ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিককৰণেই হওঁক। এনেধৰণৰ কিছু বিসংগতি থকাৰ কাৰণে কিছু সমস্যাৰ সৃষ্টি হৈছিল। এতিয়া লাহে লাহে আমি সেই গ্ৰাহকসকল চিনাক্তকৰণ কৰি নাইকিয়া কৰিবৰ বাবে চেষ্টা কৰি আছো। সেইকাৰণে এতিয়া Billing Efficiency বাঢ়িছে আৰু প্ৰায় এশ শতাংশলৈ নিবলৈ প্ৰয়াস কৰিছো। আপোনালোকে যদি চায়, Revenue Collection ৰ Efficiency আমাৰ চৰকাৰ অহাৰ পিছত এশ পাঁচ শতাংশ Collection কৰি আছো। লাহে লাহে আমি এই গোটেই বিষয়টো Smart Meter লৈ কনভাৰ্ট কৰিবলৈ চেষ্টা কৰি আছো। আমি আশা কৰিছো যে আগন্তুক দুই বছৰৰ আমি এই Smart Meter সমূহ সকলো গ্ৰাহকক দিবলৈ সক্ষম হ'ম। ৰেহাইৰ ক্ষেত্ৰত আমি বিভিন্ন সময়ত ৰেহাই ঘোষণা কৰিছো। আমাৰ যি প্ৰিঞ্চিপাল এমাউণ্ট ৰ ওপৰত যিসমূহ **চাৰচাৰ্জসমূহ** থাকে, বাগিচা সমূহৰ ক্ষেত্ৰত যি সমূহ চাৰচাৰ্জ আছিল সেইসমূহ ইতিমধ্যে আমি ৰেহাই ঘোষণা কৰিছো। সেইকাৰণে আমাৰ বাগিচাৰ উপভোক্তাসকল যথেষ্ট উপকৃত হৈছে। এতিয়াওঁ চাৰচাৰ্জৰ ৰেহাই সমূহ চলি আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই কওঁক।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ চৰ অঞ্চল সমূহত যিহেতু পাৱাৰ লাইন যাব নোৱাৰে তাত চ'লাৰ শক্তিৰ ব্যৱস্থা কৰা হৈছে। এতিয়াও বহু গাওঁ বাদ পৰি আছে। সেই গাওঁসমূহত চ'লাৰৰ দ্বাৰা পোহৰৰ ব্যৱস্থা কৰিব নেকি? লগতে গোৱালপাৰা পশ্চিম সমষ্টিত যিটো Load shedding and voltage fluctuation ৰ কাৰণে দুটা চাব-ষ্টেশ্যনৰ মঞ্জুৰী হোৱা বুলি শুনিছিলো। মৌৰাৰিজা পাৱাৰ ষ্টেশ্যন আৰু মাকৃক পাৱাৰ ষ্টেশ্যন এই চাব-ষ্টেশ্যন দুটাৰ কাম কেতিয়া সম্পন্ন হ'ব?

**শ্ৰী বিমল বৰা, মন্ত্ৰী, শক্তি, ক্ৰীড়া ইত্যাদি বিভাগ ঃ মাননীয় অধ্যক্ষ মহোদয়,** যি সমূহ স্থানত আমি অন গ্ৰীডেৰে বিদ্যুৎ সংযোগ দিবৰ কাৰণে বিভিন্ন কাৰিকৰী সমস্যা আছে আৰু বিভিন্ন ভৌগালিক সমস্যা আছে, সেই সমূহত অফ গ্ৰীডৰ জৰিয়তে সেই স্থানৰ লোকসকলক বৈদ্যুতিক সংযোগ দিবৰ বাবে  ব্যৱস্থা চলি আছে। ইতিমধ্যে সৌভাগ্য নিউ আঁচনিৰ জৰিয়তে গোৱালপাৰা জিলাৰ আপোনাৰ সমষ্টিৰ চৰ অঞ্চলত বসবাস কৰা লোকসকলকো আমি চ'লাৰ চিষ্টেমৰ জৰিয়তে তেওঁলোকক কানেকশ্যন দিবৰ বাবে ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে। আপুনি জানি ভাল পাব যে কেইবাখনো নদী পাৰ কৰি আমি তালৈ খুঁটা নিছো। আমাৰ ট্ৰেক্টৰেৰে খুঁটা নিব লগা হৈছে। কাৰণ চৰ অঞ্চলত কেইবাখনো নদী পাৰ হ'বলগীয়া হয়। সেইকাৰণে এই কাম সকলোতে সম্ভৱ হ'ব আৰু যিখিনি থাকি যাব আমি সৌভাগ্য নিউ আঁচনিৰ দ্বাৰা কৰিম। তাৰোপৰি যিবিলাক থাকি যাব আমি APDCL ৰ নিজৰ পুঁজিৰ দ্বাৰা কৰিবৰ বাবে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অখিল গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী অখিল গগৈ বিধায়ক, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো একেবাৰে সহজ। মোৰ সমষ্টি শিৱসাগৰ জিলাত বহু দিন ধৰি বহু মানুহে বিল দিয়া নাই। হঠাতে ৫০-৪০- হাজাৰৰ বিল এখন পৰিয়ালসমূহক দিয়া হৈছে। মই নিজে সেই সমষ্টিটোৰ সংমণ্ডলটোৰ  APDCL ৰ অধ্যক্ষ। বহুবাৰ কোৱাৰ পিছতো এই ঘটনাটো চলি আছে। এইটো কেৱল শিৱসাগৰতে নহয়, সকলো ঠাইতে চলি আছে। এই খিনি কেতিয়া শেষ হ'ব আৰু দ্বিতীয়তে, আমাৰ শিৱসাগৰ জিলাৰ কেইবাখনো গাওঁ আৰু চুবুৰীত এতিয়ালৈকে বিজুলী বাতি সংযোগৰ কাম হোৱা নাই। এই কামটো কেতিয়ালৈকে সম্পূৰ্ণ হ'ব?

**শ্ৰী বিমল বৰা, মন্ত্ৰী, শক্তি, ক্ৰীড়া ইত্যাদি বিভাগ ঃ মাননীয় অধ্যক্ষ মহোদয়,** মাননীয় সদস্য জনে হয়তো নাজানে শিৱসাগৰ জিলাত কেৱল ৩৭  ঘৰ মানুহক  বিদ্যুৎ সংযোগ দিবলৈ বাকী আছে। যিসময়ত চেনচাচ হৈছিল সেই সময়ত সেই লোকসকল সেই স্থানত নাছিল। এতিয়া আমাৰ যি আঁচনিৰ অধীনত কাম চলি আছে সেই আঁচনিসমূহৰ মতে একেলগে পাঁচ ঘৰ মানুহ থাকিব লাগে আৰু একেলগে পাচঁ  ঘৰ  থাকিলে সৌভাগ্য নিউ আঁচনিৰ জৰিয়তে আমি সংযোগ দিব পাৰো। সেয়েহে হয়তো ক'ৰবাত এঘৰ, দুঘৰ মানুহ থাকি গৈছে। গাওঁ বা চুবুৰী নহয় কেৱল ৩৭  ঘৰ মানুহক  বিদ্যুৎ সংযোগ দিবলৈ বাকী আছে। আপুনি বহু বিল একেলগে দিয়াৰ কথা কৈছে। এই ক্ষেত্ৰত মই কৈছো যে Billing Efficiency ৰ ক্ষেত্ৰত আমাৰ কিছুমান লেকুনা আছিল। সেই ক্ষেত্ৰত আমি লাহে লাহে Billing Efficiency বঢ়াবৰ চেষ্টা কৰিছো। বিভিন্ন ধৰণৰ  প্ৰযুক্তিৰ পৰাও Billing Efficiency বঢ়াবৰ বা বেও চেষ্টা কৰি আছো। মই ভাৱো আগন্তুক তিনি চাৰি বছৰৰ ভিতৰত এই বিভাগটোত  আমি ৰিণ'ভেশ্যনৰ কাম কৰিম আৰু অসমৰ জনসাধাৰণে গুণগত বিজুলী পাবলৈ সক্ষম হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১০৬, অজয় কুমাৰ ৰায় ডাঙৰীয়াই কওঁক।

**শ্ৰী অজয় কুমাৰ ৰায়, (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে আমাৰ বিজনী বিধান সভা সমষ্টিৰ লগতে সমগ্ৰ ক্ৰীড়া ক্ষেত্ৰত প্ৰতিভাৰ অভাৱ নাই। তথাপিও আমি সৰ্বভাৰতীয় প্ৰেক্ষাপটত বহু পিছ পৰি আছো। উন্নত আন্তঃগাঁথনি তথা পৰিকল্পনা কৰোতে আমি ক্ৰীড়া ক্ষেত্ৰত কেৱলমাত্ৰ ভাৰততে নহয় বিশ্বৰ ভিতৰত এক জাকত জিলিকা ভূমিকা পালন কৰিব পাৰো। গতিকে সংশ্লিষ্ট বিভাগে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**শ্ৰী বিমল বৰা, মন্ত্ৰী, শক্তি, ক্ৰীড়া ইত্যাদি বিভাগ ঃ মাননীয় অধ্যক্ষ মহোদয়,** অসমৰ ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতিভাসমূহ কেনেধৰণে গোটেই বিশ্বৰ লগতে সমগ্ৰ দেশত উজলি উঠিছে আমি সকলোৱে দেখিছো। লাভলীনা বৰগোঁহাই বা হিমা দাসেই হওঁক, তেওঁলোকৰ স্ব-প্ৰতিভাৰে উজলি উঠিছে। কেৱল তেওঁলোকেই যে উজলি উঠিছে, সেইটো নহয়। বিশ্বৰ মঞ্চত শক্তিশালী এক স্থানত উপনীত কৰিবলৈ সক্ষম হৈছে। সেই কাৰণে আমি গোটেই অসমবাসী গৌৰাৱান্বিত। এই ক্ৰীড়া প্ৰতিভাসকলক যাতে সকলো প্ৰকাৰে সা-সুবিধা প্ৰদান কৰিব পাৰো তাৰ বাবে আমাৰ চৰকাৰৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ উদ্যোগ গঠন কৰিবৰ বাবে প্ৰয়াস কৰা হৈছে। অসমত ক্ৰীড়াৰ নীতি নাছিল। আমাৰ চৰকাৰে বিগত কাৰ্য্যকালত অসমত স্পোৰ্টচ প'লিচি কাৰ্য্যকৰী কৰিবলৈ সক্ষম হ'লো আৰু সেই স্পোৰ্টচ প'লিচিৰ বাবে কোনেও আৰু পিচ পৰি থাকিব নালাগে। অলিম্পিকেই হওঁক, কমনৱেলথ্ গেমচেই হওঁক, এছিয়ান গেমছেই হওঁক এই টুৰ্ণামেণ্ট সমূহত যদি তেওঁলোকে পদক লাভ কৰে, তেতিয়া তেওঁলোকে অসম চৰকাৰৰ অধীনত চাকৰি সমূহত প্ৰথম পৰ্য্যায়, দ্বিতীয় পৰ্য্যায় আৰু তৃতীয় পৰ্য্যায়ৰ চাকৰি লাভ কৰিব। তাৰ লগে লগে শেহতীয়াভাৱে মাননীয় মুখমন্ত্ৰী মহোদয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ত যদি আমাৰ কোনো খেলুৱৈয়ে পদক লাভ কৰে তেওঁলোকেও চৰকাৰী চাকৰিত অংশ গ্ৰহণ কৰাত সুযোগ লাভ কৰিলে। গতিকে নিশ্চিতভাৱে তেওঁলোকে যেতিয়া ৰাষ্ট্ৰীয় গেমছত সোণ, ৰূপ বা ব্ৰঞ্জৰ পদক পায়, তেওঁলোকে তেতিয়া অসম চৰকাৰৰ চাকৰিত পোনপটীয়াভাৱে নিযুক্তি পাবৰ সক্ষম হ'ব। তাৰ লগে লগে বিগত দিনসমূহত আমাৰ নেশ্যনেল গেমছত যিসকল খেলুৱৈয়ে পদক পাইছিল, তেওঁলোকক খেলুৱৈ পেঞ্চন দিয়াৰ কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিধান সভাত ঘোষণা কৰিছিল। যোৱা তিনি চেপ্তেম্বৰ তাৰিখে অৰ্জুন ভোগেশ্বৰ বৰুৱা দেৱৰ জন্ম দিনত এই পেঞ্চন আমি ইতিমধ্যে প্ৰদান কৰিছো। তাৰ লগে লগে আন্তঃগাঁথনিৰ যি কথা কৈছে সেই ক্ষেত্ৰত মই ইতিমধ্যে কৈছো দহ খন জিলা সদৰত পঞ্চাশ কোটি টকা ব্যয় সাপেক্ষে একোটাকৈ অত্যাধুনিক ষ্টেডিয়াম য'ত আউট ডোৰৰ পৰা আৰম্ভ কৰি চাৰিশ মিটাৰ ট্ৰেকৰ লগতে ইণ্ডোৰ ষ্টেডিয়ামৰ সা-সুবিধাসমূহ গোটেইখিনি থাকিব। ঠিক তেনেদৰে চল্লিশটা বিধান সভা সমষ্টিত আমাৰ বিধায়ক সকলে স্থান নিৰ্ব্বাচন কৰি দিছে। অতি সোনকালে আমাৰ টেণ্ডাৰ হ'ব আৰু অনুমোদন হোৱা পিছতেই মই ভাৱো ...........ইণ্টাৰেপশ্যন.......

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো সকলো ঠাইতে হোৱা নাই।

**শ্ৰী বিমল বৰা, মন্ত্ৰী, শক্তি, ক্ৰীড়া ইত্যাদি বিভাগ ঃ মাননীয় অধ্যক্ষ মহোদয়,** অসমত এইটো অভূতপূৰ্ব ভাৱে হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অভূতপূৰ্বভাৱে ক্ৰীড়া ক্ষেত্ৰখন উন্নয়ন কৰিবলৈ যেনেকৈ সন্মুখৰ পৰা নেতৃত্ব দিছে ...........ইণ্টাৰেপশ্যন.......আগৰ দিনত কি হৈছিল?

---------**হুলস্থুল**------

**মাননীয় অধ্যক্ষ ঃ Question Hour is over.**

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি সভা স্থগিতৰ এটা motion দিছিলো। এইটোৰ বিষয়ে আলোচনা কৰিবলৈ সময় দিবলৈ অনুৰোধ জনালো। সদনৰ বাকী কাৰ্য্যসূচী বাতিল কৰি।

**মাননীয় অধ্যক্ষ ঃ** মই এখন notice পাইছিলো Adjournment Motion ৰ কাৰণে। নিয়ম অনুযায়ী সদন অনুষ্ঠিত হোৱাৰ অতি কমেও ১ ঘন্টা আগত এইটো দিব লাগে। কিন্তু আপোনালোকৰ notice খন ৰাতিপুৱা ৮.৩৫ মান বজাত দিয়া হৈছে আৰু সদন আৰম্ভ হৈছে ৯.৩০ বজাত। গতিকে সেইটো as per rule আমি আলোচনা কৰিব নোৱাৰো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী আৰু আন সকলোকে সময়ত দিয়া হৈছে। অধ্যক্ষক দিবলগা নহয় কাৰণে হয়তো আপোনাৰ কাৰ্য্যালয়ত আহোঁতে এইটো পলম হৈছে। কিন্তু আমি এইটো ৰাতিপুৱাই দিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰধান সচিবৰ কাৰ্য্যালয়তো এইটো received হোৱাৰ সময় ৰাতিপুৱা ৮.৩৫ বজাত দেখুৱাইছে। গতিকে এইটো আপোনালোকে আজিৰ সলনি আন এদিনাখন দিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ময়ো এখন সভা স্থগিত প্ৰস্তাৱ দিছিলো মূল্যবৃদ্ধিৰ ওপৰত।

**মাননীয় অধ্যক্ষ ঃ** মই বুজিছো কিন্তু এই কাৰণে মই আপোনালোকক কৈছো যে যেতিয়া আমি Grants ৰ ওপৰত আলোচনা কৰো তেতিয়া অন্য বিষয়ৰ ওপৰত আলোচনা কৰা নহয়। এইটো হ'ল ১ নং rule. দ্বিতীয়তে, Adjournment Motion ৰ notice সদন অনুষ্ঠিত হোৱাৰ অতি কমেও ১ ঘন্টা আগত এইটো দিব লাগে। সেইটো তেওঁলোকে ৫ মিনিট পিছত পাইছে। সেয়েহে মই অনুৰোধ জনাইছো এই Adjournment Motion ৰ এই notice টো আপোনালোকে পিছত দিব পাৰিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Adjournment Motion টো অহাকালিলৈ দিবলৈ মই আপোনাক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** Adjournment Motion ৰ এই notice টো আপোনালোকে যিমান আগত পাৰে সিমান আগত দিব।

**শ্ৰী কৰিমুদ্দিন বৰভূঞা (সোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা breach of priviledge আনিছিলো under rule 158 & 159.----interruption----

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অহাকালি দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** অহাকালিও নহ'ব। অহাকালিও Grants ৰ ওপৰত আলোচনা আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেতিয়াহ'লে আজিয়ে দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আজি Grants ৰ ওপৰত আলোচনা আছে।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** অহাকালিও Grants ৰ ওপৰত আলোচনা আছে।

**মাননীয় অধ্যক্ষ ঃ** হয়, Grants ৰ ওপৰত দুদিন আলোচনা থাকিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সময়ত সকলোতকৈ বেছি

গুৰুত্বপূৰ্ণ কথা হ'ল মূল্যবৃদ্ধি। মূল্যবৃদ্ধিয়ে মানুহক জুৰুলা কৰিছে। লোকচান পূৰাবলৈ অধিক দাম বৃদ্ধিৰ সম্ভাৱনা। ইতিমধ্যে ইন্ধনৰ লগতে বিদ্যুৎ মাচুল বৃদ্ধি হৈছে।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সময়ত এইটোৱে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। আপুনি আমাক ১ ঘন্টা সময় দিলেও হ'ব। আপুনি যদি এটা সময় নিৰ্দ্ধাৰণ কৰি দিয়ে তেতিয়াহ'লে আমি কথাখিনি ক'ব পাৰো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গাঁওৰ মানুহৰ হাহাকাৰ হৈছে। প্ৰতিটো বয়-বস্তুৰ দাম বাঢ়িছে। কিন্তু মানুহৰ উপাৰ্জন বন্ধ। গতিকে এই সময়খিনিত যদি আমি বিৰোধী পক্ষ হিচাপে চৰকাৰক দৃষ্টিগোচৰ নকৰো, চৰকাৰে যদি এই কথাখিনি address নকৰে, তেতিয়াহ'লে জনসাধাৰণক আমি সঠিকভাৱে represent কৰা নহ'ব। গতিকে অধ্যক্ষ মহোদয়, আমি আপোনালোকক অনুৰোধ কৰিছো যাতে সদনৰ আন কাম-কাজ বাতিল কৰি আজিৰ মূল্যবৃদ্ধিৰ কথাটোক সবাতোকৈ বেছি গুৰুত্ব দি আলোচনা কৰিবলৈ অনুমতি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই বুজি পাইছো আপেনালোকৰ কথাটো, মই সেয়া ignore কৰা নাই।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আলোচনা হ'ব লাগে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পেট্ৰল, ডিজেল, দিয়া চলাই, খোৰা তেলৰ দাম বাঢ়িছে। ---হুলস্থুল-----

**মাননীয় অধ্যক্ষ ঃ** নিয়ম অনুযায়ী Adjournment Motion ৰ notice সদন অনুষ্ঠিত হোৱাৰ অতি কমেও ১ ঘন্টা আগত এইটো দিব লাগে। যিহেতু আপোনালোকে সেইটো ৫ মিনিট পলমকৈ দিলে সেইকাৰণে আজি মই এইটো অগ্ৰাহ্য কৰিছো। Grants ৰ ওপৰত যেতিয়া আলোচনা চলে তেতিয়া আমি নিয়ম অনুসৰি বেলেগ বিষয় আলোচনা কৰিব নোৱাৰো। ---হুলস্থুল----------এই বিষয়টো অকল Adjournment Motion তে নহয় অন্য শিতানতো আলোচনা কৰিব পাৰে আপোনালোকে। আপোনালোকে Parliamentary Affairs Minister ডাঙৰীয়াৰ লগত কথা পাতি লওক। ---হুলস্থুল----------এতিয়া Item No-2. প্ৰতিবেদন দাখিল প্ৰথমতে আছে ড০ পৰমানন্দ ৰাজবংশী। ---হুলস্থুল-----------

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Grant No-26 উচ্চশিক্ষা Grant No-27 কলা আৰু সংস্কৃতি, Grant No-29 চিকিৎসা সেৱা, Grant No-69 বিজ্ঞান আৰু কাৰিকৰী, Grant No-71 প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা, Grant No-80 খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি সম্পৰ্কত অসম বিধান সভাৰ বিভাগীয়ভাৱে সম্পৰ্কীত স্থায়ী সমিতিৰ বিত্তীয় বৰ্ষ ২০২২ -২৩ চনৰ প্ৰতিবেদন সমূহ এই সন্মানীয় সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভূবন পেগু।

**শ্ৰী ভূৱন পেগু (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to present the Report of the Departmentally Related Standing Committee on Works Department Assam Legislative Assembly for the year 2021-22, 2022-23 Grant No.17, 34, 44, 64 related to the PWD (Roads, Building& NH) Department, Grant No. 30 & 44 related to Public Health Engineering Department, Grant No. 63 & 44 related to Water Resource Department, Grant No.6 related to Revenue & Disaster

Management,Grant No. 49 & 44 related to Irrigation Department, Grant No. 31,34 & 44 related to Urban Development Department, Grant No. 73 & 74 related to Guwahati Development Department, Grant No. 16 related to Printing & Stationery Department, Grant No.35 related to Information & Public Relations Department.

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী গোবিন্দ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰবসুমতাৰী (ওদালগুৰি) ঃ** Hon'ble Speaker sir, I beg to lay the following reports of the Departmentally Related Standing Committee on Development (A) Department Assam Legislative Assembly- 19th Report on Excise Department in respect of Grant No. 8, 24th Report on Transport Department in respect of Grant No. 9, 19th Report of the GAD in respect of Grant No. 12 & 21, 24th Report on Food & Civil Supplies Department in respect of Grant No. 37 & 46, 24th Report on WPT&BC Department in respect of Grant No. 38, 24th Report on Social Welfare Department in respect of Grant No. 39, 24th Report on Forest Department in respect of Grant No. 55, 24th Report on Industries Department in respect of Grant No. 58 & 60, 24th Report on Power Department in respect of Grant No.61& 62.

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** অধ্যক্ষ মহোদয়, মই অসম বিধান সভাত **২০২২ - ২৩** বৰ্ষত বিভাগীয়ভাবে সম্পৰ্কীত স্থায়ী সমিতিৰ উন্নয়ণ (খ) বিভাগৰ তলত উল্লেখিত প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলো। ১ নম্বৰ, মঞ্জুৰী নং -৪৮ আৰু ৬৭ কৃষি আৰু উদ্যোগ -শস্য বিভাগৰ ২৪ তম প্ৰতিবেদন। ২ নম্বৰ মঞ্জুৰী নং ৫৬ আৰু ৫৭ পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ ২৪ তম প্ৰতিবেদন। মঞ্জুৰী নং - ৫৯ হস্ত তাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগত২৪ তম প্ৰতিবেদন। ৪ নম্বৰ মঞ্জুৰী নং -৫৪ মীণ বিভাগৰ ২৪ তম্ প্ৰতিবেদন। ৫ মঞ্জুৰী নং-৫২ আৰু ৫৩ পশু চিকিৎসা আৰু পশুপালন বিভাগৰ ২৪ তম্ প্ৰতিবেদন। ৬ নম্বৰ মঞ্জুৰী নং -২৯ স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ ২৪ তম্ প্ৰতিবেদন। ৭ নম্বৰ মঞ্জুৰী নং -৪৩ সমবায় বিভাগৰ ২৪ তম্ প্ৰতিবেদন, ৮ নম্বৰ মঞ্জুৰী নং -৩৬ শ্ৰম আৰু নিয়োগ বিভাগৰ ১৯ তম্ প্ৰতিবেদন, ৯ নম্বৰ মঞ্জুৰী নং ৫১ ভূমি সংৰক্ষণ বিভাগত ১৯ তম্ প্ৰতিবেদন ১০ নম্বৰ মঞ্জুৰী নং ১৪,১৫,১৮ আৰু ২০ গৃহ বিভাগৰ ১৯ তম্ প্ৰতিবেদন।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৩ নং কাৰ্য্যসূচী আছে- যোৱা ১৬ মাৰ্চ ২০২২ তাৰিখত বহা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকৰ সিদ্ধান্তমৰ্মে নিম্নোক্ত মঞ্জুৰী দুটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰা হয় আৰু বাকী মঞ্জুৰীসমূহ ক্ৰম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হয়। এই মঞ্জুৰী দুটা হ'ল - মঞ্জুৰী নং-৩০ পানী যোগান আৰু অনাময় আৰু মঞ্জুৰী নং- ৪৮ কৃষি । এতিয়া মাননীয় জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই মঞ্জুৰী নং ৩০ সদনত প্ৰস্তাৱ কৰিব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, অসমৰ

ৰাজ্যপাল মহোদয়ৰ অনুমোদনক্ৰমে মই প্ৰস্তাৱ কৰিব খুজো যে, ২০২৩ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বৰ্ষৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰী হিচাপে পানী যোগান আৰু অনাময় শিতানৰ প্ৰশাসনৰ অৰ্থে ১,৩৯৫২৬.৬৬ লাখ টকা মঞ্জুৰী কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ৩০ নং মঞ্জুৰীটোত তলত উল্লেখ কৰা মাননীয় সদস্যসকলৰ নামত ৪ টা কৰ্ত্তণৰ প্ৰস্তাৱ আছে। ইয়াৰে মাননীয় সদস্যসকল হ'ল- শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰীৰকিবুল হুছেইন, শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰীৰাজেদ আলি চৌধুৰী, শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, শ্ৰীআব্দুল কালাম ৰছিদ আলম, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰীদিগন্ত বৰ্মন, শ্ৰীপ্ৰদীপ চৰকাৰ, হাফিছ বছিৰ আহমেদ, শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) শ্ৰীচিৰাজুদ্দিন আজমল, শ্ৰীৰফিকুল ইছলাম, শ্ৰীনজৰুল হক, শ্ৰীসুজামুদ্দিন লস্কৰ, শ্ৰীনিজামুদ্দিন চৌধুৰী, শ্ৰীনিজানুৰ ৰহমান,আমিনুল ইছলাম (কনিষ্ঠ) শ্ৰীমজিবৰ ৰহমান, শ্ৰীচামচুল হুদা, শ্ৰীআশ্ৰাফুল হুছেইন, শ্ৰীকৰিমুদ্দিন বৰভুএগ্ৰা, শ্ৰীআব্দুল আজিজ, শ্ৰী জাকিৰ হুছেইন লস্কৰ, শ্ৰীমনোৰঞ্জন তালুকদাৰ, আৰু অখিল গগৈ। এতিয়া মই কৰ্ত্তণ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ শ্ৰীআব্দুৰ ৰছিদ মণ্ডলক অনুৰোধ জনালো। আমি ডিচকাচনটো একেলগে কৰি যাম।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল (গোৱালপাৰা পূব)ঃ** Speaker Sir, I beg to move that total provision of rupees 139526.66 lakh under Grant No-30 in respect of water supply and senitation at page 336 to 350 second part 6 of the Budget for 2022-23 the reduce to rupees 1 that is the amount of the hole Grants of Rupees 139526.66 Lakh do stand reduce to Rupees 1.

মাননীয় অধ্যক্ষ ঃ শ্ৰীআমিনুল ইছলাম ডাঙৰীয়া ।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি নিম্ন স্বাক্ষৰকাৰীসদস্যসকলে প্ৰস্তাৱ কৰো যে, ২০২২-২৩ চনত বাজেটত দ্বিতীয়খণ্ডত ৬ নম্বৰ ৩৩৬ আৰু ৩৫০ পৃষ্ঠাত থকা পানী যোগান আৰু অনাময় শিতানত ২০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১৩৯৫,০২৬,৬৪,০০ টকা ১ টকালৈ হ্ৰাস কৰা হওক। অৰ্থ্যাৎ মঞ্জুৰীৰ ১৩৯৫ কোটি ২৬ লাখ ৬৪ হাজাৰ টকা ১ টকালৈ হ্ৰাস কৰা হওক ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমনোৰঞ্জন তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, ২০২২-২৩ বাজেটৰ দ্বিতীয়খণ্ডৰ ৬ অংশৰ ৩৩৬ -৩৫০ পৃষ্ঠাত থকা পানী যোগান আৰু অনাময় শিতানত ৩০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবী ১,৩৯৫২৬.৬৬ লাখ টকা ১ টকালৈকে হ্ৰাস কৰা হওঁক। অৰ্থ্যাৎ মঞ্জুৰীৰ ১ লাখ ৩৯ হাজাৰ ৫২৬.৬৬ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীঅখিল গগৈ ডাঙৰীয়া অনুপস্থিত - মাননীয় সদন, আমাৰ মঞ্জুৰী দুটা হ'ব। ডিচকাচনত যিসকলে বক্তব্য ৰাখিব দলসমূহৰ লীডাৰ বা চীফ হুইপে যদি স্পীকাৰসকলক কোনে কৃষি বিভাগত ক'ব, কোনে জনস্বাস্থ্য কাৰিকৰী বিভাগত ক'ব সেইটো যদি ভাগ কৰি দিয়ে তেতিয়া ভাল হয়। লগতে কিমান সময় ডিচকাশ্যন কৰিব আপোনালোকৰ মাজত সেইটো যদি ডিচিশ্যন লয় ভাল হয়। আপোনালোকৰ মত অনুসৰি আমি এটা এটাকৈ ডিচকাশ্যন কৰিম। এতিয়া মই প্ৰথম বক্তব্য ৰাখিবলৈ আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াক অনুৰোধ জনালো।

**শ্ৰীআব্দুল ৰছিদ মণ্ডল (গোৱালপাৰা পূৱ) ঃ** অধ্যক্ষ ডাঙৰীয়া, জনস্বাস্থ্য কাৰিকৰী বিভাগটো যিকোনো দেশ বা নাগৰিকৰ কাৰণে অত্যন্ত গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় কাৰণ পানী নোহোৱাকৈ

আমি জীয়াই থাকিব নোৱাৰো।পানীৰ ব্যৱস্থা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা কৰা হয়। বৰ্ত্তমানে অসমত এটা ফ্লেগশ্বিপ প্ৰগ্ৰেম চলি আছে "জল জীৱন মিশ্যন।" ২০২৪ চনত লক্ষ্য স্থিৰ কৰি লৈ ভাৰত চৰকাৰৰ দ্বাৰা আবন্টণ দিয়া 'জল জীৱন মিশ্যন'ৰ কাম অসমত আৰম্ভ হৈছে। মই জে জি এমৰ ওপৰত ক'বলৈ যোৱাৰ আগতে এটা কথা কওঁ, যিহেতু আমি গ্ৰান্ট নং- ৩৩ ৰ ওপৰত আমি কৰ্ত্তণ প্ৰস্তাৱ আনিছো তাৰ কাৰণ এইটো নহয় যে, টকা বেছি হৈছে, টকা কমাব লাগে। টকা ইয়াতকৈ বেছি দিয়াৰ বাবেও মই সমৰ্থন কৰিলোহেতেঁন। যিখিনি টকা দিছে মই ভাবো নোজোৰে। বহু বেছি টকাৰ প্ৰয়োজন আছে। খোৱা পানীৰ সমস্যা দূৰ কৰিবলৈ বাজেটত যিখিনি টকা দিছে পৰ্য্যাপ্ত নহয়। গ্ৰান্ট নং ৩০ হেড- ৬০০৩- য'ত ২০২০-২১ চনত ২.৮৭ কোটি খৰছ দেখুওৱা হৈছে ২০২১-২২ ত ১২ কোটি টকা বাজেট কৰা হৈছিল। ২০২১-২২ বৰ্ষত ১১.৪০ কোটি টকা বাজেটত আবন্টণ দিয়া হৈছে। প্ৰতিটো সমষ্টিত ৫০ টাকৈ স্পট চোৰ্চৰ ব্যৱস্থা কৰিছিল। এইটো ২০-২১ চনৰ আঁচনি কিন্তু এতিয়া আমি এইটো ২০২২-২৩ চনত সোমোৱাইছো। উপাধ্যক্ষ মহোদয়, আপুনিও এটা সমষ্টিক ৰিপ্ৰেজেন্ট কৰে। আপোনাৰ সমষ্টিতো ৫০ টা স্পট চোৰ্চ আবন্টণ দিয়া হৈছিল। এই ২০২২-২৩ চনত সেই স্পৰ্টছ চোৰ্চ কমপ্লিট হৈছেনে? ২০২০-২১ চনৰ কাম ২০২২-২৩ চনত এতিয়ালৈকে কমপ্লিট নোহোৱাকৈ আছে। বিভাগে কি কৰিছে, আমি টকা আবন্টণ দিওঁ কিন্তু কাম নকৰাকৈ থাকো, অনগোয়িং কৰি ৰাখো। গতিকে যিটো হেমাহি বিভাগৰ এই বিভাগক অতিৰিক্ত টকা দিয়াৰ সলনি এতিয়া এই বিভাগটোকে এক্টিভেশ্যন কৰাৰ প্ৰয়োজন আহি পৰিছে। গ্ৰ্যান্ট নম্বৰ ৩০ ত ৮০৭৭৮, rural water supply ত rectrofitting ৰ অধীনত যিমান টকা আৰন্টন দিয়া হৈছে, যিমান টকা খৰচ কৰা হৈছে অসমত, আনকি ৰাজহ বিভাগৰ পৰাও কিন্তু ইয়াত টকা দিয়া হৈছে। হয়তো বিধান সভাৰ কমিটিৰ দ্বাৰাই হওঁক, বিধান সভাৰ প্ৰশ্নৰ মাধ্যামেৰেই হওঁক, এনেই বিষয়া সকলৰ লগত আলোচনাৰ কৰাৰ সময়তো ৰেভিনিউ হেডত rectrofitting ৰ নামত যিমান টকা খৰচ কৰা হৈছে, সেই খৰচৰ ওপৰত মই যথেষ্ট প্ৰশ্ন উৎথাপন কৰিছিলোঁ, বিষয়া সকলক আহ্বান কৰিছিলোঁ যে ডিভিজনত এই হেডত যিবোৰ আঁচনি ৰূপায়ণ কৰা হৈছে, আপোনালোকে ফিল্ডত তদন্ত কৰক, মই আজিও কম মন্ত্ৰী মহোদয়ক। মই নকও যে আপোনাৰ periodত, আপোনাৰ আগৰ মন্ত্ৰীৰ periodতো এই Revenue Headত আপোনাৰ এই বিভাগত গোটেই অসমত যিমান টকা খৰচ হৈছে, আপুনি নিজা ববীয়াকৈ তদন্ত কৰি চাওঁক, তাত কি কি ঘটিছে। তাত কি কি ঘটিছে আপুনি গম পাব যে আমাৰ আপত্তিৰ কাৰণ ক'ত। আমি কিয় আপত্তি কৰিছোঁ, য'ত আপোনালোকে বেছিঁকৈ পইচা দিব লাগে, য'ত আৰু বহু বেছি টকাৰ প্ৰয়োজন আছে আপোনাৰ বিভাগত, তাত আমি আপত্তি কৰি আছো, আপোনালোকে পইচা দিব নালাগে কাৰণ আপোনালোকে দিয়া পইচাখিনি সঠিক ব্যৱহাৰ হোৱা নাই। সঠিক ভাৱে মনিটৰিং হোৱা নাই। আঁচনি সমূহক কেৱল estimate বনোৱা হৈছে, কাগজেদি দেখুৱা হৈছে, estimate সমিতিৰ সদস্য হিচাপে অসমৰ বিভিন্ন ঠাইত ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শন কৰা সুযোগ ঘটিছিল, একেই কথা চকুত পৰিছিল। একেই সমস্যা চকুত পৰিছিল। আমি একেই পৰামৰ্শ দিছিলোঁ, বিষয়া সকলক। আজি উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰ তথা মাননীয় মন্ত্ৰী মহোদয়ক এই আহ্বান কৰিছোঁ। rectrofittingৰ কাম আপোনাৰ যি হেডতে নকৰক কিয়, আপোনাৰ ইচ্ছা মতে অসমৰ যিকোনো ডিভিজন বাচি লওঁক, বৰাকভেলিটো বাচি লওঁক, নামনি অসমতো বাচি লওঁক, দৰকাৰ হলে মোৰ সমষ্টিও বাছি নলওঁক কিয়, মই কৰা অভিযোগ আপুনি জানিব পাৰিব যে কিয় আপোনাক পইচা দিবলৈ আপত্তি কৰিছোঁ। হেড ৪৯২০ জে জি এম যিটো

অভিলাসী আঁচনি, সেই আঁচনিত এই বিধান সভাত মাননীয় মন্ত্ৰী মহোদয়ে অসমৰ শিক্ষিত যুৱসমাজক আহ্বান কৰিছিল empanelৰ কাৰণে, হাজাৰ হাজাৰ ল'ৰা-ছোৱালীক empanel কৰা হ'ল। ঠিকা দিয়াৰ নামত আপোনালোকে কামৰ আৱন্টন দিলে, হাজাৰৰ সংখ্যাত নহয়, শতকৰ সংখ্যাত। হাজাৰ হাজাৰ মানুহক encourage কৰা হ'ল শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলক। তেওঁলোকে এই বিভাগত, কাৰণ ডাঙৰ ডাঙৰ প্ৰজেক্ট নহয়, ১০০ কোটি, ২০০ কোটি সেইবিলাক কোটি টকীয়া কাম আমাৰ কম পইচাৰ ঠিকাদাৰ সকলে কৰিব নোৱাৰে। এইটো আমি জানো। এক, দুই কোটি টকাৰ কাম কৰিব পৰা ল'ৰাও অসমত যথেষ্ট আছে। যাৰ কাৰণে এই বিধান সভাৰ পৰা যেতিয়া আহ্বান কৰা হৈছিল অসমত, ২০-২৫ হাজাৰ শিক্ষিত যুৱক-যুৱতীৰ empanelত নাম সোমাইছিল। কিন্তু আপোনালোকে সেই ২০-২৫ হাজাৰ মানুহৰ নামত কামৰ আৱন্টন দিয়া নাই। কেৱাশ ল'ৰাক কামৰ আৱন্টন দিছে, অৰ্থাৎ আপোনালোকে পেকেজিঙত গ'ল। অৱশ্যে কেবিনেটে এপ্ৰোভ কৰিছে আপোনালোকৰ দোষ নাই, কেবিনেটে পেকেজ কৰি এলাও কৰি দিছে, আপোনালোকৰ দোষ নাই, কিন্তু আমি তাৰ ফলত কি দেখা পাইছোঁ। গোৱালপাৰা জিলাত যিখিনি কাম আছিল আপোনাৰ এই individual যিবোৰ সৰু সৰু ঠিকাদাৰ সেইসকল ঠিকাদাৰৰ প্ৰত্যেকজন ঠিকাদাৰৰ কামৰ progress চাওঁক, আৰু সেইবোৰৰ ঠিকাদাৰক যাক পেকেজ কৰাৰ প্ৰয়োজনে নাছিল, scheme value বুলি কলে individual scheme value বুলি বুজাই, individual scheme value ১০ কোটি টকা হলে আপোনালোকে হেড অফিচৰ পৰা অৰ্ডাৰ কৰক, কিন্তু একমাত্ৰ পেকেজ কৰাৰ স্বাৰ্থত, হেড অফিচৰ পৰা অৰ্ডাৰ কৰা স্বাৰ্থত একাধিক এই সৰু সৰু আঁচনি বিলাক পেকেজ কৰি আপোনালোকে কিছুমান selected ঠিকাদাৰক কাম আৱন্টন দিলে যিসকলে আজিৰ তাৰিখ পৰ্য্যন্ত কামেই আৰম্ভ কৰা নাই। গোৱালপাৰা জিলাতে মোৰ হাতত এতিয়াই প্ৰগ্ৰেচি ৰিপৰ্ট আছে, ইয়াতে আছে, জিৰো প্ৰগ্ৰেচ। আটাইতকৈ আগতে আৰম্ভ হোৱা work allot হোৱা হেড অফিচৰ পৰা এলোট হোৱা ঠিকাদাৰ সকলে এতিয়ালৈকে জিলাখনতে যোৱা নাই। অথচ জিলা পৰ্য্যায়ত ডি চি বা অভিযন্তাৰ লেভেলত যি সকল ঠিকাদাৰক কাম দিছে, সেই প্ৰগ্ৰেচ ৰিপোৰ্টখিনিকে আপোনালোকে reflect কৰাই অসমে অৰ্থাৎ গোৱালপাৰা জিলাই দিল্লীত দেখুৱাব পাৰিছে যে আমাৰ work in progress, য'ত হেড অফিচৰ পৰা work allotment কৰা ঠিকাদাৰ সকলে কাম নকৰাকৈ আছে। এ জি এমৰ ক্ষেত্ৰত এই যিটো কাৰিকৰী ডিফেক্ট, এই কাৰিকৰী ডিফেক্টৰ কাৰণে মোৰ সন্দেহ হৈছে ২০২৪ চনত লক্ষ্য স্থিৰ কৰি লৈ যি আঁচনি আপুনি লৈছে সেই আঁচনি ২০২৪ চনৰ ভিতৰত আপোনালোকে সমাপ্ত কৰিব পাৰিব নে নাই। ইয়াৰোপৰিও আপোনালোকৰ স্বচ্ছ ভাৰত মিছনৰ অধীনত individual household toilet ৰ ক্ষেত্ৰত ইতিমধ্যে বৰপেটা জিলাত কাৰোবাক কাৰোবাক আপোনালোকে এৰেষ্টো কৰিছিল। যদি দৈনিক গণঅধিকাৰ পেপাৰত দেখা যায় নলবাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগত শৌচালয় নিৰ্মাণৰ নামত দুৰ্নীতিৰ অভিযোগ, বিষয়া সহ ৬ জনৰ বিৰুদ্ধে থানাত গোচৰ। গতিকে এনেকুৱা ধৰণৰ অভিযোগ বৰপেটা জিলা, গোৱালপাৰা জিলাত আছে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আপোনাৰ দলে আপোনাক ১০ মিনিট সময় দিছে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (গোৱালপাৰা পূৱ) ঃ** গোৱালপাৰা জিলাত মোৰ সমষ্টিতে যোৱা কেইবছৰত প্ৰায় ৫০ কোটি টকা শৌচালয়ৰ কাৰণে দিছে, মই ২০১৬ চনত বিধায়ক হৈ অহাৰ পিছত বিধান সভাত প্ৰশ্ন কৰি যেতিয়া মই দাতা পাইছিলোঁ, কাৰণ দুৰ্ভাগ্যবসত ২০১১ ৰ পৰা ২০১৬ লৈ মই পৰাজিত অৱস্থাত আছিলোঁ। কিন্তু লক্ষ্য কৰিছিলো কিছুমান বস্তু ২০১৬ ত বিধায়ক

হোৱাৰ পিছত সোনোৱাল চৰকাৰৰ প্ৰথম খন সদনত যেতিয়া মোৰ প্ৰশ্ন আছিল, তাৰ উত্তৰত যিটো আছিল, সেই উত্তৰত ওপৰত মই ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শন কৰাইছিলোঁ মানুহৰ দ্বাৰ, সেই সময়ত আছিল ৪০ কোটি, এতিয়া ৫০ কোটি আহিছে। ৪০ কোটিৰ টকাৰ মই ১৫ কোটি টকাৰ লেট্ৰিন বিচাৰি পোৱা নাছিলোঁ। বাঘবৰতো একেই, কাৰণ বাঘবৰ মোৰ জন্ম সমষ্টি। আপুপতি চৰত জন্ম মোৰ, মই যদিও গোৱালপাৰা জিলাৰ পৰা প্ৰতিনিধিত্ব কৰো। গতিকে বাঘবৰ সমষ্টিৰ কথাবোৰো মই জানো। বাঘবৰ সমষ্টিত যোৱা সময়চোৱাত ৬০ কোটি টকাৰ ৫০ হাজাৰ লেট্ৰিন দিছে, ৫০ হাজাৰ পৰিয়ালক। মোৰ সমষ্টিত ৪০ হাজাৰ লেট্ৰিন দিয়া হৈছে দুটা সমষ্টিত প্ৰায় ১০০ কোটি টকা, তদন্তৰ কথা সেইদিনাও কোৱা হৈছে, আমাৰ ডি আৰ এচ চি তো আহিছে। মই আপোনাৰ জৰিয়তে এই বস্তু খিনি তদন্তৰ আহ্বান জনাইছোঁ। গতিকে এইবিলাক কাৰণত কৰ্তন প্ৰস্তাৱ আনিছোঁ। বিভাগত পইচাৰ প্ৰয়োজন আছে মই স্বীকাৰ কৰোঁ, কিন্তু আপোনাৰ বিষয়া সকলে যেনেকৈ কাম কৰি আছে, যেনেকৈ আঁচনি লেহেমীয়া কৰি আছে, গতিকে পইচা দিলে অপচয় হোৱাৰ ভয় আছে, যাৰ কাৰণে আপোনাক পইচা দিয়াৰ ক্ষেত্ৰত আমি আপত্তি কৰিছোঁ। এইখিনি কৈ মই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এই আই ইউ ডি এফ দলৰ ৫০ মিনিট সময় দিয়া হৈছে, তাৰ ভিতৰত ৯ গৰাকী সদস্যৰ নাম দিয়া হৈছে। পি এইচ ত ৪ গৰাকীয়ে কব আৰু ৫ গৰাকীয়ে কৃষিৰ ওপৰত ক'ব। এতিয়া মাননীয় সদস্য নজৰুক হ'ক ।

**শ্ৰী নজৰুল হ'ক (ধুবুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো । কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই ক'ব বিচাৰিছো যে ২০১৯ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত মোডী ডাঙৰীয়াই এই ঐতিহাসিক আঁচনিখন ঘোষণা কৰিছিল আৰু পৰৱৰ্তী পৰ্য্যায়ত আমেৰিকালৈ গৈ Howdy Modi অনুষ্ঠানত তেখেতে সগৌৰৱেৰে কৈছিল যে ভাৰতৰ সমূহ জনসাধাৰণক বিশুদ্ধ খোৱা পানী আঁচনিত সামৰি লোৱা হ'ব। আমি ভাল পাইছিলো। কিন্তু এতিয়া জে. জে. এম আঁচনিখন অসমত কি অৱস্থা তাৰ আভাস দিবলৈ ওলাইছো। অসমৰ গ্ৰাম্যাঞ্চলৰ সকলো পৰিয়ালক নিৰ্ধাৰিত সময় অনুসৰি ইং ২০২৪ চনৰ ভিতৰত বিশুদ্ধ খোৱাপানী যোগান ধৰা হ'ব বুলি অসম চৰকাৰে ঘোষণা কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ গ্ৰাম্যাঞ্চলৰ মুঠ পৰিয়ালত হাউচ হল্ডৰ সংখ্যা গোটেই অসমত ৬৩,৩৫০১৫ টা, তাৰে ভিতৰত এতিয়ালৈ মুঠ ২০,৯৯৭৬ টা পৰিয়াললৈ অসম চৰকাৰে ৰূপায়িত আঁচনিৰ জৰিয়তে বিশুদ্ধ খোৱা পানী যোগান ধৰি থকা হৈছে । বৰ্তমান অসমত জনস্বাস্থ্য কাৰিকৰী বিভাগত অসম চৰকাৰে ১৮,৪৮৯ খন আঁচনি পি. ডব্লিউ. এছ্. এছ্. পাইপ ৱাটাৰ চাপ্লাই স্কীমৰ অধীনত, জে. জে. এমৰ অধীনত লোৱা হৈছে। ইয়াৰ ভিতৰত ১১,৮৫৫ খন আঁচনিত এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল দিয়া হৈছে আৰু ৬,৬০৪ খন আঁচনি এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেলৰ কাৰণে বাকী আছে। বাকী থকা চাৰি হাজাৰ মান আঁচনিত এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল দিয়াৰ কাৰণে যাৱতীয় ব্যৱস্থা হাতত লৈছে। এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল পোৱা আঁচনি সমূহৰ ভিতৰত ১,৮২৮ টা আঁচনিৰ কামৰ ইতিমধ্যে আৱন্টন দিয়া হৈছে। জল জীৱন মিছনত ৰাজ্যৰ গ্ৰাম্যাঞ্চলৰ লোক ৬৩, ৩৫,০১৫ টা পৰিয়ালক ঘৰে ঘৰে টেপ সংযোগৰ জৰিয়তে বিশুদ্ধ খোৱাপানী যোগানৰ উদ্দেশ্যৰে জনস্বাস্থ্য কাৰিকৰী বিভাগে ২৩, ৩৭৭ কোটি টকাৰ ইয়াক ভিজন ডকুমেন্ট প্ৰস্তুত কৰি লৈছে । উপাধ্যক্ষ ডাঙৰীয়া ইমান ধুনীয়া এখন আঁচনি প্ৰথম ডিজাইনতে কিছুমান ভুল থাকি গৈছে। আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ক'ব খুজিছে যে প্ৰেক্টিকেল ফিল্ডত ইয়াৰ কি অৱস্থা এই সম্বন্ধে কিছুমান

কথা কম আৰু এইখিনি যদি ৰেক্তিফাই কৰা নাযায় ভাৰত চৰকাৰৰ হাজাৰ হাজাৰ কোটি টকাৰ এই আঁচনি খন অদুৰ ভৱিষ্যৎ বেছি দিনলৈ নচলে। তাৰ কিছুমান ভুল আছে যে এইখিনি আপোনালোক সকলোৰে অৱগত। মোৰ সমষ্টিতো তেনেকুৱা হৈছে। এই ডিজাইনখন বনাওঁতে ইন্টাৰনেটৰ পৰা লোৱা হৈছিল আৰু সেইখন বাস্তৱত বিজ্ঞান সন্মত নহয় । যেনেকৈ প্ৰথম অৱস্থাত এষ্টিমেট যিটো পাৱাৰ থাকিব লাগে সেইটো থ্ৰী এইচ. পি. পাৱাৰ দিছিল আৰু পৰৱৰ্তী সময়ত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৎপৰতাত তিনি ৰ পৰা সাত এইচ. পি. লৈ মোডীফাই কৰা হ'ল আৰু যিটো ডিপ টিউবেল বৰিং কৰা হ'ল তাত কিছুমান ভাল বস্তু দিছে, চাবমাৰচিব্‌ল দিছে । ৰিজাৰ্ভাৰৰ পৰা পানী উঠোৱাৰ কাৰণে চেন্ত্ৰি ফ্ৰুৰেগেল ব্যৱহাৰৰ কৰাৰ কাৰণে পানীটো সোনকালে উঠি আছে। ডিজাইনটো এইখিনিতে ভুল আছিল যে পানীৰ টেংকিটো বহুত সৰু । যেনেকৈ মই দুৰহাটী গাওঁ পঞ্চায়তত এটা পানী যোগান আঁচনি শুভাৰম্ভ কৰিছিলো, তাত ৫৯৬ জন উপভোক্তা আছে । যেতিয়া ৰিজাৰ্ভাৰত পানী উঠায় তেতিয়া চাৰি ঘন্টা মান সময় লাগে। তাৰোপৰি প্ৰথম শাৰীত যিবোৰ আছে ১০০ ৰ পৰা ১৫০ টা পৰিয়াল উপভোক্তা হিচাপে আছে সেই সকলে পানী যোগান নাপায় । কিছু ৰেক্তিফাই কৰিছে যদিও এই১০০ ৰ পৰা ১৫০ টা পৰিয়ালে পানী যোগান নাপায়। এই আঁচনিৰ আৰু এটা ক্ৰুটি হৈছে যদি চাৰি মিটাৰ ওখলৈ পানী যাব লাগে পানীটো কোনোবাৰ ঘৰত টেপ কানেকচন দিয়া হৈছে, ৪ মিটাৰ ওখলৈ পানী যাবলৈ সক্ষম নহয় । গতিকে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে আপোনালোকে এক্সপাৰ্ট লগাই যিবোৰ সমস্যা আছে এই সমস্যা বিলাক সমাধান কৰিব লাগিব নহ'লে এনেকুৱা এখন ধুনীয়া আঁচনি সফল ৰূপায়ণ কৰা নহ'ব । এতিয়া যদি পানীৰ গতি বঢ়োৱাৰ বাবে পাম্প লগোৱা যায় তাতো সমস্যা আছে। প্ৰেচাৰ পাম্প নহ'লে কেতিয়াও পানীৰ স্পীড নাবাঢ়ে। প্ৰেচাৰ পাম্প লগাবলৈ হ'লে আমাৰ যি পাইপ লাইন বিচৰা হৈছে সেই পাইপৰ প্ৰেচাৰ মাত্ৰ ছয় কেজি। প্ৰেচাৰ মেচিন লগোৱা লগে লগে পাইপ বিলাক ফাটি চিগি গুছি যাব । গতিকে ইয়াৰ বিকল্প কিবা ব্যৱস্থা যদি কৰিব পাৰে জনস্বাস্থ্য কাৰিকৰী বিভাগে এই খিনিত চকু দিব লাগে । জে জে এম আঁচনিখন আমাৰ কিছুমান ঠাইত, মোৰ চাৰিখন গাওঁ পঞ্চায়তত কাম শুভাৰম্ভ কৰিছিলো, সকলোখিনিতে একেই সমস্যা দেখা দিছে আৰু মই যিখন মিটিংত কৈছিলো আৰু তাত জনস্বাস্থ্য কাৰিকৰী বিভাগত বিভাগীয় বিষয়া সকল উপস্থিত আছিল মই শুধিছিলো ইউজাৰ কমিটিয়ে কেনেকৈ এইটো মেইটেনেঞ্চ কৰিব? তেখেত সকলে কৈছে যে চৰকাৰৰ সিদ্ধান্ত মৰ্মে প্ৰতি হিতাধিকাৰীক ১০০ টকাকৈ দিব লগিব। এই কথাখিনিৰ কোনো সত্যতা নাই। যোৱা কেইদিন আগত বঙাইগাওঁত এখন ট্ৰেইনিং হ'ল, এই ট্ৰেইনিংত গাওঁ পঞ্চায়তৰ সভাপতি সকল উপস্থিত হৈছিলে তাত কোৱা হৈছিল আপোনালোকে ৩০ টকাকৈ লওঁক। এতিয়া মূল কথাটো হ'ল যদি পানী যোগান নাপায় তেনেহ'লে ত্ৰিশ টকা কিয় দিব । মই গোটেই অসমৰ কথা ক'ব নাজানো আমাৰ ধুবুৰী জিলাৰ যিখিনি পানী যোগান আঁচনি আছে বৰ্তমান কাৰ্য্যক্ষম অৱস্থাত আছে, কোনো হিতাধিকাৰীয়ে পইছা এতিয়াও দিয়া নাই । আমাৰ জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ মন্ত্ৰী জন যিহেতুকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰো মন্ত্ৰী গতিকে মই তেখেতক এটা পৰামৰ্শ আৰু আনুৰোধ জনাব বিচাৰো যে পঞ্চদশ বিত্তীয় বৰ্ষত অহা আঁচনিকে ধৰি অন্যান্য আঁচনিৰ বাবে অহা অনুদান ৰাহি কৰি এই জে জে এম আঁচনি খনৰ সফল ৰূপায়ণ, উন্নয়ন আৰু মেৰামতিৰ ব্যৱস্থা কৰে আৰু পানী যোগানৰ ক্ষেত্ৰত যি অপাৰেটৰ নিয়োগ কৰা হৈছে তেওঁক অলপ আৰ্থিক সকাহ দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো । কাৰণ এই ক্ষেত্ৰত চৰকাৰৰ ফালৰপৰা তৎপৰতা গ্ৰহণ কৰিলেহে সমস্যা বিলাক সমাধান হ'ব, নহ'লে নহ'ব

। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি, মন্ত্ৰী মহোদয় আৰু সংশ্লিষ্ট বিষয়া সকল আপোনালোক সকলোৱে জানে যে এই মাৰ্চ মাহত সম্পূৰ্ণ হোৱাকৈ Functional Houshold Tap connection নামৰ এখন আঁচনি দিয়া হৈছিল । ইয়াৰ অধীনত ধুবুৰী জিলাত ২৫ হাজাৰৰ টাৰ্গেট দিয়া হৈছে । বৰ্তমানলৈ ইয়াৰ এটাও আঁচনি কাৰ্য্যক্ষম হোৱা নাই যদিও কাগজে কলমে সম্পূৰ্ণ হোৱা বুলি দেখুওৱা হৈছে । আপোনালোকৰ চৰকাৰে ভাল ভাল আঁচনি হাতত লৈছে হয় কিন্তু আপোনালোকে বিজ্ঞাপন দিওঁতে যিদৰে ঢাক-ঢোল বজায় ব্যৱসায়িক দিশত কিন্তু তেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা দেখা নাযায় । মাননীয় উপাধ্যক্ষ মহোদয়, স্বচ্ছ ভাৰত মিশ্যনত মন্ত্ৰী মহোদয় অৱগত যিখিনি পঞ্চায়তৰ জৰিয়তে প্ৰথম অৱস্থাত স্বচ্ছ ভাৰত মিচনত ব্যক্তিগত Household Latrine দিয়া হ'ল। এইখিনিত যেতিয়া Beneficiary নিৰ্বাচন কৰে, তেতিয়া গাওঁ পঞ্চায়তৰ প্ৰতিনিধিয়ে উৎকোচ লৈ যধে-মধে দিছিল। ইয়াৰ ফলত বহুত দুখীয়া মানুহ বাদ পৰি গৈছিল । মই এই ক্ষেত্ৰত বিধান সভাত কেইবাৰো প্ৰশ্ন আনিছিলো আৰু সেই প্ৰশ্নৰ উত্তৰটো আহিছিল যে, অতিৰিক্ত তালিকা বনোৱাৰ বাবে আমাৰ বিষয়া সকলক নিৰ্দেশ দিয়া হ'ব। সেই অতিৰিক্ত তালিকা প্ৰস্তাৰিত হোৱা আজি ৩ পৰা ৪ বছৰ হৈ গ'ল। কিন্তু সে ই তালিকাৰ কামবোৰ আজিলৈকে কাৰ্য্যক্ষম নহ'ল। গতিকে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে, যিহেতু ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী স্বচ্ছ ভাৰত মিচনৰ হেজাৰ হেজাৰ কোটি টকা খৰচ কৰিছে আৰু পৃথিৱীৰ বহুত ঠাইত গুণ গান কৰিছে। সেয়েহে মই স্বচ্ছ ভাৰত মিচনৰ অধীনত থকা ঘৰুৱা শৌচালয় বিলাক অতি সোনকালে নিৰ্মাণ কৰি দুখীয়া মানুহক যাতে দিব পৰা যায় তাৰ বাবে ব্যৱস্থা ল'ব বুলি মই আশা কৰিলো। ইয়াৰ লগতে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে, এই শৌচালয়বোৰৰ নামত আৱন্টিত টকাৰ পৰিমাণ একেবাৰে কম। আগতে ১২ হাজাৰ আছিল এতিয়া বৃদ্ধি হল নে নাই মই সঠিক কৈ ক'ব নোৱাৰিম। চৰ অঞ্চলত ইটা, বালি আদি এবাৰ নদীৰ এইপাৰে এবাৰ সেইপাৰে উঠোৱা নমোৱা কৰি লৈ যাব লাগে। এই বস্তুখিনি লৈ যাওঁতে যিখিনি খৰচ হয় সেইটোৰ কাৰণে চৰ অঞ্চলৰ বাবে এই খৰচৰ পৰিমাণ বঢ়াব লাগে। যিহেতু কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰ দ্বাৰাই অসম চৰকাৰে এইখিনি কৰে গতিকে আধৰুৱা খিনি শেষ কৰিলবলৈ এটা সিদ্ধান্ত ল'লে ভাল হয়। এই শৌচালয় বিলাকৰ কোৱালিটি বিলাক ইমানে বেয়া যে, আপোনালোকে দেখিলে গম পাব যে, কাগজৰ নিচিনা ওপৰত যি জেচিআই চিট লগাইছে। সেইবোৰ টানিলে চিগি যায়। দৰ্জাখন অকল তাঁৰকাটাৰে কৰি থৈছে। আপোনালোকে যদি যায় মোৰ ধুবৰী জিলাত মই নিজে চাইছো যে, তাত এটাও কাৰ্য্যক্ষম হৈ থকা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক পুনৰ নিৰীক্ষণ বা শুদ্ধ কৰিবলৈ মই অনুৰোধ জনাই মই কৰ্তন প্ৰস্তাৱৰ সপেক্ষে মোৰ ক'বলগীয়াখিনি ব্যক্ত কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ড° অমিয় কুমাৰ ভূঞা।

**ড° অমিয় কুমাৰ ভূঞা (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগে আমাৰ মাননীয় প্ৰধান মন্ত্ৰীৰ যি অভিলাসী যি জল জীৱন মিছন আঁচনি ৰূপায়নৰ ক্ষেত্ৰত যিখিনি তৎপৰতা কৰিছে সেইখিনি শলাগ ল'বলগীয়া। সেই তৎপৰতাৰে অতি কম দিনৰ ভিতৰত যিখিনি লক্ষ্যত উপনীত হৈছে আৰু ২০ লাখ মানুহক পানী যোগান দিয়াৰ তথ্য আমি ইতিমধ্যে পাইছো। ২৫০০ খন গাঁৱক এই আঁচনিৰ যোগেদি সামৰি লোৱা হৈছে। ইয়াৰ লগতে মোৰ নিজৰ সমষ্টিটো ৰূপায়ণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ তৎপৰ হোৱা দেখা গৈছে। এই তৎপৰতাৰ ফলত আমাৰ যি লক্ষ্য আছে, ২০৪০ চনত ঘৰে ঘৰে পানীৰ ব্যৱস্থা সেইটো নিশ্চয়কৈ হৈ উঠিব। এই তৎপৰতা অধিক ক্ষীপ্ৰতৰ কৰিবলৈ হ'লে আমাৰ কাম কৰা যিটো পদ্ধতি সেইটো ঠিক কৰিব লাগিব। ইয়াৰ

লগত বিভাগৰ যিবোৰ DPR প্ৰস্তুত কৰাৰ ক্ষেত্ৰত লেহেমীয়া হৈ আছে, সেইখিনি আমি খৰটকীয়া কৰাৰ বাবে বিভাগক আহ্বান জনাইছো। জলজীৱন মিছন আঁচনি সম্পূৰ্ণকৈ ৰূপায়ণ কৰি কাৰ্য্যকাৰী কৰিববলৈ পাৰিলে আমাৰ সমাজ জীৱনলৈ এক বৃহৎ পৰিৱৰ্তন আহিব। ইয়াত যি মান সম্পন্ন পাইপেৰে পানী যোগানৰ ব্যৱস্থা কৰা হৈছে তাৰ ফলত যিবোৰ ঠাইত আজি বহুদিন ধৰি খোৱা পানীৰ পৰা বঞ্চিত হৈ আছিল সেই মানুহখিনিয়েও এই আঁচনিৰ পৰা বিশুদ্ধ খোৱা পানী পাব। এই ক্ষেত্ৰত জনস্বাস্থ্য কাৰিকৰী বিভাগে ইয়াত যি দাবী কৰিছে বা প্ৰস্তাৱ কৰিছে ২০২২-২৩ বৰ্ষত কাম কৰিবৰ বাবে আমি সেইখিনি সমৰ্থন কৰিছো। যোৱা ০১-০৪-২০২১ পৰা ২৬-০৩-২০২২ লৈকে ১৫ লাখ ৬০,৬৬৮ ঘৰৰ লক্ষ্যত উপনীত হৈছে। ইয়াৰ শতকৰা হাৰটো হ'ল ৯১.৮ শতাংশ। বাকী ৰোৱা কামখিনি কৰিবৰ বাবে যিখিনি প্ৰস্তাৱ কৰিছে ১ লাখ ৩৯ হাজাৰ ৩৮২ ইয়াৰ লগতে ২০২২-২৩ বিত্তীয় বৰ্ষৰ কাৰণে যি Household ঠিক কৰা হৈছে সেইটো হ'ল ২২ লাখ ৮৪ হাজাৰ ২১৫ টা ঘৰৰ বাবে। এইখিনি কৰাৰ বাবে আমাৰ প্ৰয়োজনীয়তা আছে ১০ হাজাৰ ৯৬৭.৭৪ কোটি। ইয়াক আমি সমৰ্থ ন জনাইছো। ইয়াৰ লগতে যি সকলক কাম কৰিবৰ কাৰণে দায়িত্ব দিয়া হৈছে, যি সকলে এই আঁচনি ৰূপায়ন কৰিবৰ বাবে দায়িত্ব দিছিল আৰু নিৰ্দিষ্ট সময়-সীমা ধৰি দিয়া হৈছে। সেই সময়-সীমাৰ ভিতৰত কিমান কাম কৰিলে তাৰ সাপ্তাহিক কিমান কাম আগবাঢ়িছে সেই ক্ষেত্ৰত বাধ্য বাধকতা আনিবৰ কাৰণে আহ্বান জনাইছো। এই আঁচনিখন আগবঢ়াই নিবৰ বাবে যি যি পৰ্য্যালোচনা সভা অনুষ্ঠিত কৰি আছো আৰু স্থানীয় ভাবে কাম কৰাৰ যিটো গতি সেই গতি বৃদ্ধি হৈছে। এই গতি বৃদ্ধি কৰিবৰ বাবে ৰাজ্যখনৰ পৰা এটা শক্তিশালী নিৰীক্ষণ ব্যৱস্থাৰ প্ৰয়োজন আছে। যাতে আমি ২০২৪ ভিতৰত ঘৰে ঘৰে পানী সকলোৰে উপলব্ধ হয় সেই ক্ষেত্ৰত কাম কৰিবৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগক যি প্ৰস্তাৱিত যি ধন আছে তাৰ উপৰিও অতিৰিক্ত ভাবে ধন আৱন্টন কৰিবৰ বাবে আমাৰ ফালৰ পৰা আমি মতামত আগবঢ়াইছো। আমি আশা আৰু বিশ্বাস কৰো যে, বিশ্বৰ বৰেণ্য আমাৰ প্ৰধাম মন্ত্ৰীৰ যি সপোনৰ আঁচনি যিটো গোটেই ভাৰতবাসীৰ কাৰণে মুকলি কৰিছে এই আঁচনিয়ে অনাগত দিন বিলাকত সমাজৰ এটা আমোল পৰিৱৰ্তন আনিব। যাৰ জৰিয়তে আমি সু-স্বাস্থ্য পাম। গতিকে এই আঁচনিখন ৰূপায়নৰ কৰাৰ ক্ষেত্ৰত যি ব্যৱহাৰকাৰী সমিতি গঠন কৰা হৈছে ইতিমধ্যে সদনৰ মজিয়াত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কাম বিলাকৰ বিষয়ে কোৱাৰ উপৰিও যি পানী নিস্কাষণৰ কাৰণে যি ৰাসায়নিক দ্ৰব্য বা বিদ্যুৎ মাচুলো চৰকাৰে গ্ৰহণ কৰিম বুলি কৈছে। এইটোক আমি আদৰণি জনাইছো। আমি আশা ৰাখিছো যে, এই আঁচনিখন দীৰ্ঘ্যম্যাদী হ'ব। এই আঁচনি খনৰ ৰূপায়নৰ ক্ষেত্ৰত যি ধন ধাৰ্য্য কৰা হৈছে, এইখিনি মঞ্জুৰ কৰিবৰ বাবে মোৰ ফাল ৰ পৰা আহ্বান জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী পোনাকণ বৰা।

**শ্ৰী পোনাকন বৰুৱা, (চাবুৱা) ঃ** ধন্যবাদ উপাধ্যক্ষ মহোদয়, পানী যোগান আৰু অনাময় শিতানত আমাৰ চৰকাৰে যি আৰ্থিক মঞ্জুৰীৰ লক্ষ্য লৈছে, তাক সমৰ্থন কৰি মই দুআষাৰ ক'ব বিচাৰিছো। আমাৰ ভাৰতবৰ্ষৰ মাননীয় প্ৰধান মন্ত্ৰী বিশ্বনেতা নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ভাৰতবৰ্ষৰ প্ৰতিটো পৰিয়াললৈ বিশুদ্ধ খোৱা পানী যোগান ধৰিবৰ বাবে কোনেও ভাবিব নোৱাৰা, কোনেও সপোন দেখিব নোৱাৰা এখন বৃহৎ আঁচনি গ্ৰহণ কৰিলে। ভাৰতবৰ্ষৰ কোটি কোটি পৰিয়াললৈ বিশুদ্ধ খোৱা পানী যোগান ধৰা যি আঁচনি সেই আঁচনি সমগ্ৰ ভাৰতবৰ্ষতে কাৰ্য্যকৰী হৈছে। আমাৰ অসমতো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াৰ নেতৃত্বত খুব সুন্দৰভাৱে পৰিচালিত হৈছে। গতিকে মই প্ৰথমতে আমাৰ মাননীয়

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো। জল জীৱন মিশ্যনৰ অধীনত আমাৰ চৰকাৰে যেতিয়া কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল তেতিয়া আমাৰ ৰাজ্যত ঘৰুৱা সংযোগৰ সংখ্যা আছিল ৭,১৪, ৮৮১ টা আৰু আমাৰ চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ ৯ মাহতে এই সংখ্যা ২১, ৯০১৮ টা হৈছেগৈ। চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ সময়ত সামৰি লোৱা বিদ্যালয়ৰ সংখ্যা আছিল ৮,৩৫৭ টা আৰু ৯ মাহত এই সংখ্যা বৃদ্ধি হৈ ২৭,৮৫৯ খন হৈছে। একেদৰে আমাৰ যি অংগনবাড়ী কেন্দ্ৰৰ সংখ্যা আছিল ২০৫১ খন আৰু এতিয়া ৯ মাহ পিছত ইয়াৰ সংখ্যা হৈছেগৈ ১৩,২২৬ খন। আমাৰ চৰকাৰে যোৱা সময়চোৱাত প্ৰায় ৮০০ খন চাহ বাগিচালৈ বিশুদ্ধ খোৱাপানী যোগান ধৰিবৰ কাৰণে জল জীৱন মিশ্যনৰ আঁচনি গ্ৰহণ কৰিছে। আমাৰ অসমৰ চাহ বাগিচা সমূহত বেমাৰ-আজাৰৰ সংখ্যা বেছি। স্বাস্থ্য সন্মত পৰিবেশ নথকাৰ কাৰণে শ্ৰমিক সকলৰ সন্তান সকল বিভিন্ন বেমাৰ-আজাৰত পৰে। গতিকে বিশুদ্ধ খোৱাপানী যোগানৰ জল জীৱন মিশ্যনৰ যি আঁচনি আমাৰ চৰকাৰে প্ৰথমে চাহ বাগিচা সমূহত গ্ৰহণ কৰা বাবে মই চৰকাৰক ধন্যবাদ জনাইছো আৰু আমাৰ ঠাই বিলাকৰ চাহ বাগিচা অঞ্চল সমূহত এই কাম সমূহ দ্ৰুত গতিত হ'বলৈ গৈ আছে। মই এই সদনত জনাবলৈ পাই সুখী হৈছো যে জল জীৱন মিশ্যনৰ অধীনত চাহ বাগিচাৰ যি কাৰ্য্যসূচী আছিল অসমৰ ভিতৰতে প্ৰথমখন আঁচনি সম্পূৰ্ণ কৰাৰ বাবে মই ধন্যবাদ জনাইছো। আমি মাত্ৰ ২৭ দিনৰ ভিতৰত চাবুৱা সমষ্টিৰ বালিজান চাহ বাগিচাৰ এটা জল জীৱন মিশ্যনৰ কাৰ্য্যসূচী সম্পূৰ্ণ কৰিছো আৰু তাত ঘৰে ঘৰে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিবলৈ সক্ষম হৈছো। এই কাম সম্পূৰ্ণ কৰাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিভাগীয় মন্ত্ৰী মহোদয়ক অৱগত কৰাইছিলো আৰু তেখেত সকলৰ পৰা আমি ধন্যবাদ সূচক মন্তব্য লাভ কৰিছিলো। মই অসম চৰকাৰক ধন্যবাদ জনাব বিচাৰিছো আৰু এটা অনুৰোধ জনাব বিচাৰিছো যে এই কাম বিলাক আবণ্টন দিবলৈ যাওঁতে বহু সময়ত ঠিকাদাৰৰ সংখ্যা নথকাৰ কাৰণে আমি একেটা প্ৰতিষ্ঠানকে বা একেটা ঠিকাদাৰ গোষ্ঠীকে বহুবেছি কাম দি দিয়াৰ বাবে কাম সমূহ আৰম্ভ কৰিব পৰা নাই। মোৰ চাবুৱা সমষ্টিত প্ৰায় ৬০-৭০ কোটি টকাৰ কাম এটা পাৰ্টীক দি দিয়াৰ বাবে তেওঁলোকে গোটেই বিলাক ঠাইত কাম আৰম্ভ কৰিব পৰা নাই। গতিকে ভৱিষ্যতে এই কাম বিলাক আবণ্টন দিয়াৰ সময়ত মই বিভাগীয় মন্ত্ৰী মহোদয় আৰু চৰকাৰক অনুৰোধ জনাব বিচাৰো যে এই সংখ্যাৰ দিশত কম কমকৈ কাম বিলাক আবণ্টন দিলে কামখিনি অলপ খৰতকীয়া কৰিব পৰা যাব। বেছিকৈ দি দিয়াৰ বাবে তেওঁলোকৰ আন্তঃগাঁথনি নাথাকে। ভৱিষ্যতে এই কথাখিনি চাবৰ বাবে মই অনুৰোধ জনাইছো। মই পানী যোগান আঁচনি আৰু অনাময় শিতানত ৰাজ্য চৰকাৰে ১,২৯,৫২৬.৬৬ লাখ টকাৰ যি মজুৰী আগবঢ়াইছে এই ইয়াক অধিক কৰিবৰ কাৰণে আৰু বিৰোধী দলে উত্থাপন কৰা কৰ্তন প্ৰস্তাৱ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী। আপোনাৰ সময় দহ মিনিট।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত বিৰোধী দলৰ পৰা বিশেষকৈ মঞ্জুৰী নং ৩০ ৰ পানী যোগান আৰু অনাময় এই শিতানটোত যি অতিৰিক্ত মঞ্জুৰী উত্থাপন কৰিছে তাত বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ বিৰোধিতা কৰিছো। বিশেষকৈ আমি জানো যে অসমত খোৱা পানীৰ সমস্যা আছে আৰু লগতে স্বাস্থ্যজনিত সা-সুবিধা বিশেষকৈ চেনিটেৰী প্ৰভিজনত বহুত অভাৱ আছে। কেৱল অসমতে নহয় গোটেই ভাৰত বৰ্ষতে এই সমস্যা আছে। এই কথাখিনি উপলব্ধি কৰিয়েই মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে জল জীৱন মিশ্যন

এই আঁচনিটোৰ আৰম্ভণি কৰিছিল আৰু লক্ষ্য হৈছে ভাৰতৰ চুকে-কোণে থকা গাওঁ সমূহত ঘৰে ঘৰে খোৱাপানীৰ ব্যৱস্থা যাতে কৰিব পৰা যায়। আমাৰ গাওঁ অঞ্চলত ঘৰে ঘৰে পানী দিয়াৰ উপৰিও শিক্ষানুষ্ঠান, ৰাজহুৱা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান সমূহত, ৰাজহুৱা ঠাই সমূহত যাতে ৰাইজে খোৱা পানীৰ সমস্যাত ভূগিব লগীয়া নহয় তাৰ ব্যৱস্থা কৰিবৰ বাবে জল জীৱন মিশ্যনৰ আঁচনি লৈছিল। ইয়াৰ যথেষ্ট কাম ইতিমধ্যে হৈছে। আমাৰ অসমৰ বিশেষকৈ বি টি এ ডি অঞ্চলৰ চুকে-কোণে ইয়াৰ কাম চলি আছে। এতিয়াও বহু অঞ্চলত ইয়াৰ নতুন নতুন আঁচনিৰ কাম চলি আছে। বিগত চৰকাৰখনৰ সময়ত আমাৰ পি এইচ ই বিভাগে কৰা পানী যোগান আঁচনিৰ যিখিনি কাম অচল হৈ আছিল সেই কামখিনি যাতে তীব্ৰগতিৰে চলাই নিয়ে। এইদৰে যদি কামখিনি চলি থাকে তেতিয়াহ'লে অসমৰ য'ত য'ত খোৱা পানীৰ সমস্যা আছে, সেই সমস্যাখিনি যাতে সোনকালে সমাধান কৰে। মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এই আঁচনিৰ কামখিনি আৰু অলপ খৰতকীয়া হোৱাৰ প্ৰয়োজন আছে। ইয়াৰ উপৰিও আমি আৰু কিছুমান অসুবিধা দেখিবলৈ পাইছো যে এই জল জীৱন মিশ্যনৰ যিখিনি আঁচনি লোৱা হৈছে সেই আঁচনি মতে যিখিনি সামগ্ৰী ব্যৱহাৰ কৰা প্ৰয়োজন তাত কিন্তু বিশেষ কেইটামান ব্ৰেণ্ডৰ সামগ্ৰী ব্যৱহাৰ কৰিব দিয়া কাৰণে আমাৰ চাপ্লাইত কিছু অসুবিধা হোৱা বুলি মই অনুমান কৰিব পাৰো। সেই কাৰণে পাৰ্টিকুলাৰ কেইটামান ব্ৰেণ্ডৰ ওপৰত নিৰ্ভৰ নকৰি তাত কোৱালিটি থকা বিভিন্ন ব্ৰেণ্ডৰ সামগ্ৰী সমূহ ব্যৱহাৰ কৰাৰ বাবে যাতে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তেনেকুৱা কৰিলে আমাৰ কামবোৰ খৰতকীয়া হ'ব আৰু যিহেতু ২০২৪ চনলৈকে এই জল জীৱন আঁচনিখন চলি থাকিব গতিকে এই সময়চোৱাৰ ভিতৰত যাতে কামখিনি সম্পূৰ্ণ হৈ উঠে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনৰোধ কৰিলো। বিশেষকৈ ভূটান সীমান্তবৰ্তী অঞ্চল সমূহত খোৱা পানীৰ যথেষ্ট অসুবিধা আছে। আমাৰ নজৰত পৰিছে যে বিভাগৰ যিসকল বিষয়া আছে, তেওঁলোকে দূৰ্গম অঞ্চলত য'ত ৰাস্তা-পদূলি নাই তাত খোৱা পানীৰ সমস্যা আছে আৰু সেই অঞ্চল সমূহত এই আঁচনিখন লোৱা কিছু গাফিলতি কৰা আমি লক্ষ্য কৰিছো। এই ক্ষেত্ৰত যাতে বিভাগীয় মন্ত্ৰী মহোদয়ে দৃষ্টি ৰাখে আৰু য'ত য'ত খোৱাপানীৰ সমস্যাৰ সিমান অভাৱ নাই আৰু নিজে কুৱা খান্দি, দমকল বহাই ল'ব পাৰে তেনেকুৱা অঞ্চলবোৰত জল জীৱন আঁচনি সমূহ বেছিকৈ লোৱা দেখা যায়। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে য'ত খোৱা পানীৰ সমসা আছে বিশেষকৈ আমাৰ বি টি এ ডি অঞ্চলৰ যেনে - মাজবাট, ওদালগুৰি, পানেৰী, তামুলপুৰ, চাপাগুৰি, বিজনী, চিদলি, কোকৰাঝাৰ পূব আৰু পশ্চিম এই কেইটা সমষ্টি যিহেতু ভূটানৰ উত্তৰাঞ্চলৰ লগত সংলগ্ন হৈ আছে গতিকে এই ভূটান সীমান্ত অঞ্চলবোৰত খোৱা পানীৰ যথেষ্ট সমস্যা আছে। কিয়নো তাত কুৱা খান্দিব নোৱাৰি কাৰণ তাত চাৰিশ-পাঁচশ ফুট তললৈ বৰিং কৰিব লগীয়া হয় আৰু জনসাধাৰণে ইমানখিনি নিজে কৰিব নোৱাৰে। সেই কাৰণে পি এইচ ই বিভাগে এই অঞ্চলবোৰত বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰিলে ভাল হয়। ইয়াৰে কিছুমান অঞ্চলত কুৱা ও খান্দিব নোৱাৰি আৰু নদ-নদী ও নাই। খৰালি সময়ত মানুহৰ কথাটো বাদেই জীৱ-জন্তুবোৰেও খাবলৈ পানী বিচাৰি নাপায়। গতিকে এনেকুৱা অঞ্চলবোৰত যাতে বিভাগে বিশেষ ভাৱে প্ৰাধান্য দিয়ে তেতিয়াহ'লে জনসাধাৰণ বিশেষভাৱে উপকৃত হ'ব। আমাৰ স্বচ্ছ ভাৰত অভিযানৰ যিখিনি কাম এতিয়াও বাকী আছে, সেই খিনি কাম যাতে অধিক খৰতকীয়া ভাৱে কৰে আৰু যিবোৰ অঞ্চল এই অভিযানৰ পৰা বাদ পৰি আছে তেওঁলোকক যি স্বাস্থ্যজনিত সুবিধা লাগে সেইখিনি দিয়াৰ ব্যৱস্থা যাতে কৰে। আগৰ চৰকাৰৰ দিনৰ যিখিনি বিকল হৈ থকা

খোৱা পানীৰ আঁচনি আছিল সেই বিকল আঁচনি সমূহক ৰিপ্ৰটেকটিঙৰ ব্যৱস্থা কৰি আছে কিন্তু কিছুমান ৰিপ্ৰটেকটিঙৰ কাম সমাধান হোৱা পিছতো খোৱা পানী পোৱা নাই। কাৰণ কাম সিমান ভাল হোৱা নাই। এইক্ষেত্ৰত আমাৰ যিসকল কাৰিকৰী বিষয়া আছে তেখেত সকলে এই বিষয়টো অলপ নজৰ দিব। আমি বহুত সময়ত তেওঁলোকক লগ ধৰি অনুৰোধ কৰো যে কিছুমান retrofitting কাম সমাপ্ত হোৱা সত্বেও খোৱা পানী হোৱা নাই। কাৰণ কাম বিলাক সিমান ভাল হোৱা নাই। এই ক্ষেত্ৰত যিসকল কাৰিকৰী বিষয়া আছে, তেওঁলোকে কামবিলাক কেনেকৈ কৰিছে, সেই বিষয়ে অলপ নজৰ দিব। আমি বহুসময়ত তেখেতসকলক লগ ধৰি অনুৰোধ কৰো যে কাম যাতে ভাল হয়। তেখেতসকলে হ'ব বুলি কয়, কামটো ঠিকমতে কৰিছোঁ বুলি কয়, কিন্তু পানীৰ কামখিনি আগৰ দৰে বিকল হৈ থাকে। এই ক্ষেত্ৰত বিষয়া সকল বাৰে বাৰে কৈ থাকিবৰ মন নাযায়, সেই কাৰণে মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে যাতে এই বিষয়টোত অলপ নজৰ দিব আৰু সেই বিষয়া সকলেও যাতে ঠিকমতে কাম কৰে তাৰ কাৰণে এটা পৰামৰ্শ দিব। আমি বিচাৰো যে চৰকাৰে যিখিনি সা-সুবিধা জনসাধাৰণক দিছে, সেইটো যাতে ঠিকমতে হয় আৰু ৰাইজে যাতে চৰকাৰে দিয়া আঁচনিখিনিৰ পৰা বঞ্চিত হ'বলগীয়া নহয়। কাৰণ চৰকাৰে সদায় জনসাধাৰণৰ উন্নয়নৰ কাৰণে কাম কৰে, জনসাধাৰণৰ অসুবিধাসমূহ দূৰ কৰিবৰ কাৰণে কাম কৰে। তাৰ কাৰণে চৰকাৰে যথেষ্ট পৰিমানৰ পইচাও খৰছ কৰিছে। চৰকাৰে আঁচনিসমূহৰ কাৰণে যিখিনি পইচা খৰছ কৰিছে, সেইটো যাতে অপচয় নহয়, অপ-ব্যৱহাৰ নহয়, ৰাইজে সেই সৎ সা-সুবিধাখিনি যাতে পাই, এই বিষয়টোৰ দৃষ্টি ৰাখি বিভাগীয় মন্ত্ৰী মহোদয়ে নজৰ দি কাম কৰিবলৈ অনুৰোধ জনালোঁ। PHE Department টো BTC ত transfer ৰ বিষয় হয় যদিও ই transfer হ'লেও BTC চৰকাৰে নিজা ববীয়াকৈ কাম কৰাৰ ক্ষেত্ৰত অসুবিধা আছে। সেই কাৰণে ৰাজ্য চৰকাৰৰ যিটো বিভাগ, তেওঁলোকে অলপ তৎপৰতা নল'লে, এই বিষয়ত BTC চৰকাৰে নিজাববীয়াকৈ কৰা সম্ভৱ নহয়। এইটো যদিও transfer বিষয়, এতিয়াও অসম চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ কাম কৰিবলীয়া হয়। সেয়েহে মই ৰাজ্য চৰকাৰৰ বিভাগীয় মন্ত্ৰী মহোদয়ক মোৰ এইটোৰে অনুৰোধ যে যিখিনি transfer বিষয় , তেওঁলোকে সম্পূৰ্ণকৈ কাম কৰিব পৰা ব্যৱস্থাখিনি দিব লাগে, যাতে আমি ৰাজ্য চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি সকলো সময়তে পৰামৰ্শলৈ কাম কৰিব লগীয়া হয়, তেনেকুৱা ধৰণ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

আমাৰ এই কামখিনি কৰিবৰ বাবে যথেষ্টখিনি বাজেট বা পইচা লাগে। ইয়াৰ কাৰণে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে অতিৰিক্ত মঞ্জুৰী দাবী কৰিছিলে, ইয়াৰ ওপৰত মই সমৰ্থন কৰো আৰু আজি এই সদনত বিৰোধী দলৰ ফালৰ পৰা যিখিনি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ মই বিৰোধীতা কৰি মোৰ বক্তব্য সামৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়া। আপোনাৰ cut motion টো দিব আৰু একেলগে বক্তব্য কৰিব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, *“২০২২-১৩ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৬ নং অংশৰ ৩৩৪, ৩৫০ পৃষ্ঠাত থকা পানী যোগান আৰু অনাময় শিতানৰ ৩০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবী ১,৩৯,৫২৬.৬৬ লাখ টকা এটকালৈ হ্ৰাস কৰা হ'ল”*। অৰ্থাৎ মঞ্জুৰীৰ ১,৩৯,৫২৬.৬৬ লাখ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি ৰাইজৰ দলে অসমৰ প্ৰতিটো পৰিয়াল, প্ৰতি ঘৰ মানুহ, প্ৰত্যেকজন ব্যক্তিয়ে খোৱা পানী পোৱাতো বিচাৰোঁ। কিন্তু আমি তাৰ পিছতো PHE বিভাগত

এই কাৰণে কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিছোঁ যে PHE বিভাগত কিছুমান কথাৰ সমালোচনা কৰাৰ প্ৰয়োজন আছে। মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ ভিতৰত আমি পানী বেছিকৈ পোৱা এখন ৰাজ্য। আমাৰ ব্ৰহ্মপুত্ৰৰ নিচিনা পৃথিৱীৰ ভিতৰতে চতুৰ্থ বৃহৎ নদী আছে। কিন্তু আমাৰ এতিয়ালৈকে ঘৰে ঘৰে পানী পোৱাৰ ব্যৱস্থা হোৱা নাই। আজি ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত বৃহৎ নদী বান্ধ বনোৱাৰ সিদ্ধান্ত ললে। কিন্তু ব্ৰহ্মপুত্ৰৰ পৰা এটাও পানী যোগান কেন্দ্ৰ, হয় জলসিঞ্চন, নহয় খোৱা পানীৰ কাৰণে ব্যৱস্থা কৰা হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আজি নদী সংযোগৰ ব্যৱস্থা কৰা হৈছে। নদী সংযোগৰ প্ৰস্তাৱ লোৱা হৈছে। কিন্তু অসমৰ নদীৰ পৰা খোৱা পানী যোগানৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ তেল পাইপেৰে বাৰাউনী পাই গ'ল, কিন্তু অসমৰ ব্ৰহ্মপুত্ৰৰ পা ইপ লাইন লৈ অসমৰ পথাৰত বা অসমৰ ঘৰত পানী যোগানৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। আমি এই নীতিৰ বিৰোধীতা কৰিব খুজিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ প্ৰথম যিটো আঁচনি, আটাইতকৈ বিখ্যাত আঁচনি হ'ল স্বচ্ছ ভাৰত মিছন। স্বচ্ছ ভাৰত মিছনৰ নামত যে কিমান কেলেংকাৰী সংঘটিত হৈছে, তাৰ কোনো হিচাপ নাই। Individual house ৰ লেট্ৰিনৰ নামত কিমান আৰন্টন এতিয়ালৈ অসমত হ'ল, কিমান বনোৱা হ'ল, তাৰ প্ৰকৃত সত্য উৎঘাটন কৰিলে প্ৰকৃত কেলেংকাৰী ওলাই পৰিব। তাৰোপৰি স্বচ্ছতাৰ নামত সজাগতা সৃষ্টি কৰিবৰ বাবে Information Education Communication (IEC) ৰ শিতানত কোটি কোটি টকাৰ দুৰ্নীতি সংঘটিত হ'ল। মুকলিত মলত্যাগ কৰিব নালাগে, চাৰোনৰে হাত ধুব লাগে বুলি বুজাবৰ কাৰণে দেৱাল লেখন, স্কুলৰ ছাত্ৰ-ছাত্ৰীক comics দিয়া আদিৰ নামত যিমান বিলাক পইচা খৰছ কৰা হ'ল, এইটো বিভাগৰ ইতিহাসত এটা কলংকিত অধ্যায়। Diamond Magazine Pvt.Ltd. তে ইয়াৰ নামত ৫,৪৭,৫০,০০০.০০ টকা comics বনোৱাৰ নামত উলিয়াই লৈ গৈছে, ইয়াৰ তদন্ত হ'ব লাগে, মাননীয় উপাধ্যক্ষ মহোদয়।

দ্বিতীয়তে, ডাঙৰ কেলেংকাৰী হ'ল নীৰ নিৰ্মল পৰিযোজনা (NNP)। এই পৰিকল্পনাত ১২ কোটি টকা বিশ্ব বেংকে দিয়া আঁচনি আছিলে। কিন্তু এই আঁচনিৰ কাম ভাল নোহোৱাৰ কাৰণে বিশ্ব বেংকে টকা বন্ধ কৰি দিলে। আমি দেখিবলৈ পাইছোঁ যে যোৰহাট, শিলচৰ, চন্দ্ৰপুৰ, ডিমৰীয়া, এই অঞ্চলবিলাকত কাম আধৰুৱা হৈ থাকিলে। ক'ৰবাত, কঁৰবাত জনগণৰ পৰা পইচাও তোলা হ'ল। কিন্তু তেওঁলোকে পানী নাপালে। চন্দ্ৰপুৰ, ডিমৰীয়াৰ প্ৰকল্পৰ নামত M/S Shivam GDCL (JV) নামৰ কোম্পানীটোৰে ২০০ কোটি টকাতকৈও অধিক টকা উলিয়াই নিলে। কিন্তু সেই অঞ্চলৰ ৰাইজে পানী নাপালে। ইয়াৰ তদন্ত হ'বনে মাননীয় উপাধ্যক্ষ মহোদয়?

এতিয়া মই জলজীৱন মিছনৰ সম্পৰ্কে কম। মাননীয় উপাধ্যক্ষ মহোদয়, জলজীৱন মিছনত এতিয়া দুটা প্ৰকল্প চলি আছে। এটা হ'ল Retrofitting আৰু আনটো হ'ল নতুন প্ৰকল্প। Retro-fitting মানে আগতে যিবোৰ প্ৰকল্প চলি আছিল, সেইবোৰক নতুনকৈ মেৰামতি কৰি তৈয়াৰ কৰা। শিৱসাগৰত ১৭৩ টা Retrofitting আঁচনি আৰু ১৬৮ টা নতুনকৈ আঁচনি লোৱা হৈছে। Ret-rofitting ৰ ২৯ টা কামৰ ৯০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। নতুন আঁচনিৰ কাম কেৱল আৰম্ভ হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই Retrofitting আঁচনিত বিশাল কেলেংকাৰী সংঘটিত হৈছে। আগতে NRDWP ৰ নামত খোৱা পানীৰ যিবোৰ আঁচনি আছিল, সেইবোৰ বিকল দেখুৱাই Retrofitting ৰ বাবে পুনৰ টকা দিয়া হৈছিল। আগতে পুৰনি পাইপ বহুৱা দেখুৱাৰ পিছতো এতিয়া আকৌ তাত পাইপ বহুৱা দেখুৱাইছে। পুৰণি নিৰ্মাণৰ কাম হোৱাৰ পিছতো তাত আকৌ

পুনৰ নিৰ্মাণৰ কাম দেখুৱাইছে। এনেধৰণৰ এক বৃহৎ কেলেংকাৰী সংঘটিত হৈ আছে। উপাধ্যক্ষ মহোদয়, মই ভাৱো যে এই ক্ষেত্ৰত তদন্ত হ'ব লাগে। জলজীৱন মিছন আঁচনিত 3rd Party verification ৰ নামত certified fund বোৰৰ একাংশক অবৈধ্য কমিছন সংগ্ৰহ কৰিবলৈ অনুমতি দিয়া হৈছে। জনজীৱন মিছনত empanelment of contractor, firm ৰ নামত এখন ডাঙৰ বজাৰ বহিছে। মই শুনামতে একো একোজন ঠিকাদাৰৰ পৰা ৩ শতাংশ, ৫ শতাংশ কমিছন লৈ থকা হৈছে। Empanelment হোৱাৰ বাবে আজি সৰু সৰু ঠিকাদাৰবোৰে কাম পোৱা নাই। এই কামবোৰ আচলতে পঞ্চায়তে দিব লাগিছিল, কিন্তু Chief Engineer office বা Commissioner office ৰ পৰাহে এই কামবোৰ এতিয়া দি আছে। আমাৰ ৰাইজৰ দলে শিৱসাগৰ জিলাৰ জেইলগাঁও পানী যোগান প্ৰকল্প আৰু নিমাই পানী যোগান প্ৰকল্প দুটাৰ ওপৰত তদন্ত কৰিছিল। এই দুয়োটা প্ৰকল্পৰ report মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ ওচৰত দাখিল কৰিম, যাতে এই প্ৰকল্প দুটাৰ কেলেংকাৰী সমূহ প্ৰমানিত হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, আৰ্চেনিক যুক্ত পানীৰ বিৰুদ্ধে আমাৰ যুঁজ হ'ব লাগে। লোকসভাত দিয়া তথ্য অনুসৰি অসম ভাৰতবৰ্ষৰ ভিতৰত তৃতীয়খন ৰাজ্য, য'ত ১৯ খন জিলাৰ পানীত আটাইতকৈ বেছি আৰ্চেনিক আছে। এই আৰ্চেনিকযুক্ত পানী মুক্ত কৰিবলৈ এতিয়ালৈকে কঠোৰ ব্যৱস্থা কোনেও গ্ৰহণ কৰা আমি দেখিবলৈ পোৱা নাই। আনহাতে, National Family Health Survey ৰ মতে অসমত ৬৯ শতাংশ মানুহৰ উন্নত অনাময়ৰ ব্যৱস্থা আছে। কিন্তু ই ভাৰতবৰ্ষৰ ভিতৰত সৰ্বোচ্চ বেয়া অৱস্থাত আছে। এই মূহুৰ্তত মই আৰু এটা কথা ক'ব বিচাৰিছোঁ। অলপ আগতে আমাৰ সন্মানীয় সদস্য শ্ৰীগোবিন্দ বসুমতাৰী ডাঙৰীয়াই কৈছিল যে জলজীৱন মিছনৰ ক্ষেত্ৰত নিৰ্দিষ্ট কেইটামান কোম্পানীক পানীৰ পাইপৰ supply দিবলৈ দিয়া হৈছে। কিন্তু আমি জানিবলৈ পোৱা মতে ভাৰতবৰ্ষৰ এজন মন্ত্ৰীৰ পুত্ৰৰ সেই কোম্পানীটো হোৱাৰ বাবে কেৱল সেই কোম্পানীটোৱে supply দিয়ে। যিদৰে empanelment of contractors কৰা হৈছে, ঠিক তেনেকৈ supply ৰ ক্ষেত্ৰতো কেলেংকাৰী হোৱা আমি দেখিবলৈ পাইছোঁ। গতিকে এনেবোৰ নীতি সংশোধন কৰাৰ বাবে দাবী উত্থাপন কৰি মই কৰ্তন প্ৰস্তাৱ আনিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী গনেশ কুমাৰ লিম্বু।

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰচলা) ঃ** ধন্যবাদ। মাননীয় উপাধ্যক্ষ মহোদয়। আজি পানীযোগান আৰু অনাময় আঁচনিৰ ওপৰত বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে, ইয়াৰ ওপৰত মই বিৰোধিতা জনাই দুআষাৰ কথা ক'ব বিচাৰিছো। আমি সকলোৱে নিশ্চয় উপলব্ধি কৰো যে আজি ভাৰতবৰ্ষৰ স্বাধীনতাৰ ইমান বছৰ হ'ল কিন্তু আজিলৈতে আমি খোৱাপানীৰ ব্যৱস্থা কৰিব নোৱাৰিলো ইয়াৰ বাবে দায়ী কোন এই বিষয়টো নিশ্চয় আমি বিবেচনা কৰিব লাগিব। আজি অন্ততঃ আমি গৰ্বৰে ক'ব পাৰো যে ২০২৪ চনৰ ভিতৰত মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই এটা অভিলাসী আঁচনি লৈছে যে, জলজীৱন আঁচনিৰ জৰিয়তে প্ৰতিটো ভাৰতৰ পৰিয়াললৈ বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰাৰ কাৰণে সেই কাৰণে মই প্ৰদান মন্ত্ৰী মহোদয়লৈ ধন্যবাদ জনাইছো আৰু যিসকল ব্যক্তিয়ে আজিলৈকে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাৰ পৰা বঞ্চিত হৈ আছিল,তেওঁলোকে এতিয়াৰ পৰা আৰু বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাৰে পাব ইয়াত কোনো সন্দেহ নাই। আমি যদি চাও যে, এই বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাৰ ওপৰত United nation য়েও SDG ৰ ৬ নং শিতানত খুব গুৰুত্ব সহকাৰে লৈছে যে, Sustainable Development Goal বুলি এই অধীনত খোৱাপানীৰ ব্যৱস্থা যাতে ভাল হয়, খোৱাপানীৰ ব্যৱস্থা যাতে প্ৰতিজন নাগৰিকৰ হয় তাৰ ওপৰত গুৰুত্ব দিছে

আৰু আমাৰ ভাৰত চৰকাৰেও শেহতীয়াকৈ এইক্ষেত্ৰত গুৰুত্ব দিছে। কিছুমান বিষয় আছিল যেনে খোৱাপানীৰ ব্যৱস্থা যদি আমি চাও, এতিয়ালৈকে ২০ লক্ষ পৰিয়ালক নলৰ জৰিয়তে আমাৰ চৰকাৰৰ দিনত খোৱাপানীৰ ব্যৱস্থা দিব পাৰিছে আৰু ২৫ শ গাওঁত এতিয়ালৈকে খোৱাপানীৰ ব্যৱস্থা দিব পৰাটো এই চৰকাৰৰ এক উল্লেখযোগ্য সাফল্য বুলি মই অনুভৱ কৰো। আগতে চাহ জনগোষ্ঠী বা চাহ শ্ৰমিক সকলৰ ওপৰত কোনো ধৰণৰ চিন্তাচৰ্চা কৰা নহৈছিল, কিন্তু মই কৈ গৰ্ব অনুভৱ কৰিছো যে, চাহ জনগোষ্ঠীৰ ১.৪৩ লাখ পৰিয়ালক আমি পাইপৰ জৰিয়তে ঘৰে ঘৰে পানীযোগান দিবলৈ সফল হৈছো। বাকী যি ২.৫ লাখ পৰিয়াল আছে, তেওঁলোককো ২০২২ আৰু ২০২৩ চনৰ ভিতৰত আমাৰ চৰকাৰে পানী যোগান দিয়াৰ নিশ্চয়তা প্ৰদান কৰিছে। এনেকৈ আমি যদি চাও যে, বিশেষকৈ আমাৰ আগৰ যিবিলাক পানীযোগান আঁচনি আছিল, এই আগৰ পানীযোগান আঁচনি বিলাক বিশেষ কাৰণত তাত যিবিলাকে বনাইছিল হয়তো সেই সময়তে তেওঁলোকে ঠিকমতে কাৰিকৰী ব্যৱস্থা নকৰাৰ কাৰণে প্ৰায়বিলাক বিকল হৈ আছিল। কিন্তু এইখন চৰকাৰ অহাৰ পাছত সেই বিকল বিলাক ঠিক কৰা হৈছে আৰু সমূহ যাতে নিয়মীয়া হৈ থাকে তাৰ কাৰণে users committee ৰ ওপৰত গুৰুত্ব দিয়া হৈছে। পঞ্চায়তী ব্যৱস্থাৰ ওপৰত পানীযোগান আঁচনিক দায়িত্ব দিয়া হৈছে, পঞ্চায়তে যাতে পানীযোগান আঁচনিক ঠিক কৰাকে তাৰ ওপৰত এইখন চৰকাৰে গুৰুত্ব দিছে আৰু ইয়াৰ উপৰি আমাৰ চৰকাৰে কৈছে যাতে প্ৰতিটো পানীযোগান আঁচনি বিকল হৈ নাযায়, সৰুসুৰা কাৰিকৰী কাৰণতো যাতে অসুবিধাত নপৰে, তাৰ কাৰণে একোজন ব্যক্তিক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব বুলি আমাৰ চৰকাৰে ইতিমধ্যে জনাইছে। মই ক'ব বিচাৰিছো কিছুমান বিষয় নিশ্চয় মাননীয় মন্ত্ৰী মহোদয়ে চাব লাগিব যে, এনেকুৱা কিছুমান ঠাই আছে, য'তনেকি ইতিমধ্যে ন'টিচ দিয়া হৈছে উচ্ছেদ কৰিবৰ বাবে আৰু কিছুমান ঠাই আছে যে এচাম মতগৰ্বী মানুহে বিভিন্ন মানুহবিলাকক বহাই দিয়ে। তেনেকুৱা ঠাইক যাতে পানীযোগান আঁচনি দিয়াৰ ব্যৱস্থা যাতে নহয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো আৰু লগতে যিটো আৰ্চেনিক বিষয় ইয়াত উত্থাপন কৰা হৈছে, আৰ্চেনিক বিষয়টো সচাঁকৈ গম্ভীৰ। কাৰণ সাধাৰণ নাগৰিকে নাজানে যে, আৰ্চেনিক কি? আৰ্চেনিকৰ জৰিয়তে আমাৰ স্বাস্থ্যত কি ধৰণৰ সমস্যা হ'ব পাৰে, সাধাৰণ ৰাইজে যিহেতু নাজানে, সেইবাবে কাৰিকৰী বিষয়, এই বিষয়টো মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যাতে নিশ্চিত হ'ব লাগে, প্ৰতিটো

**(সদনত উপবিষ্ট মাননীয় সভাপতি শ্ৰীচিদ্দিক আহমেদ)**

খোৱা-পানী আৰ্চেনিক মুক্ত হয়, ইয়াৰ ওপৰত যাতে মন্ত্ৰী মহোদয়ে গুৰুত্ব দিয়ে মই শেষত আমাৰ বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছিল, তাক মই বিৰোধিতা জনাই আমাৰ চৰকাৰক খোৱাপানীৰ ব্যৱস্থাৰ ওপৰত যথেষ্ট পুঁজি allocation কৰি আমাৰ জীৱনৰ মানদণ্ড বিশেষকৈ গ্ৰাম্যাঞ্চলৰ জীৱনৰ মানদণ্ড যাতে উন্নত কৰে, তাক মই সমৰ্থন জনাই ইয়াকে কৈ মোৰ বক্তব্য সামৰিছো।

**শ্ৰীচিদ্দিক আহমেদ, (দক্ষিণ কৰিমগঞ্জ) ঃ** শ্ৰী দ্বিপায়ন চক্ৰৱৰ্তী ।

**শ্ৰী দ্বিপায়ন চক্ৰৱৰ্তী, (শিলচৰ) ঃ** নমস্কাৰ। সভাপতি মহোদয়, মই বিৰোধী অনা এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুই চাৰিটা শব্দ এই সদনত ক'ম। ২০২২ চনৰ ২৫ ডিচেম্বৰ আপোনালোকে জানে যে, আমাৰ অটলজী চৰকাৰৰ এটা সপোনৰ আঁচনি আছিল সুজলধৰা আঁচনি আছিল আৰু এই আঁচনিৰ জৰিয়তে ভাৰতবৰ্ষৰ মানুহে কেনেকৈ খোৱাপানী পাব, সেই কাৰণে এই আঁচনিখন আৰম্ভ কৰিছিল আৰু এইখন কেন্দ্ৰীয় চৰকাৰৰ পৰা নবৈ শতাংশ চেয়াৰ আৰু ৰাজ্য চৰকাৰৰ দহ শতাংশ চেয়াৰ দি এই আঁচনিৰ কাম হৈছিল। কিন্তু দুৰ্ভাগ্যবসত তেতিয়া কংগ্ৰেছ চৰকাৰে এই

আঁচনিৰ কাম ভালকৈ কৰিব পৰা নাই। পদ্ধতিগতভাৱে কামটো নহোৱাৰ কাৰণে আমাৰ অসমৰ জনসাধাৰণ এই পানীৰ সুবিধাৰ পৰা বঞ্চিত হৈছিল। ২০১৯ চনৰ ১৫ আগষ্টত দেখিলো আমাৰ ভাৰতৰ প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই জলজীৱন আঁচনিত declare কৰে। এই জলজীৱন আঁচনিৰ জৰিয়তে ঘৰে ঘৰে নলৰ পানী কেনেকৈ যাব, সেই কাৰণে জলজীৱন আঁচনিৰ ভিতৰত বহু খিনি কাম গোটেই ভাৰতবৰ্ষৰ লগতে অসমতো হৈছিল। আমি দেখা পালো ১৫ আগষ্ট, ২০১৯ চনত আমাৰ অসমত জনসংখ্যা আছিল ৬৩ লাখ ৩৫ হাজাৰ ১৫ জন আৰু তাৰ মাজতে ১৫ আগষ্ট, ২০১৯ চনলৈকে ১ লাখ ১০ হাজাৰ ১ শ ১৩ ৰ ঘৰত। এই জলজীৱনৰ জৰিয়তে খোৱা পানীৰ connection গৈছিল। সেইটো যদি চাও তেতিয়াহ'লে শতকৰা অনুসৰি ১.৭৪ শতাংশ মানুহে পানী পাইছিল। কিন্তু আমাৰ এই চৰকাৰ অহাৰ পিছত ২০২১ চনৰ ১৫ আগষ্ট তাৰিখে মাননীয় পি. এইচ্ ই মিনিষ্টাৰ শ্ৰীৰণজিৎ দাস ডাঙৰীয়াৰ নেতৃত্বত দেখা পালো ৯ লাখ ৮০ হাজাৰ ৩ শ ৪৩ গৰাকীৰ ঘৰত পানী সংযোগ কৰা হ'ল। অৰ্থাৎ ১৫.৪৭ শতাংশৰ ঘৰত সংযোগ কৰিছে এই কেইদিনৰ ভিতৰতে। সেই কাৰণে মই প্ৰথমতে আমাৰ মন্ত্ৰী শ্ৰীৰণজিৎ দাস ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতৰ নেতৃত্বত অসমত এতিয়া খোৱাপানীৰ কাৰণে এটা বিপ্লৱ চলিছে বুলি মই ভাৱো। বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ মই সেইটো দেখিছো, বিৰোধী পক্ষৰ বিধায়ক গৰাকীয়ে কৈছে যে কৰ্তন কৰিব লাগে, কিন্তু তেখেতে এইটো কৈছে খোৱাপানীৰ কাৰণে যিবিলাক আঁচনি চলি আছে, সেই বিলাক আঁচনি কেনেকৈ upgrade কৰিব, কেনেকৈ সোনকালে কৰিব সেইটোৰ কাৰণে খৰচো কৰিব লাগিব। মই ভাৱো যে, তেখেতৰ কথাৰ ভিতৰত এফালে কৈছে যে কৰ্তন কৰিব লাগে, আৰু আন ফালে কৈছে যে বাজেটত বঢ়াব লাগে। এইটো কাৰণে মই ভাৱো যে তেওঁ অনা কৰ্তন প্ৰস্তাৱটো সঠিক নহয় আৰু আমাৰ যিবিলাক আঁচনি চলি আছে, সেইবোৰ সোনকালে কৰিবৰ বাবে আমাৰ চৰকাৰৰ ফালৰ পৰা কিছুমান টকা খৰচ কৰিব লাগিব। সেইকাৰণে বাজেটটো বঢ়াব লাগে। আপুনি জানি ভাল পাব যে আমাৰ চৰকাৰ অহাৰ পিছত বহুখিনি অসমত আঁচনি লৈছে। 'জল জীৱন মিশ্যন' আঁচনিৰ অধীনত দেখা পালো যে এল পি স্কুল আৰু এম ই স্কুলৰ অধীনত খোৱা পানীৰ ব্যৱস্থা কেনেধৰণৰ হ'ব? ইয়াৰ ওপৰত কাম চলি আছে। জিলা পৰ্য্যায়ত আমাৰ খোৱা পানীৰ ব্যৱস্থা কি ধৰণৰ হ'ব আৰু ড্ৰিংকিং ৱাটাৰ লেব কেনেধৰণৰ হ'ব তাৰ বাবেও চৰকাৰে ব্যৱস্থা লৈছে। মোবাইল ভানৰ জৰিয়তে যিবিলাক ঠাইত এতিয়ালৈকে পৰিকল্পনা কৰা হোৱা নাই, সেইবিলাক ঠাইত মোবাইল ভানৰ জৰিয়তে খোৱা পানীৰ টেষ্ট কৰিবৰ বাবে চৰকাৰে পদক্ষেপ ল'ব। বহুখিনি ঠাইত আমি দেখা পাইছো যে তাৰা পাম্প, ডিপ টিউবৱেল আদিৰ জৰিয়তে খোৱা পানীৰ ব্যৱস্থা চৰকাৰে কৰি আছে। আইৰণ ৰিমোভেল প্ল্যাণ্টৰ জৰিয়তে এল পি স্কুল আৰু এম ই স্কুল সমূহত খোৱা পানী দিবৰ বাবে আমাৰ চৰকাৰে কাম কৰি আছে। মোৰ সমষ্টিত 55 Retrofitting Work Center ৰ কাম চলি আছে আৰু এইখিনি মাননীয় মন্ত্ৰী ৰঞ্জিৎ দাস ডাঙৰীয়াৰ নেতৃত্বত অতি সোনকালে আৰু অতি ভালকৈ চলি আছে। মই আপোনাৰ জৰিয়তেও মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমার সমষ্টিতে অনেক জলের প্লেন্ট রয়েছে। অনেক কাজ হয়েছে, কিন্তু তারপরও আরও অনেক কাজের প্রয়োজন রয়েছে। শিলচর সমষ্টিতে, শিলচরকে দুটোভাগে ভাগ করা হয়েছে, টাউনকে বিশেষ করে। ওল্ড শিলচর এবং নিউ শিলচর। নিউ শিলচরে যে পানীয় জলের প্রকল্প রয়েছে সেটা ১৯৭৫ ইংরেজির প্রকল্প। সেই প্রকল্প অনেক পুরনো প্রকল্প। এই প্রকল্পে যে প্লেন্ট রয়েছে সেটা খুব খারাপ অবস্থায় রয়েছে। সেটাকে আপগ্রেড করার জন্য

সরকার অন্য একটি প্লেন্ট বানাচ্ছে। এই প্লেন্টে আমি মন্ত্রী মহোদয়কে ধন্যবাদ জানাচ্ছি। দুবছর কাজ হয়নি কিন্তু এই মন্ত্রী রঞ্জিত দাস মহাশয় আসার পর উনি সেটা অনুভব করে ইতিমধ্যে টেণ্ডার হয়েছে, সেটার কাজও চলছে। কিছু দিনের মধ্যেই এই কাজ শেষ হবে। কিন্তু নিউ শিলচরে পানীয় জলের অনেক সমস্যা রয়েছে। আরবান শহরে যে প্লেন্ট রয়েছে এই প্লেন্টটির অবস্থাও খারাপ। আমি মন্ত্রী মহাশয়ের দৃষ্টি আকর্ষন করতে চাই । এই প্লেন্টকে আপগ্রেড করে যাতে নিউ শিলচর এলাকায় আজকের দিনে যে পানীয় জলের যে বিরাট সমস্যা চলছে এই সমস্যা থেকে আমরা যদি মুক্তি পেতে পারি তারজন্য আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করে আমি কর্তন প্রস্তাবের সম্পূর্ণ বিরোধিতা সরকার যাতে এই পিএইচই বিভাগে আরও ফাণ্ড এলকেশন করে পানীয় জলের সুবিধা করে দিতে পারেন তারজন্য আমি মন্ত্রী মহোদয়কে ধন্যবাদ জ্ঞাপন করে এই সদনে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য কৌশিক ৰয় ডাঙৰীয়াই কওঁক।

**শ্রী কৌশিক ৰয় (লখিপুৰ) ঃ** মাননীয় অধ্যক্ষ মহাদয়, আমাকে এই কর্তন প্রস্তাবে দুকথা বলার সুযোগ দেওয়ার জন্য ধন্যবাদ ।আমি প্রথমে বিরোধীদের পক্ষ থেকে যে কর্তন প্রস্তাব আনা হয়েছে। আর আমি মনে করি বিরোধীরা যে ভাবে একদিকে পিএইচইর বিভিন্ন স্কিম জলের ব্যবস্থা দেওয়ার জন্য বলছেন এবং অন্যদিকে আমাদের কর্তন প্রস্তাব এনেছেন,এজন্য এই প্রস্তাবটি সম্পূর্ণরূপে আমি মনে করি একটি হাস্যকর হয়েছে। এখানে আজকের দিনে আমরা এটা বলতে পারি, ২০১৯ সালের পর থেকে যখন জল জীবন মিশন প্রকল্প নেওয়া হয়েছে। এই জল জীবন মিশন প্রকল্প আসার পর জলের ক্ষেত্রে, গ্রামের মানুষদের ক্ষেত্রে জল পৌছানোর ব্যবস্থা একটি বিপ্লব এসেছিল। আমরা বিভিন্ন সময় দেখেছি, সরকারের তরফ থেকে যেভাবে তথ্য এসেছে টার্গেট সম্ভবত, ৬৫ লক্ষ পরিবারে আমরা হর ঘর নল কা পানী প্রকল্প নেওয়া হয়েছে। বিগত দিনে কংগ্রেস সরকারের সময় আমরা লক্ষ্য করেছি যে অনেকগুলি পিএইচই হয়েছে। কোনটি সজলধারা প্রকল্প বা বিভিন্ন প্রকল্পের মাধ্যমে। বিশেষ করে আমি বরাক উপত্যকার কথা বলছি। কিন্তু আজকের দিনে দেখা গেছে যে সমস্ত পিএইচইগুলি প্রায় বন্ধ। সমস্ত পিএইচইগুলি প্রায় বিলুপ্ত হয়ে আছে। আমি আমার সমষ্টির কথা বলছি,যেখানে কংগ্রেস সরকারের সময় ১০৭টি পিএইচই তৈরি হয়েছিল। বিভিন্ন সময়ে ১০৭ টি পিএইচই মঞ্জুর হয়েছিল, নির্মান হয়েছিল। আর এই ১০৭ টি পিএইচই র মধ্যে ১০১ টি পিএইচই বন্ধ হয়েছিল । আমাদের এই জল জীবন মিশনের মাধ্যমে প্রথমে ৩৬ টি পিএইচই তে কাজ শুরু হয়। কিন্তু আমরা লক্ষ্য করি ৩৬ পিএইচই যেগুলি কাজ শুরু হয়েছিল এবং পরবর্তীতে আমার সমষ্টিতে আরও ৭০ টি পিএইচই র কাজ চলছে। কিন্তু আমি মনে করি যে ফাস্ট এসএলএসসি তে যেগুলো হয়েছিল সেগুলিতে অনেক যায়গায় ইএসআব, অভারহেড টেঙ্ক যেটা জানি, এই ইএসআর এর ব্যবস্থা ছিল না। এজন্য আমি মাননীয় মন্ত্রী মহোদয়কে অনুরোধ করব যে প্রত্যেকটিতে যাতে ইএসআর এর ব্যবস্থা করা হয় রিভাইসড ইস্টিমেট করে। নাহলে জলের যে গ্রেভিটি আছে, সেটা থাকবেনা। সেজন্য আমি বলব যেগুলো টেঙ্কে ওভারহেড টেঙ্কের ব্যবস্থা নেই সেগুলোতে ওভারহেড টেঙ্কের ব্যবস্থা করার জন্য আমি অনুরোধ করছি। আমাদের সরকার শুধু পিএইচই নয়, বিভিন্ন বিভাগের মাধ্যমে ব্যবস্থা গ্রহন করেছে যাতে আমরা বিশুদ্ধ পানীয় জলের ব্যবস্থা করতে পারি। বিগত দিনে আমরা সবাই জানি, এই বিধানসভাতে ও আলোচনা হয়েছে। যে ১৫ ফাইনান্সে যে টাইড ফাণ্ড আছে, এই ১৫ ফাইনান্সে টাইডফাণ্ড সরকারের তরফ থেকে একটি নির্দেশ এসেছে আমরা যাতে পঞ্চায়েতে যে টাকা,সেই টাকাটুলো ওয়াটার

এবং সেনিটেশনের কাজে ব্যবহার করতে পারি। এজন্য বিভিন্ন স্কুলে ড্রিংকিং ওয়াটার এবং সেনিটেশনের কাজ চলছে। আর জল জীবন মিশনের মাধ্যমেও বিভিন্ন স্কুলে জলের কানেকশন দেওয়া হয়েছে। এটা অত্যন্ত প্রসংশনীয় বলে আমি মনে করি। স্কুল, অঙ্গনওয়াড়ি এবং বিভিন্ন হাসপাতালে এই ব্যবস্থাগুলো সরকারের তরফ থেকে করা হয়েছে। আমার সমষ্টির আরও একটি বিষয় আমি এখানে তুলে ধরার চেষ্টা করছি। যে আরবান পিএইচই আমার বিধানসভার মধ্যে একটি শহর আছে, 'লক্ষ্মীপুর শহর' বিগত দিনে টাউন কমিটি ছিল। আজকের দিনে মিউনিসিপালটি তে আছে। সেখানে ২০১১-১২সালে আরবান পিএইচই মঞ্জুর হয়েছিল ৮ কোটি ১৬ লক্ষ টাকা। এর মধ্যে থেকে ৬ কোটি ৬৬ লক্ষ টাকা ব্যয় হয়েছে। বিগত কংগ্রেস সরকারের সময় কিন্তু আজ পর্যন্ত সেই পিএইচই টি চালু হয়নি। আজ পর্যন্ত মানুষ একবিন্দু জল পায়নি । এজন্য বিভিন্ন জায়গায় জল জীবন মিশনের মাধ্যমে যেভাবে কাজ শুরু হয়েছে, প্রতিটি বাড়িতে জলের ব্যবস্থা করা হয়েছে। আমি মনে করি শহর এলাকাতে সেটা করার প্রয়োজন আছে। কারন শহর এলাকাতে আমার এখানে প্রায় ১২ হাজার জনসাধারণ আছে এই ১২ হাজর জনসাধারণের জন্য কোন জলের ব্যবস্থা নেই। ৯২ সালে যে জল প্রকল্প ছিল সেই জল প্রকল্প

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় সভাপতি মহোদয়, এই যি কৰ্তন প্ৰস্তাৱ,ৰ, সেই কৰ্তন প্ৰস্তাৱ মই এই কাৰণেই দাখিল কৰিছো কাৰণ 'জল জীৱন মিশ্যন'ত যি বৃহৎ পুঁজি এতিয়া আবণ্টন কৰাৰ কথা কোৱা হৈছে, সেই পুঁজি যদি সঠিকভাৱে ব্যৱহাৰ হ'লহেঁতেন বা আঁচনি যদি সফলতা লাভ কৰাৰ দিশে ধাবমান হ'লহেঁতেন, তেতিয়াহ'লে মই নিশ্চিতভাৱে এই কৰ্তন প্ৰস্তাৱ উত্থাপন নকৰিলোহেঁতেন। আমাৰ ৰাজ্যখনত আমি গৌৰৱেৰে ক'ব পাৰো, ভাৰতবৰ্ষৰ ভিতৰত ৪০ শতাংশ চাৰ্ফেচ ৱাটাৰ আছে আৰু এই চাৰ্ফেচ ৱাটাৰ থকাৰ ফলতে আমাৰ গ্ৰউণ্ড ৱাটাৰৰ লেভেলটো সাংঘাতিকভাৱে ভাল। খুব কম দ' লৈকে গৈ আমি প্ৰচুৰ পৰিমাণে পানী পাব পাৰো যদিও কিছু কিছু ক্ষেত্ৰত আৰ্চেনিক আদি আছে, এইখিনি পৰিশোধন কৰি ল'লে, এই পানীৰে প্ৰতি ঘৰ মানুহক খোৱা পানী যোগান ধৰাটো সহজ আছিল। কিন্তু এটা সহজ কাম বিগত দিনত এটা বিভাগৰ গাফিলতিৰ বাবে এই সহজ কামটো জটিল হৈ উঠিছে আৰু মানুহৰ ঘৰলৈ দিব পৰা নাই। এই জল জীৱন আঁচনি খন ৰূপায়ন কৰাৰ বাবে ঠিকাদাৰৰ তালিকাও প্ৰস্তুত কৰা হ'ল। কিন্তু শেষত পেকেজ হিচাপে যেতিয়া ঠিকাৰ আবণ্টনত আমি দেখা পালো আমাৰ ৰাজ্যখনৰ সৰু সৰু ঠিকাদোৰে এই কামত নিয়োজিত হোৱাৰ সুবিধাটো নাপালে। এই ধৰণে আমাৰ ৰাজ্যখনত যদিও চৰকাৰে দাবী কৰিছে ২০ লাখ ৯ হাজাৰ ৯ শ ৭৪ টা পৰিয়ালক পানী যোগান ধৰা হৈছে আৰু JJM আঁচনিৰ অধীনত ১৮,৪৯৮ টা আঁচনি ইতিমধ্যে ৰূপায়ণ কৰাৰ কাৰণে লোৱা হৈছে তাৰে এটা ১১,৮৮৫ টা আঁচনিৰ ইতিমধ্যে Administrative approval য়ো হৈছে, কামৰ আবন্টনো প্ৰায় দিয়া হৈছে। কিন্তু এই কামৰ যিটো অগ্ৰগতি বা কামৰ যিটো ফলাফল ২০ লাখ ৯ হাজাৰ ৯ শ ৭৪ টা পৰিয়ালক পানী যোগান ধৰাৰ যিটো দাবী উত্থাপন হৈছে এইটো বাস্তৱ ক্ষেত্ৰত মই পূৰ্ব্বতেও ইয়াত আলোচনা কৰিছিলো আমাৰ ৰাজ্যপাল ডাঙৰীয়াৰ যি বক্তব্য সেই বক্তব্যৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আহিছে তাৰ বিৰোধীতা কৰিও মই জলজীৱন আঁচনিৰ ব্যৰ্থতাৰ কথাও আপোনালোকৰ সন্মুখত এই সদনত তুলি ধৰিছিলো। এতিয়া সেই কথা কৈ মই পুণৰোক্তি কৰিব খোজা নাই কিন্তু recent period ত মই মোৰ সমষ্টিৰ বিভিন্ন গাওঁলৈ যেতিয়া গৈছিলো তেতিয়া দেখিলো যে তাত পাইপ সুন্দৰকৈ পুতিছে, তাত টেপো লগাই দিছে। কিন্তু সেই পাইপৰ

যদি কোৱালিটি বিচাৰ কৰা যায় তেতিয়া নিশ্চিতভাৱে এটা ভয়ঙ্কৰ চিত্ৰ আমাৰ সন্মুখলৈকে আহিব। মই এনে এখন গাওঁ নাপালো য'ত টেপৰ পৰা পানীটো ওলাইছে। চৰকাৰী পক্ষৰ বহু বিধায়কে কৈছে যে পানীযোগান সম্ভৱ হৈ উঠিছে। কিন্তু মোৰ সমষ্টিত মই সেয়া কতো দেখা পোৱা নাই। ইয়াত যিবিলাক কথা কোৱা হৈছে Retroffiting ৰ সম্পৰ্কত, গোটেই টকাটো সমুলাঞ্চে মৰাৰ কাৰণে সেইবিলাক আঁচনি নতুনকৈ তাত গঢ়ি তুলিব পৰা হোৱা নাই। নতুন আঁচনি বিলাকৰ ক্ষেত্ৰতো যথেষ্ট পৰিমাণে বিলম্ব হৈছে বা তাৰ কোৱালিটি ঠিক হোৱা নাই। এনেধৰণৰ যদি হৈ যায় তেতিয়াহ'লে যদিও মন্ত্ৰী মহোদয়ে অন্য এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে ২০২৪ চনৰ ভিতৰত গোটেই ৰাজ্যখনত প্ৰয়োজিত হ'বলগা এই আঁচনিৰ কাম সম্পূৰ্ণ হ'ব আৰু আমাৰ অসমত আছে ৬৩ লাখ, ৩৫ হাজাৰ ১৫ টা যি পৰিয়াল আছে এই সকলোতে পানীৰ যোগান দিবলৈ সক্ষম হ'ব বুলি তেওঁ দাবী কৰিছে। কিন্তু হাতত আমাৰ বেচি সময় নাই। এই সময়ছোৱাৰ ভিতৰত আমি ২০ লক্ষ দিয়াৰ দাবী য'ত কৰিছো তেওঁলোকে পানী পোৱা নাই, তেনেহ'লে এই আঁচনিটো কেনেদৰ ৰূপায়ণ হৈ আছে সেইটো বিশেষভাৱে গুৰুত্বপূৰ্ণ বিষয়। অধ্যক্ষ মহোদয়, মই এই সদনতে জলজীৱন মিছনৰ সমস্ত কাম-কাজক লৈ পেলাই এখন সদন কমিটি গঠন কৰি পুংখানুপুংখভাৱে এই সদনৰ তদন্ত কৰিবলৈ দাবী উত্থাপন কৰিছিলো। আজিও মই পুনৰ সেই দাবী উত্থাপন কৰিছো আৰু JJM ত হৈ থকা ঠিকা প্ৰদান কৰাৰ ক্ষেত্ৰত হৈ থকা বিশাল দুৰ্নীতি, মাজতে শুনিছিলো DC level ত জিলা পৰ্যায়ত ঠিকা আবন্টন কৰা সৰু সৰু ঠিকাদাৰে তাত কাম কৰাৰ সুযোগ থাকিব বুলি কিন্তু পৰৱৰ্তী পৰ্য্যায়ত যিটো এতিয়া দেখি আছো যে তাত পৰ্বত সমান দুৰ্নীতি হৈ আছে আৰু কিছু বিষয়াই মুক্তভাৱে কমিচন সংগ্ৰহৰ কামত নিয়োজিত হৈছে। এই ঘটনাৰ তদন্ত হ'ব লাগে আৰু তাৰ মাজেদি ২০২৪ চনৰ ভিতৰত প্ৰতি ঘৰ মানুহৰ পদুলিলৈকে যাতে পানী যায় সেইটো নিশ্চিত কৰিব লাগে।

**শ্ৰী ছিদ্দিক আহমেদ, সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় সভাপতি মহোদয়, মই PHE Department ৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে দুযাৰমান কথা ক'ব বিচাৰিছো। ইতিমধ্যে ভালেখিনি কথা আলাপ আলোচনা হৈছে। আমাৰ স্বাস্থ্যবান সমাজ এটাৰ কাৰণে বিশুদ্ধ পানী আৰু অনাময় ব্যৱস্থা থকাটো অত্যন্ত জৰুৰী আৰু সেই কথাকেই অনুভৱ কৰি আমাৰ কেন্দ্ৰীয় চৰকাৰে স্বচ্ছ ভাৰত মিছন আৰু জলজীৱন মিছনৰ দৰে দুটা অতি গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণ কৰিবলৈ হাতত লৈছে আৰু এই গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অসমখনত যাতে কোনো ধৰণৰ বিসংগতি সংঘটিত নহয় তাৰবাবে আমি সকলোৱে সচেতন হোৱা উচিত। কিন্তু আমি যি দেখা পাইছো এতিয়া স্বচ্ছ ভাৰত মিছনত ৩২ লাখ মানুহৰ ঘৰত indivisual latrine দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি বিভিন্ন মাধ্যমত কথাটো ওলাইছে বা চৰকাৰে প্ৰকাশ কৰিছে। কিন্তু মই অলপ চুটিকৈ কম সেইকাৰণে direct তথ্যভিত্তিত আহিছো। মোৰ সমষ্টিৰ যিবিলাক indivisual latrine সম্পূৰ্ণ হোৱা বুলি কৈছে,সেইবিলাক ইয়াত মই ফটো সহকাৰে লৈ আহিছো। বহু গাওঁত কেৱল দুটাকৈ ইটা পেলাইছে বা কোনবা এটাত pan এটা পেলাইছে তাতে সম্পূৰ্ণ হোৱাৰ ৰিপোৰ্ট দি বিভাগীয় কৰ্তৃপক্ষই পইচাখিনি উঠাই আত্মসাৎ কৰিছে। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ফটো সহকাৰে জনাব বিচাৰিছো যে তেখেতে যাতে ইয়াৰ উচিত ব্যৱস্থা কৰে। তাৰ কাৰণে মই অনুৰোধ জনাম। ৰিপোৰ্টত ৩২ লাখ অহা বুলি ক'লে নহ'ব। ফিল্ডত হৈছে নে নাই সেই কথাটো আমি পৰীক্ষা কৰি চোৱা উচিত। তাৰকাৰণে inquiry ঘোষণা কৰিবলৈ মই

মাননীয় মন্ত্ৰী মহোদয়ক বিশেষ ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। মই মোৰ সমষ্টিৰ তথ্য ফটো সহকাৰে তেখেতক দিব পাৰিম। গতিকে এই কথাখিনি যাতে মন্ত্ৰী মহোদয়ে বঙ্গাইগাওঁ জিলা সাপেক্ষে অলপ মনত ৰাখে তাৰবাবে অনুৰোধ জনালো। ইয়াৰ উপৰিও জলজীৱন মিছনৰ যিখিনি কাম এতিয়া হাতত লোৱা হৈছে এই ক্ষেত্ৰত বেলেগত কি হৈছে নাজানো কিন্তু আমাৰ তাত বঙাইগাওঁত বিধায়কক confidence ত লোৱা হোৱা নাই। কামৰ কোৱালিটিটো ও অতি নিম্নমানৰ হৈছে। তাত কোনো ধৰণৰ তদাৰকীৰ ব্যৱস্থা নাই। Field Staff ৰো অভাৱ। ৩-৪ মা হ আগতে পানীযোগান দিয়াৰ কাৰণে যিখিনি আঁচনি উদঘাটন কৰা হৈছিল সেইবিলাকত আজিৰ তাৰিখত পানী নোহোৱা হৈছে। যদি উদাহৰণ লাগে মই তেখেতক লিখিত দিম। তেওঁলোকে যি ২০ লাখ ঘৰত পানীযোগান দিলে কিন্তু প্ৰকৃততে ৩ মাহতে যে পানী পোৱা নাই সেয়া আমি চাবলগীয়া। যদি ভালদৰে maintenance নহয় তেতিয়াহ'লে ৰাইজে যে পানী নাপায় সেইটো নিশ্চিত। গতিকে maintenance ৰ ওপৰত আগৰ PHE বিভাগৰ স্বজলধাৰা আঁচনিয়ে কওক বা নীৰ পানী যোগান আঁচনিয়ে কওক যদি maintenance ঠিকমতে নহয় তেতিয়াহ'লে ২ মাহ , ৬ মাহ বা ১ বছৰতকৈও বেছি পানী যোগান সেই PWSS ৰ পৰা নহয়। গতিকে maintenance ৰ বাবে planning যথেষ্ট ব্যৱস্থা থাকিব লাগে। Construction ৰ সময়ত ১ বা ডেৰ ফুট তলেৰে পানীৰ পাইপ লৈ গৈছে। আমি তাত একো ক'ব পৰা নাই কাৰণ আমাৰ কোনো কৰ্তৃত্ব তাত ৰখা নাই। মন্ত্ৰী মহোদয়ে, ২-৩ দিনমান আগতে বঙাইগাওঁ জিলাত ৰিভিউ কৰি আহিছে কিন্তু এম এল এ সকলক কোনো খবৰ নিদিলে। তেতিয়া আমি তেখেতক ডাইৰেক্ট ক'ব পাৰিলোহেতেঁন যে এই আঁচনিখন উদ্বোধন হৈছে কিন্তু ৰাইজে পানী নাপায়। অনাময় আঁচনিত লেট্ৰিন বনোৱা নাই কিন্তু যথেষ্ট টকা খৰছ কৰা হৈছে। এনেধৰণৰ যথেষ্ট অসুবিধা হৈ আছে । কিন্ত তেখেতে আমাক মতা নাই, হয়তো তেখেতে নিজাধৰনে মনিটৰিং কৰি আছে। এইটো ভাল কথা কিন্তু ৰাইজ আঁচনিৰ পৰা যাতে উপকৃত হয় যাতে ৰাইজে এই আঁচনিৰ যোগেদি দীঘলীয়া সময়ৰ বাবে পানী পায়, লাভবান হয়। মন্ত্ৰী মহোদয়ক মই এইটো অনুৰোধ জনাইছো। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যদি আগৰ পাৰ্ফমেন্স চাওঁ তেওঁলোকে কিন্তু পাৰ্ফমেন্স ভালকৈ দিব পৰা নাই। ১ মাহ ৬ মাহ বা ১ বছৰ পিচত তেওঁলোকৰ যিকোনো আঁচনি কিন্তু ফেইলাৰ হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই কথা যাতে মনত ৰাখে । আমি যে এই বৃহৎ পৰিমানৰ টকা ইনভেষ্ট কৰিলো, ২০২৪ চনৰ পিচত যেতিয়া আপুনি আঁচনি চাবলৈ যাব তেতিয়া দেখিব যে, যিমানবিলাক পানী যোগান আঁচনি আছে, ২০২৫-২৬ চনত পানী যোগান দিয়া আঁচনি এটাও নাপাব। কাৰণ আগৰ ৰেট্ৰ পানী যোগান আঁচনি বিলাক যেনেকৈ এতিয়া আমি ৰিপিয়েৰিং কৰি আছে আকৌ এইবোৰ ৰিপেয়েৰিং কৰিব লগা হ'ব। গতিকে টেণ্ডাৰ এগ্ৰিমেন্টত যদি মন্ত্ৰী মহোদয়ে এটা ব্যৱস্থা কৰিব পাৰে, যেনেদৰে পি এম জি এচ ৱাইত ৫ বছৰৰ কাৰণে মেইনটেনেন্স আছিল, তেনেদৰে ইয়াতো যাতে অতি কমেও দুই বছৰৰ বাবে অপাৰেশ্যনটো ঠিকাদাৰক দিয়া হয়। তেতিয়াহে এই আঁচনিৰ কামৰ গুনগত মানদণ্ড ভাল হ'ব কাৰণ তাৰ মাজতে মেইনটেনেন্সৰ যিখিনি কাম সেইখিনি ঠিকাদাৰসকলে কৰিবলৈ বাধ্য হ'ব । গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আপুনি যদি পাৰে অন্তত দুবছৰৰ বাবে টেণ্ডাৰ এগ্ৰিমেন্টত আঁচনিৰ অপাৰেশ্যনটো ঠিকাদাৰক দিব পাৰে তেতিয়াহ'লে ভাল হ'ব। কামবিলাকৰ গুনগত মানদণ্ডও ভাল হ'ব । তেওঁলোকেও ভাবিব যে দুবছৰৰ ভিতৰত যদি নচলা হয় আমি সেই আমানতৰ ধনখিনি ঘুৰাই নাপাম। কনষ্ট্ৰাকশ্যন পিৰিয়ডত ভিজিলেন্স আৰু মনিটৰিঙৰ কমিটিৰ ব্যৱস্থা থাকিব লাগে। ৰাইজে সকলো প্ৰব্লেমৰ কথা লৈ এম

এল এ সকলোৰ তালৈহে প্ৰথমে আহে কাৰণ মানুহে বিষয়াসকলৰ তালৈ নাযায় বা লগ নাপায়। বিধায়কসকলক যদি সেই মনিটৰিং কমিটিত এটা কতৃত্ব দিয়া হয় তেন্তে সকলো কামৰ মানদণ্ড উন্নত হ'ব। গতিকে এই কথাবিলাক মন্ত্ৰী মহোদয়ে যদি বিবেচনা কৰে যিহেতু আমি আমাৰ ৰাজ্যখনৰ বাবে ইমান ডাঙৰ পৰিমানৰ ধন খৰছ কৰি আছো। আমি এটা দীৰ্ঘম্যাদী সুফল পাবলৈ সক্ষম হ'ম। গতিকে মন্ত্ৰী মহোদয়ে যদি এই কথাবিলাক অলপ অনুধাৱন কৰে তেন্তে আমি সুখী হ'ম, লগতে ৰাইজো উপকৃত হ'ব। মই কৰ্ত্তণ প্ৰস্তাৱৰ সপক্ষে বক্তব্য ৰাখি মই মোৰ ভাষণ সামৰিছো।

**শ্ৰীসিদ্দেক আহমেদ (সভাপতি) ঃ** ধন্যবাদ , এতিয়া মাননীয় সদস্য নিজানুৰ ৰহমান ।

**শ্ৰীনিজানুৰ ৰহমান, (গৌৰীপুৰ) ঃ** মাননীয় সভাপতি মহোদয়, মোক বক্তব্য ৰাখিবলৈ সুযোগ দিয়া বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। 'জল জীৱন' আঁচনিৰ ক্ষেত্ৰত মই বিশেষকৈ ধুবুৰী জিলাৰ কথা ক'ম। জল জীৱন আঁচনিৰ কাম আৰম্ভ হোৱাৰ আগতে ৰেট্ৰ' ফিটিঙৰ কামবিলাক আৰম্ভ হৈছিল। যিবিলাক defuncts স্কীম আগতে আছিলে এই ৰেট্ৰ'ফিটিঙৰ কামবিলাক কমপ্লিট নকৰাকৈ বিভাগে হেণ্ড অভাৰ কৰি দিলে । কিন্তু ৰাইজে এতিয়ালৈকে পানী পোৱা নাই । মই মন্ত্ৰী মহোদয়ক দোষ দিয়া নাই মই ভাৱো তলৰ লেভেলত ফিল্ডত কাম কৰি থকা বিষয়াসকলে সঠিকভাবে কাম কৰা নাই। মোৰ সমষ্টিৰ এটা পাহাৰীয়া অঞ্চল আছে পৰ্ব্বতঝোৰা । এই অঞ্চলত পানীৰ কাৰণে হাহাঁকাৰ। যোৱা চৰকাৰৰ দিনত ৫০ টা ৰিং ৱেল পাইছিলো আমি, মই এই পাহাৰীয়া অঞ্চলত দিছিলো। কিন্তু জল জীৱন মিশ্যনৰ জৰিয়তে যিখিনি স্কীম এই পাহাৰীয়া অঞ্চলত দিয়া হৈছে টেংকীৰ লগত মাটিৰ সামঞ্জস্য বা মিল নথকা বাবে পানীৰ পাইপবিলাক ফাটি যায়। বিজ্ঞানসন্মত হোৱা নাই। পাহাৰীয়া অঞ্চলৰ বাবে এই আঁচনিত টেকনিকেলী অলপ উন্নত মানৰ কৰিব পৰা যায় নেকি সেইটো বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো। এই ডিপাৰ্টমেন্টৰ জৰিয়তে স্বচ্ছ ভাৰত মিচনৰ অধীনত যিখিনি টয়লেটৰ কাম কৰা হৈছিল পঞ্চায়ত লেভেলত সেইখিনি কামত যথেষ্টখিনি দুৰ্নীতি হৈছিল, যিখিনি এন জি অ'ৰ নামত এলোটমেন্ট দিয়া হৈছিল , এলোটমেন্ট দিয়াৰ পৰা আৰম্ভ কৰি পঞ্চায়ত লেভেলত ঘৰে ঘৰে গৈ কৰাত ব্যাপক দুৰ্নীতি হৈছিল। কাম নকৰাকৈ হাউচহোল্ডত কাম কৰা দেখুৱাই পঞ্চায়তৰ পৰা চহী লৈ বিলখিনি উঠাই লৈছে। এইখিনি এনকোৱাৰী হ'ব লাগে। সভাপতি মহোদয় মোৰ সমষ্টিত কিছু অঞ্চলত এতিয়ালৈকে লেট্ৰিন পোৱা নাই , কম্পিউটাৰত আপলোড কৰা নাই। বহু পঞ্চায়ত বাদ পৰি আছে। মোৰ সমষ্টিৰ চাউথ গেৰামাৰী গাওঁ পঞ্চায়তত লেট্ৰিন পোৱা নাই। সাওদিয়াত কেইটামান এডিশ্যনেল এলোটমেন্ট পাইছে । মটৰঝাৰ গাওঁ পঞ্চায়তত কাম নকৰাকৈ এন জি অ' বিলাকে বিল উঠাই লৈছে। এইটো এনকোৱাৰী হ'ব লাগে। চাপগড় জিপি মোৰ সমষ্টিত পৰে তাতো এনেধৰণৰ গণ্ডগোল কৰিছে। জে জে এমৰ অধীনত নয়াছড়াত ৰেট্ৰ' ফিটিঙৰ কাম কৰি হেণ্ড অভাৰ কৰি আহিছে মাত্ৰ, লগে লগে ৰাইজে পানী দিয়া মেচিন চালু কৰিছে কিন্তু সেইদিনাখনেই পানীৰ পাইপ আউট হৈ গৈছে। খুদি মাৰীত পাইপ লাইন আউট হৈছে। সুখেতিখাতাত পানীৰ পাইপ লাইন আউট হৈ গৈছে। গড়াইমাৰীতো তেনেকুৱা হৈছে। যিহেতু বিভাগীয় মন্ত্ৰী মহোদয় আমাৰ ধুবুৰী জিলাৰ ইনচাৰ্জ মিনিষ্টাৰ হয় । ধুবুৰী জিলাত মোৰ সমষ্টিত বিষয়া কৰ্মচাৰীৰ এনেধৰনৰ উদ্ভণ্ডালি চলি আছে জল জীৱন মিচনৰ আঁচনিত। এনেদৰে যদি চলি থাকে মন্ত্ৰী মহোদয়ৰো বদনাম হ'ব আৰু চৰকাৰখনৰো বদনাম হ'ব, আৰু ৰাইজে পানী নাপাব। গতিকে এইবিলাকৰ এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হ'ব লাগে। যিখিনি বিষয়াই এন জি অই এনেধৰণৰ কাম কৰিছে তেওঁলোকক শাস্তি দিব লাগে । এইখিনি কৈ মোৰ বক্তব্য ইয়াতে সামৰিছো ধন্যবাদ ।

**শ্রীসিদ্দেক আহমদে, (সভাপতি) ঃ** এতিয়া অনাৰেৱল মেম্বাৰ কৰিমুদ্দিন বৰভূঞা ।

**শ্রীকরিম উদ্দিন বরভূইঞা, (সোনাই)** মাননীয় সভাপতি মহোদয়, আমি এই কর্তন প্রস্তাবের পক্ষে কিছু কথা বলব। প্রথম কথা হল- আমাদের মাননীয় মন্ত্রী মহাশয় আছেন এই সদনে। যেগুলো নতুন scheme নেওয়া হয়েছে আমি সেগুলোর কথাই বলব। নতুন scheme গুলোতে কতগুলোর কাজ শুরু হয়েছে, কতগুলোর কাজ সম্পূর্ণ হয়েছে, আবার কতগুলোর কাজ চলছে। practically একটা জিনিস দেখা গেছে আমাদের scheme নেওয়ার পরে land যেটা নেওয়া হয় locally arrangement করে কোন না কোন ভাবে কারো কাছ থেকে Donation নেওয়া হয়। লেণ্ড purchase সরকারের কোন provision নেই, এটা একটা ভালো। আর অন্য দিকে খারাপও আছে। আমারা গ্রামবাসীদের উপর নির্ভর করি, গ্রামবাসী কেউ জমি দেবে সেই জমির উপর আমরা ৪ কিলোমিটার, পাঁচ কিলোমিটার, বা ছয় কিলোমিটার একটা project সেখানে করব। আমাদের কোন পছন্দ সেখানে থাকে না। Donarate বা আমাদের Availability of land এর উপরে আমাদের scheme নিতে হয়। যখন scheme টা sanction করা হয় এই হেভিটেশনের survey র উপর ভিত্তি করে। জেনারেল একটা মোডেল আছে পিএইচইর। ডিজাইন ড্রইংএ সেটাকে কাট পেষ্ট করে টেণ্ডার হয়ে যায় এবং সেইমতে কাজও হয়। আমি উদাহরণ দিয়ে বলছি বেনিফিসিয়ারিজের পাঁচ কিলোমিটার যদি একটা scheme থাকে তার মধ্যে দুই কিলোমিটার দেখবেন একটু উচু আছে। একটু নিচু আছে তিন কিলোমিটার , দুই কিলোমিটার বা এক কিলোমিটার কিন্তু সেটার প্রোপার সার্ভে না করে জেনারেল একটা স্টেন্ডার্ড ফোরমেটের মধ্যে কাজ শুরু করা হয়, যার জন্য আমি দায়িত্ব নিয়ে বলছি আমি public accounts কমিটির মেম্বার হিসাবে বিভিন্ন জেলায় আমি গিয়েছি আমি academically রাস্তায় হেটে হেটে দেখেছি, প্রবলেম একটাই হবে জেজে এমের মেজর প্রবলেম, টেকনিক্যাল প্রবলেম। আমি অনুমান করে সেটা বলছি। এসএসমেন্টের উপর বলছি কোন কারেক্ট ফিগার না। After completion of all project ৩০ শতাংশ মানুষ কোন ভাবেই জল পাবে না। এর একমাত্র কারণ হল আজ যদি একটা পাইপ প্লে করা হয়, সেই পাইপে যদি জল উপরের দিকে যেতে হয় কোন দিনই যাবে না। আপনি দেখবেন প্রত্যেকটা স্কীমে আমি মন্ত্রী মহোদয়কে অনুরোধ করছি আপনি একটা টেকনিক্যাল টিম পাঠিয়ে যেগুলো কমপ্লিটেড স্কীম সেখানে গিয়ে দেখুন যেটা সাড়ে চার কিলোমিটার কমপ্লিট হয়েছে তার মধ্যে দেখবেন দেড় কিলোমিটারে জল পৌছায় না। তার একমাত্র কারণ হচ্ছে লেভেলিং নেই। আমার একটা অনুরোধ থাকবে সরকারের কাছে যেহেতু টাকা খরচ করা হচ্ছে, আমরা যদি সেটাতে **টোরটেজরেটর** মেশিন দিয়ে মর্ডান টেকনলোজি এপ্লাই করে আমারা সার্ভে করে যদি লেভেলিংটা ঠিক করে নিতে পারি তাহলে সব ঘরে জল পৌছাবে নাহলে সব ঘরে জল পৌছানোর কোন সম্ভাবনা নেই। থার্ড পার্টি যেভাবে চেক করার পর বিলিং হয় আমি অনুরোধ করব যখনই স্কীম কমপ্লিট হবে সারা অসমে অন্ততপক্ষে ৩০ শতাংশ স্কীম যাতে রেনডোম চেক করা হয় । যে একটা স্কীমের টোটাল বেনিফিসিয়ারিজ যদি থাকে চারশো, পাঁচশো, বা ছয়শো এর বেশি তো থাকে না। তার কতটুকু করে জল পৌঁচেছে সেটা আমি দেখার জন্য অনুরোধ করছি। ৩০ শতাংশ রেনডোম চেক করলে আসল ছবি বেরিয়ে আসবে। আজ স্কীম চালু আছে প্রথম, দ্বিতীয়, তৃতীয় ফেজ চলছে। এই মহুর্তে আমরা যদি পদক্ষেপ গ্রহন না করি ২০২৪ সালের পরে সেই স্কীম সেই ফাণ্ড আমরা আর পাব না। আর আমরা দেখবো যে হিউজ নাম্বার অফ পিএইচ ই ডিফাণ্ড হয়ে পড়ে আছে। আর দশ থেকে পনেরো শতাংশ মানুষ সেখানে বেনিফিট পাচ্ছে। আসল স্কীমের যে

উদ্দেশ্য সেই উদ্দেশ্য সফল হবে না। দ্বিতীয়ত আরও একটা কথা হল যে মন্ত্রী মহোদয় একটু ইনিশিয়েটিভ নিলে হয়ে যাবে। আমি বলছি যে প্রোপার টেকনলোজি মেনে কাজ হচ্ছে না। প্রথম বেনিফিসিয়ারিজ পর্যন্ত জল না পৌছার একটা সম্ভাবনা থাকে কারণ কাট পেষ্ট করে যখন ডিজাইন করা হয় । সেপারেট কোন ডিজাইন ড্রইং করা না হয়, তখন একটা ৬ এমএমের পাইপ জেনারেলি প্রথমে ১০০ মিটার ২০০ মিটার থাকে কিন্তু কোন স্কীমের লেংথ যখন ৬ কিলোমিটার থাকে আর সেটাতেও যদি ৬ এমএম পাইপ ১০০ মিটার থাকে তাহলে ফোর্স তো থাকবেই না জলের। সেইদিকে লক্ষ্য রাখতে হবে। প্রত্যেকটা রেকটফিটিং যেভাবে রিভাইজড এস্টিমেট হচ্ছে ওভারেট টেঙ্কের, ওভারেট টেঙ্ক হলে ফোর্স আসবে। জলের ফোর্স থাকলে লাস্ট বেনিফিসিয়ারিজ পর্যন্ত পাবে। এই মেজর প্রবলেম হচ্ছে বেনিফিসিয়ারিজ কভার করতে হলে আমাদের এই টেকনিক্যাল সাইডগুলো দেখতে হবে। রেকটিফিকেশনের প্রয়োজন আছে, ওভারকাম করতে হবে। আরও একটা ডিপার্টমেন্টের নেগলিজেন্সি বেনিফিসিয়ারিজের ঘরে আমরা জল পৌঁছে দেওয়ার কথা যদি আপটু ৩০ মিটার পর্যন্ত। কিন্তু আমরা দেখি যেখানে তিন চারটা ঘর আছে রাস্তার পাশে তিন চারটা টেপ দেওয়া হয়েছে অথচ ঘর পাঁচ মিটার, সাত মিটার, আট মিটার পর্যন্ত। আমার একটা অনুরোধ থাকবে আমাদের সভাপতি মহাশয়ের মধ্যে দিয়ে আমাদের বিভাগীয় মন্ত্রী মহোদয়ের কাছে যে আন্তরিকতার সাথে যদি ডিপার্টমেন্ট কাজ করে ২০০ বেনিফিসিয়ারিজের মধ্যে কারো থাকবে ২ মিটার দূরে ঘর কারো থাকবে ৩২ মিটার দূরে ঘর, কারো থাকবে ৪০ মিটার দূরে ঘর, কারো ১৫ মিটার দূরে। যদি আমরা ঠিকাদারকে বা ইঞ্জিনিয়ারকে আপনারা যদি কোন ডাইরেকশন দেন একটা রাফলি সবাইকে কভার করার জন্য । টেপগুলো রাস্তার পাশে দেওয়া হচ্ছে, যে কেউ রাস্তার টেপ খুলে দিচ্ছে আপনি দেখবেন যে একমাস পরে জলের টেপ নেই, রাস্তার উপর দিয়ে জল বের হচ্ছে। এই দু-তিনটা রেকটিফিকেশনের প্রয়োজন আছে, সেটা করার জন্য আমি সরকারকে অনুরোধ করছি। না হলে এই ছোট ছোট কয়েকটা লেপসের জন্য টোটাল স্কীমের ২৫ থেকে ৩০ শতাংশ প্রেকটিক্যালি ইমপ্লিমেন্ট হবে না। ৩০ শতাংশ বেনিফিসিয়ারি সেটা বঞ্চিত হবে এবং ৩০ শতাংশের নাম্বার হিউজ লাখে পৌছাবে। টোটাল স্কীম যে উদ্দেশ্যে নেওয়া হয়েছে, সেই উদ্দেশ্য যদি সফল করতে হয় তাহলে টেকনিক্যাল সাপোর্ট আরও প্রয়োজন। জল জীবন মিশন বা জল প্রকল্প নিয়ে আমি রাজনীতির কোন কথা আমি বলতে চাই না। আমি আন্তরিকতার সাথে বলছি যে অন্ততপক্ষে ৩০ শতাংশ রেনডোম চেক করার ব্যবস্থা করা হোক। থার্ড পার্টি দিয়ে বিল দিলেই যে হয়ে যাচ্ছে, থার্ড পার্টির সাথে হেড অফিসের অনেক কথা থাকে সেগুলো বলার সময় নেই। আমি মন্ত্রী মহোদয়কে ব্যক্তিগতভাবে বলব । আমার অনুরোধ থাকবে আমরা যে কর্তন প্রস্তাব এনেছি তার পক্ষে বক্তব্য রেখে আমি আমার বক্তব্য এখানেই শেষ করলাম। নমস্কার।

**সভাপতি (শ্ৰীচিদ্দিক আহমেদ) ঃ** এতিয়া শ্ৰীভৰেন্দ্ৰ নাথ ভৰালী।

**শ্ৰীভৰেন্দ্ৰ নাথ ভৰালী (দেৰগাঁও) ঃ** মাননীয় সভাপতি মহোদয়, আজি জনস্বাস্থ্য কাৰিকৰী বিভাগত মাননীয় মন্ত্ৰীৰ দায়িত্বত বিভাগটো চলাবলৈ প্ৰায় ১৩৯৫ কোটি টকা আৰন্টন দিয়া হৈছে আৰু বিৰোধী পক্ষই এই ধন ৰাশিৰ ওপৰত কৰ্তন প্ৰস্তাৱৰ সৈতে বিৰোধিতা কৰিছে। আমি বিৰোধিতা কৰি কব বিচাৰিছোঁ আচলতে এখন সমাজ ক্ষুদ্ৰ ভাৱে গাঁও এখন যদি চলিব লাগে তেতিয়াহলে তিনিটা প লাগিবই, পানী, পাইখানা, পাকঘৰ। এই তিনিটা নহলে গাঁও খনৰ বুনিয়াদ ঘৰটো কেতিয়াও নচলে। ঘৰ এটাত সদায় এই তিনিটা প লাগিব, পানী, পাইখানা আৰু পাকঘৰ। তেতিয়াহে সেই মানুহে ভালদৰে বাস কৰিব পাৰে। স্বচ্ছভাৱে সফল ভাৱে চলিব পাৰে। সেই তেনেকুৱা এটা

minimum need মানুহৰ পানী অতি প্ৰয়োজন। এই পানীৰ ব্যৱস্থা মাননীয় ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০২৪ চনৰ ভিতৰত ঘৰে ঘৰে নল যোগে পানী যোগান ধৰা যিটো অভিলাসী আঁচনি সেই আঁচনিৰ অধীনত সমগ্ৰ ভাৰতৰে অসমত ঘৰে ঘৰে নল যোগে পানী পাব। এই আঁচনিটো সৰ্বসাধাৰণ ৰাইজৰ বাবে চিন্তা কৰা চৰকাৰ অতি সুন্দৰ আঁচনি। এই আঁচনি অনুযায়ী আমাৰ অসমত মাননীয় মন্ত্ৰী ৰঞ্জিৎ দাস ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমান প্ৰায় ২০ লাখ মানুহৰ ঘৰত নল যোগে সংযোগ দিছে আৰু প্ৰায় ২৫০০ গাঁও বৰ্তমান পৰ্য্যায়লৈকে এই আঁচনিত অন্তৰ্ভক্ত হৈছে। এতিয়া কথা হ'ল এই যিটো নূন্যতম সুবিধাখিনি লাগে ঘৰটোত এই সুবিধাখিনি দিবলৈ হলে চৰকাৰে অতি দক্ষতাৰ সৈতে এই কাম খিনি মাননীয় মন্ত্ৰীৰ নেতৃত্বত কামখিনি চলিছে। এই কামত আমি প্ৰধানকৈ দুটামান বস্তু চাব লাগিব। সেইটো হ'ল বৰ্তমান পৰ্য্যায়ত যিমানখিনি আঁচনি প্ৰায় ২৫০০ খন গাঁও ইতিমধ্যে এই আঁচনিত অন্তৰ্ভূক্ত হৈছে। আঁচনিটো হৈ যোৱাৰ পিছৰ পৰ্যায়ৰ কথাখিনি যিটো সেই গাঁও খনৰ ৰাইজে এখন ইউজাৰ কমিটি কৰি সেই আঁচনিটো চলাব লাগিব। এতিয়া আমি গুৰুত্ব দিব লাগিব সেইটোত। মই আশা কৰিছো আমাৰ চৰকাৰে এই সম্পৰ্কত চিন্তাচৰ্চা কৰিছে। পঞ্চায়তৰ জৰিয়তে প্ৰথম পাচঁটা বছৰত যাতে আঁচনিবোৰ সুন্দৰকৈ চলাই লৈ যাব পাৰে তাৰ বাবে কিছু ধনৰ আৱন্টন দিছে fifteenth financeৰ অধীনত আৰু ৰাইজে এই আঁচনিখন যাতে ধুনীয়াকৈ চলাই লৈ যায় তাৰ বাবে এই ইউজাৰ কমিটিবিলাক ভালকৈ চলিব লাগিব। কিন্তু আগৰ আমাৰ যিটো অভিজ্ঞতা, ইয়াৰ আগতেও পানীৰ আঁচনি আছিল, ইউজাৰ কমিটি আছিল। কিন্তু তাত ইউজাৰ কমিটি থাকে লেজত ধৰে বল নিদিয়ে, তেনেকুৱা ধৰণৰ ব্যৱস্থাত চলি আছিল আগতে। কিন্তু এতিয়া যাতে সেইটো নহয়, আমাৰ মাননীয় মন্ত্ৰীক মই অনুৰোধ জনাইছো যাতে সুন্দৰ ভাৱে এই আঁচনিবিলাক এই ইউজাৰ কমিটিৰ জৰিয়তে আমি চলাব পাৰোঁ, তাৰ এটা স্থায়ী সমাধান যাতে চলি যায়, পঞ্চায়তৰ জৰিয়তে, দায়বদ্ধ কৰি এটা গাইডলাইনে হওঁক প্ৰস্তুত কৰি দিব লাগে। যাৰ জৰিয়তে আমি সুন্দৰ ভাৱে এই পানী যোগানটো পাই থাকিব পাৰোঁ। দ্বিতীয়তে, এই চৰকাৰে চাহ বাগিছা সমূহ সাধাৰণতে যোৱা কাৰ্য্যকাল আজিৰ পৰা প্ৰায় ৬-৭ বছৰ আগলৈকে চাহ বাগিচা সমূহৰ শ্ৰমিক সকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই বৰ্তমান পৰ্য্যায়ত এই চাহ শ্ৰমিক সকল যে অসমৰে এক অংগ, অসমৰ জনগোষ্ঠী, এই জনগোষ্ঠীটোৰ চিন্তা চৰ্চা কৰি বাগিছা অঞ্চলত যাতে প্ৰত্যেক ঘৰকে সামৰি ল'ব পাৰে, তাৰবাবে আমাৰ এটা পানী যোগান আঁচনি ইতিমধ্যে দিছে, মোৰ সমষ্টিত ১৪ খন বাগিছা আছে, আটাইকেইখন বাগিছাতে জল জীৱন মিছনৰ অধীনত পানী যোগান আঁচনি অন্তৰ্ভুক্ত হৈছে, কাম চলি আছে। এইটো কিন্তু আটাইতকৈ ডাঙৰ সফলতা চৰকাৰৰ। কাৰণ বাগান অঞ্চলত সাধাৰণতে লেতেৰা হোৱাৰ কাৰণে তাত স্বাস্থ্য জনিত বহুত সমস্যা হয়। এই খিনি কিন্তু লাঘৰ হ'ব বুলি আমি আশা কৰিছোঁ। মই আশা কৰোঁ বাগিছা অঞ্চলত সেই আঁচনি সুন্দৰ ভাৱে যাতে পৰৱৰ্তী পৰ্য্যায়তো লৈ যাব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ অলপ গাইড লাইন আদি যাতে তৈয়াৰ কৰি দিয়া হয়, সেইটো মই আশা কৰিছোঁ। চতুৰ্থতে, এই ইউজাৰ কমিটিৰ কাৰণে এটা সাংঘাটিক কথা সেইটো হ'ল লাইটৰ বিল, পানী যোগানৰ পাইপ কৰবাত ফুটিছে, কিবা হৈছে এই গোটেই দায়িত্ব খিনি দিবৰ বাবে ইউজাৰ কমিটি খনক এটা গাইড লাইন তৈয়াৰ কৰি পঞ্চায়তৰ অধীনত অন্তৰ্ভূক্ত কৰি দিবৰ বাবে এটা নিয়ম কৰি দিব লাগে। লগে লগে মই আৰু এটা কথা ক'ব বিচাৰিছো যে অমসত বৰ্তমানলৈ পানীৰ কোনো সমস্যা নোহোৱাকৈ ওপৰ ভাগত প্ৰায় পঞ্চাচ শতাংশ পানী থাকে । গতিকে আণ্ডাৰ গ্ৰাউণ্ড ৱাটাৰ খুব কমকৈ আমি পাঁও।আৰ্চেনিকযুক্ত পানী আমাৰ যোৰহাট জিলা তিতাবৰ আদিত আৰ্চেনিকযুক্ত

পানী থাকে, সেই কাৰণে ওপৰ ভাগত থকা যিখিনি পানী বৰ্তমানে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত যোৰহাটত পানী যোগান আঁচনি ব্ৰহ্মপুত্ৰ নদীৰ পৰা পানী যোগান ধৰি যোৰহাটৰ বিভিন্ন অঞ্চলত প্ৰায় ৫২ টা পঞ্চায়তত ব্ৰহ্মপুত্ৰৰ পানী যোগান আঁচনিৰ জৰিয়তে দিয়াৰ কাৰণে ইতিমধ্যে কাম প্ৰায় সমাপ্ত হৈছে। আমাৰ মাননীয় সদস্যই কৈছে যে ব্ৰহ্মপুত্ৰৰ পানী কোনো কামত ব্যৱহাৰ কৰা নাই, সেইটো আচলতে শুদ্ধ নহয় আৰু ব্ৰহ্মপুত্ৰ নদীৰ পানীৰে যোৰহাটৰ প্ৰায় ৫২ খন পঞ্চায়তে পানী যোগান দিয়াৰ বাবে আঁচনি লৈছে, ইয়াৰে ৯০ শতাংশ কাম শেষ হৈছে। আমি হয়তো অহা তিনি চাৰি মাহৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ পানী যোৰহাটত যোগান ধৰিব পাৰিব । ঠিক সেই একেদৰে গুৱাহাটীতো পানী যোগান ধৰি আছে। সেই মাননীয় সদস্য গৰাকীৰ কথাত মই আচৰিত হৈছো যে গুৱাহাটীত কোনো ধৰণৰ পানী যোগান আঁচনি নাই দিয়া বুলি কোৱাতো । গতিকে মই এই কথাখিনি অৱগত কৰিছো আৰু মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে সেইটো হ'ল এই আঁচনি বিলাক সম্পূৰ্ণ হৈ যোৱাৰ পিছত ৰেট্ৰ'ফিটিঙেই হওঁক বা নতুন আঁচনি বিলাক পূৰ্ণোদ্যমে ৰাইজৰ কাৰণে উছৰ্গা কৰি যাতে আঁচনি বিলাক চলি থাকে তাৰ কাৰণে যিখিনি ন্যূনতম ধনৰ প্ৰয়োজন পঞ্চায়তৰ জৰিয়তে দিয়াৰ ব্যৱস্থা কৰিছে, সেই ধনৰাশিক কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ ৰাইজৰ জৰিয়তে আঁচনি বিলাক চলাই ৰাখিব পাৰে সেইটোৰ ওপৰত যাতে গুৰুত্ব দিয়ে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু লগে লগে স্বচ্ছ ভাৰত অভিযানৰ মাত্ৰ দুটা কথা ক'ব বিচাৰিছো যে আমাৰ গোটা আৰু জুলীয়া এই যিবোৰ আবৰ্জনা বৰ্তমান নগৰাঞ্চলত বিশেষকৈ আৰু এতিয়া গ্ৰাম্যাঞ্চলতো হৈছে, এই আবৰ্জনাবোৰ নিষ্কাষণৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাটো অকমান সুন্দৰ ভাবে বৈজ্ঞানিক ভিত্তিত হোৱাতো প্ৰয়োজন । গোটেই আবৰ্জনা খিনি কেনেধৰণে তাৰ পৰা শক্তি উৎপাদন কৰিব পাৰিম বা পনীয়া, জুলীয়া আবৰ্জনা খিনি আমি কেনেধৰণে নিষ্কাষণ কৰিব পাৰিম, এই সম্পৰ্কত বৈজ্ঞানিক দৃষ্টিভংগীৰে নগৰ অঞ্চলকে ধৰি বৰ্তমান গাঁও অঞ্চলতো আমি যদি এই খিনি সুন্দৰভাবে এইখিনি কৰিব পাৰো, যাৰ কাৰণে এক বিজ্ঞান ভিত্তিক কিছু আঁচনি গ্ৰহণ কৰি আমি যাতে আগবঢ়াই লৈ যাব পাৰো তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে বিৰোধী পক্ষই উত্থাপন কৰা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মাননীয় মন্ত্ৰীক সমুদায় ধন খৰচ কৰাৰ দ্বায়িত্ব অৰ্পন কৰিবৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**সভাপতিঃ** (আসনত মাননীয় বিধায়ক শ্ৰী চিদ্দিক আহমেদ) এতিয়া মাননীয় সদস্য শ্ৰী খালিল উদ্দিন মজুমদাৰ ।

**শ্ৰীখলিল উদ্দিন মজুমদার (কাটিগড়া) ঃ** মাননীয় সভাপতি মহাশয় আমাকে কর্তন প্রস্তাবের পক্ষে বলার সুযোগ করে দেওয়ার জন্য আমি আন্তরিক ধন্যবাদ জানাচ্ছি। আমার বিধান সভা সমষ্টিতে জল-জীবন মিশনের কিছু স্কীম দেওয়া হয়েছে, যেটা দেখা গেছে আমাদের গুয়াহাটিতে চিফ ইঞ্জিনিয়ার অফিস থেকে প্যাকেজ বানিয়ে দেওয়া হয়েছে। সেই ঠিকাদার ১৫ থেকে ২০ টা কনট্রাক্ট নিয়েছে কিন্তু আজ পর্যন্ত কাজ সম্পূর্ণ হয়নি। কারণ এই প্যাকেজ দিয়েছে চিফ ইঞ্জিনিয়ার অফিস থেকে। চিফ ইঞ্জিনিয়ারের কনট্রাক্টরকে আমাদের ডিপার্টমেন্টের যারা আছে তারা জিজ্ঞাসা করলে দেখা যায় এটা চিফ ইঞ্জিনিয়ার অফিস থেকে হয়েছে। কাজটা কমপ্লিট না হওয়ার কারণে বিশেষ করে আমাদের অঞ্চলে বহুত রকমের পরিশানি হচ্ছে। সেইজন্য আমি অনুরোধ রাখছি যে আমাদের এই প্যাকেজ না দেওয়ার জন্য। আমদের স্থানীয় অনেক ঠিকাদার আছে সেই ঠিকাদারকে দিলে অনেক ভালো কাজ হবে, আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখছি। দ্বিতীয়ত আমার, এলাকার মধ্যে যে পাইপ দেওয়া হয়েছে দেখা গেছে একটা স্কীমের মধ্যে এক কিলোমিটার, দুই

কিলোমিটার দেওয়া হয়েছে। কিন্তু দেখা যায় এই স্কীমের মধ্যে মিনিমাম দুই তিন কিলোমিটার জরুরী আছে কিন্তু এই স্কীম এখন পর্যন্ত এক্সটেনশন করা হয়নি। আমাদের অনেক স্কীম ওপেনিং হয়েছে, কিন্তু কিছু স্কীমে জলের ব্যবস্থা আছে, কিছু স্কীম বন্ধ আছে। মন্ত্রী মহোদয়ের কাছে এটাই অনুরোধ যে একটা টিম বানিয়ে একটা এনকোয়ারি করার জন্য। আমার সমষ্টিতে এই স্কীমের মধ্যে অনেক দূর্নীতি আছে এবং সেটা সঠিক ভাবে তদন্ত করার জন্য আমি বিশেষ করে মন্ত্রী মহোদয়েকে অনুরোধ করব। এই বলে আপনাকে ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করলাম। নমস্কার।

**সভাপতিঃ** শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে মোক ক'বলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো ।

অধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগত বাজেটত যি ঘৰে ঘৰে পানী আৰু মাননীয় প্ৰধান মন্ত্ৰীৰ-ঘৰ ঘৰ কি নল ৰ যি কথা কৈছে প্ৰকৃতাৰ্থত সেইটো সফল হোৱা নাই যেন অনুমান কৰিছো । বিভিন্ন ক্ষেত্ৰত আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই যথেষ্ট কষ্ট কৰিছে যাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো আৰু মই বিভাগক সমালোচনা কৰাৰ উদ্দেশ্যে কথা ক'বলৈ বিচৰা নাই । মই কেৱল বিভাগটো গতিশীল কৰা বা আঁচনি সমূহ গ্ৰহণযোগ্য কৰাৰ বাবে যাতে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে তাৰ কাৰণে মোৰ মনৰ কেইটামান কথাহে ক'বলৈ বিচাৰিছো ।

মাননীয় অধ্যক্ষ মহোদয়, কথাতে কোৱা হয় যে, পানীয়ে প্ৰাণৰ মূল, অৰ্থাৎ পানী নহ'লে কোনো থাকিব নোৱাৰে। গুৱাহাটীত আজি পানীৰ কাৰণে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ঘৰৰ কুৱা বিলাক শুকাই গৈছে । জি এম চি য়ে পানী যোগান ধৰিব পৰা নাই, জাইকা আৰু এ ডি বি ৰ আঁচনি বিলাকেও পানী যোগান ধৰিব পৰা নাই । কিন্তু গ্ৰাম্যাঞ্চলত পানীৰ কিন্তু এনেকুৱা সমস্যা নাই যদিও বিশুদ্ধ খোৱাপানী, আৰ্চেনিক মুক্ত পানী আদি সমস্যা বিলাক আছে। কিন্তু গা-ধোৱা, কাপোৰ-ধোৱা, ভাত ৰন্ধা আদি কাম কৰিবলৈ প্ৰয়োজন হোৱা পানী অৱশ্যে গ্ৰাম্যাঞ্চলত আছে। মাননীয় সদস্য ভৰেন্দ্ৰ নাথ ভড়ালী দেৱে যি তিনিটা 'প' ৰ কথা কৈছে- পানী, পাইখানা আৰু পাকঘৰ এইখিনি অন্ততঃ পোৱা যায়। এতিয়া কথাটো হ'ল চৰকাৰে আমাৰ যি জল জীৱন আঁচনি গ্ৰহণ কৰিছে তাৰ কাম বিলাক প্ৰকৃততে হৈছে নে নাই। গ্ৰাম্যাঞ্চলত জল জীৱন আঁচনিৰ ক্ষেত্ৰত কমকৈ গুৰুত্ব দিয়া যেন অনুভৱ হয় । কাৰণ গাঁৱৰ টিউৱেল বিলাকত দুই হেচা মাৰিলেই পানী ওলাই আহে, ইয়াত আৰ্চেনিক বা 'লো' জাতীয় ধাতৱ পদাৰ্থ মাহিলী হৈ আছে নে নাই তাত গুৰুত্ব দিয়া নাযায়। চহৰাঞ্চলত অৱশ্যে সজাগতা আছে। আজি বহু বছৰ আগতে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে গ্ৰাম্যাঞ্চলত যেতিয়া জলজীৱন আঁচনি গ্ৰহণ কৰিছিল তেতিয়াই চাকৰি এটা লাভৰ আশাত মাটি পৰ্য্যন্ত দান কৰিছিল । এই সকল লোকে আজি বহুদিন ধৰি বিনা বেতনে কাম কৰি আছে । মাজতে ৫ হাজাৰ টকা দিছিল যদিও বৰ্তমান কোনো আৰ্থিক অনুদান দিয়া হোৱা নাই । সেই কাৰণে লোক সকলে আঁচনি সমূহত ভালদৰে কাম নকৰে । কোনো কোনো অঞ্চলত এই জলজীৱন আঁচনিৰ অফিচ ঘৰ বিলাকত ধান পৰ্য্যন্ত জমা কৰি ৰাখে । মুঠতে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ এই আঁচনি বিলাকত বৰ্তমান এক লেতেৰা পৰিৱেশে বিৰাজ কৰিছে । ইয়াৰ ইউজাৰ কমিটিও পইছা পোৱা নাই । মাজতে ঘৰে প্ৰতি ১০০ টকাকৈ দিয়াৰ কথা কৈছিল যদিও গাঁৱৰ মানুহে সেই পইছাটো দিব নিবিচাৰে ।

মাননীয় সভাপতি মহোদয়, নাজিৰা সমষ্টিৰ অন্তৰ্গত। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই এটা তদন্ত কৰিব লাগে। সেই আঁচনিৰ আওঁতাত নহয়, Vigilance and Monitoring cell

কৰিব লাগে। মই এটা পৰামৰ্শ হে দিব বিচাৰিছো যে, নলবাৰীত স্বচ্ছ ভাৰত মিছ্নত কিমান লেট্ৰিন বনাইছে এই ক্ষেত্ৰত এটা তদন্ত কৰিব লাগে উক্ত তদন্তটো একে ঠাইৰ মানুহৰ দ্বাৰা কৰিব নালাগে যেনে - নলবাৰীত তদন্ত কৰিবলৈ তিনিচুকীয়া মানুহ দিব লাগে। ডিব্ৰুগড়ত তদন্ত কৰিবলৈ নলবাৰীৰ মানুহ দিব লাগে। একে ঠাইৰ তদন্ত কৰিবলৈ দিব নালাগে কাৰণ একে ঠাইৰ মানুহ হ'লে তেওঁলোকে টকাৰ প্ৰলোভনত তদন্ত নামত ভোকো ভাঁওনা কৰিব। আপুনি নিশ্চিয় জানে যে, PMGSY ৰ ৰাস্তাৰ তদন্তয়ে হওঁক বা অন্যান্য ক্ষেত্ৰত বাহিৰৰ আইআইটিৰ পৰা মানুহ আহে। গতিকে এই ব্যৱস্থাটো কৰিলে আঁচনিখন ভালদৰে কৃতকাৰ্য্য হ'ব। স্বচ্ছ ভাৰত মিছন আঁচনিখন অতি সুন্দৰ আঁচনি। মই আজি কেইদিন মান আগতে মোৰ সমষ্টিৰ বৰভাগত নিয়মীয়া ৰাৰ্তা এটাত বাতৰি ওলাইছিল যে, পাইখানৰ ওৱাল ভাঙি মহিলাৰ ভৰি ভাঙিল। অৰ্থাৎ এনেকুৰা বেয়া ভাবে তেওঁলোকে কাম বিলাক কৰে, সেইটো আপুনি ভাবিব নোৱাৰে। কিমানখিনি এতিয়ালৈকে বনাইছে মোৰ সমষ্টিৰ বিষয়ে মই এটা হিচাব মন্ত্ৰী মহোদয়ক দিছিলো। যে যোৱা ৬ বছৰত ২১,১৯৩ টা পাইখানা বনাইছে। এই ক্ষেত্ৰত মই দাঠি ক'ব পাৰো যে, তাত সঁচা অৰ্থা ১ হেজাৰ পাইখানাও নাই। দৰকাৰ হ'লে আপোনালোকে বিশেষ তদন্ত কৰক। এই পাইখানা বিলাক ক'ত গ'ল। NGO কৰিছে কিন্তু সঁচা অৰ্থত এই NGO সঁচাকৈ NGO নে, তেওঁলোক ঠিকাদাৰ। গতিকে মন্ত্ৰী মহোদয়ে আপুনি এটা তদন্তৰ ব্যৱস্থা কৰিব লাগে। CWPP অৰ্থাৎ Community Water Purification Plant আছে with solar. মোৰ বৰক্ষেত্ৰী সমষ্টিৰ লগতে গোটেই অসমত ৭০ শতাংশ বিকল হৈ আছে। এই আঁচনি খন আমাৰ যি বিলাক মিনাৰেল ওৱাটাৰ প্লেন্ট আছে তাতকৈ ভাল আঁচনি। মোৰ ২৫৯ টা আঁচনি আছিল। তাৰ ৬০ শতাংশই বিকল হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ত ব্যৱস্থা গ্ৰহণ কৰে। এই পদক্ষেপ বিলাক যদি নলও তেতিয়া এই আঁচনি বিলাক কেতিয়াও সফল নহ'ব। ঠিকাদাৰে কাম কৰিব, এসপ্তাহ পানী ওলাব তাৰ পিছত তেওঁলোকৰ খবৰ নাথাকিব আৰু বিল পোৱাৰ পিছত তেওঁলোকৰ খবৰ নাথাকিব। বাজেটত যে পৰিস্কাৰ পৰিছন্নতাৰ কথা উল্লেখ কৰিছে যে, ODF plus ত উপনীত হোৱাৰ কথা কৈছে, কেনেকৈ আপোনালোকে এই লক্ষ্যত উপনীত হ'ব। বহুত ঠাইত মিছা প্ৰতিবেদন দি ODF plus কৰিছে। বিশেষকৈ মোৰ নলবাৰী জিলাত এতিয়া পাইখানা নাপাওঁ। ইতিমধ্যে প্ৰতিবেদন দিয়া হৈছে যে, সকলো অনাময় আঁচনি সম্পূৰ্ণ হৈছে। গতিকে মন্ত্ৰী মহোদয় আপোনাক এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে, আপুনি এই মনিটৰিংৰ ব্যৱস্থাটো শীঘ্ৰে কৰক। দৰকাৰ হ'লে আপুনি এটা টীম কৰি দিয়ক। তেওঁলোকে সদায় ভিজিট কৰিব নালাগে আৰু মাজে মাজে পৰিদৰ্শন কৰক। এই ক্ষেত্ৰত এই পৰিদৰ্শন ব্যৱস্থাটো এনেকুৰা হ'ব লাগে যে, দলটো ক'ত যাব সেই বিষয়ে যাতে উক্ত স্থানৰ বিষয়া-কৰ্মচাৰীয়ে গম নাপায়। আমাৰ বিৰোধী দলৰ দলপতিয়ে তেখেতৰ নাজিৰা সমষ্টিৰ যিটো PHED অভিযন্তাৰ কাৰ্য্যলয় আছে, সেইটো নাজিৰাৰ পৰা শিৱসাগৰ জিলা কাভাৰ কৰে কিন্তু সেইটো চৰাইদেউ জিলালৈ লৈ যোৱা হৈছে। সেইয়ে এই ক্ষেত্ৰত বহুত অসুবিধা হৈছে আমাৰ দলপতি ইতিমধ্যে চিঠি লিখিছে মুখ্য অভিযন্তালৈ। সেয়েহে নাজিৰাত এটা PHED অভিযন্তাৰ কাৰ্য্যলয় এটা খবু জৰুৰী। এই ক্ষেত্ৰত মোৰ এটা ক'বলগীয়া আছে যে, মোৰ বৰক্ষেত্ৰী সমষ্টিৰ এটা অংশ যিটো বৰভাগ মৌজাত আৰু বৰভাগ জিলা পৰিষদৰ অন্তৰ্গত সেই অংশটো নলবাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগে চায় বৰক্ষেত্ৰী চক্ৰ অঞ্চলটো বেলশৰ উপ সংমণ্ডলে চায়। এই ক্ষেত্ৰত আমাৰ মুকালমুৱাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটা উপ সংমণ্ডলৰ কাৰ্য্যালয় হ'ব লাগে। আগতে আমি হোৱা বুলি শুনিছিলো যদিও এতিয়ালৈকে কাৰ্য্যক্ষম হোৱা নাই। গতিকে মই

মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে মুকালমুৱাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উপ-সংমণ্ডল অতি শীঘ্রে স্থাপন কৰিব লাগে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, মই ইতিমধ্যে কোৱা আৰু অন্যান্য বক্তা সকলে কোৱা কথাটো যেনে- ঠিকাদাৰ বিলাকক ভালকৈ চোৱা-চিতা কৰাৰ ব্যৱস্থা কৰে যেন। ইয়াৰ লগতে উক্ত অঞ্চলৰ বিধায়ক সকলকো যাতে এই কাৰ্য্য বিলাক কৰা সময়ত জৰিত ৰাখে। কাৰণ তেতিয়া Spot visit কৰাৰ ক্ষেত্ৰত যথেষ্ঠ সুবিধা হ'ব। ধন্যবাদ।

**মাননীয় সভাপতিঃ** মাননীয় বিধায়ক শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ)ঃ** মাননীয় সভাপতি মহোদয়, যে বিৰোধীয়ে অনা এই কৰ্তন প্ৰস্তাৱৰ ওপৰত আমাক দুষাৰ ক'ব দিয়াৰ কাৰণে সুযোগ প্ৰদান কৰিলে। আমাৰ অসম চৰকাৰৰ মাননীয় PHE বিভাগৰ মন্ত্ৰী শ্ৰী ৰঞ্জিতৎ কুমাৰ দাস ডাঙৰীয়াক বাজেটত তেখেতৰ বিভাগলৈ বাজেট প্ৰস্তাৱ কৰা হৈছিল। ১ লাখ ৩৯ হাজাৰ ৫২৬.৬৬ লাখ টকা। এই টকাৰ পৰা বিৰোধীয়ে এই বাজেট কম কৰিবৰ কাৰণে তেখেত সকলে যি কৰ্তন প্ৰস্তাৱ আগবঢ়াইছে, তাৰ মই বিৰোধীতা কৰি মই কেইটামান কথা ক'ব বিচাৰিছো। আমি জানো PHE বিভাগে কেৱল পানীৰ লগতে জৰিত নহয়, PHE বিভাগটোৱে বিভিন্ন বিভাগত কাম কৰা আমি সকলোৱে জানো। খোৱা-পানী জোগান ধৰাৰ পৰা আৰম্ভ কৰি স্বচ্ছ ভাৰতলৈকে আৰু স্বচ্ছ ভাৰতৰ উপৰিও ক'ৰোণাৰ সংকট কালৰ সময়ত ৰাজ্যখনত বিভিন্ন নগৰীয়া বা গাওঁ অঞ্চলত য'ত ক'ৰোণাই সাংঘাটিক ভাবে প্ৰভাৱ বিস্তাৰ কৰিছিল , সেই অঞ্চল বিলাকত এই বিভাগৰ দ্বাৰাই ঔষধ চতিয়াই ক'ৰোণা মুক্ত কৰিবৰ কাৰণে এই বিভাগটোৱেই দায়িত্ব গ্ৰহণ কৰিছিল আৰু এই বিভাগটোৰ কৰ্মচাৰী সকলোৱেই পুৱাৰ পৰা গধূলী লোকে কাম কৰি সমাজখনক ক'ৰোণা মুক্ত কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছিল। গতিকে এনে এটা গুৰুত্বপূৰ্ণ বিভাগৰ কাৰণে বাজেটত যি পৰিমাণৰ ধন প্ৰস্তাৱ কৰা হৈছে, সেই ধনত সকলোৱে আনন্দ মনে প্ৰস্তাৱ কৰিব লাগে। এই বিভাগটো অধিক শক্তিশালী ৰূপত কাম কৰিবৰ বাবে আগবঢ়াই দিব লাগে। এই বিভাগৰ মন্ত্ৰী মহোদয়ে দায়িত্ব লোৱাৰ পৰাই আমি দেখা পাইছো যে, দিন ৰাত একাকাৰ কৰি অসমৰ বিভিন্ন প্ৰান্তত ঘূৰি ফূৰি এই বিভাগটোক এটা গতিশীল ৰূপ দিবলৈ আপ্ৰাণ চেষ্টা চলাই আছে। এই বিভাগৰ দ্বাৰা অসমৰ ২৬ হাজাৰখন গাওঁ ৮০০ খন বাগিচাৰ প্ৰত্যেকটো পৰিয়াৰ বিশুদ্ধ খোৱা পানী যোগান ধৰিবলৈ তেখেতে লক্ষ্য স্থিৰ কৰিছে। ইতিমধ্যে ২০ লাখ পৰিয়ালক সংযোগ দিয়াৰ তথ্য তেখেতে সদনত ঘোষণা কৰিছে। আমি বিভাগটোক আৰু অধিক ধন দিয়াৰ প্ৰয়োজন আছে। কাৰণ দেখিবলৈ পাইছো যে, এই বিভাগটোৱে খোৱা পানীৰ উপৰিও স্বচ্ছ বাৰত মিছনৰ যোগেদি অসমৰ গাৱে ভূঞে যিবোৰ দুখীয়া কৃষক শ্ৰমিক পৰিয়াল আছে যাৰ ঘৰত পাইখানা এটা বনাই লোৱাৰ তেওঁলোকৰ ক্ষমতা নাই। সেই পৰিয়াল বিলাককো পাইখানাৰ যোগান ধৰা হৈছিল। কেতিয়াবা গৃহস্থৰ ভুলৰ কাৰণে ও ভুল হৈছে। তেওঁলোকে পইচাটো সঠিক কামত নলগাই বেলেগ কিবা কামত খৰচ কৰি গোটেই কামটো নাইকিয়া কৰি পেলায়। যিটো পি এম এ ওৱাই ঘৰৰ ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ। গতিকে এনেধৰণৰ কৰ'বাত এনে ধৰণৰ ভুলৰ বাহিৰে সৰহ সংখ্যকেই ইতিমধ্যে এচ বি এম লেট্ৰিণ হৈছে, খোৱা পানীৰ ব্যৱস্থা হৈছে আৰু এই কামখিনি আগুৱাই নিয়াৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয় সহিতে আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই সাংঘাটিক ভাৱে উদ্যোগ লোৱাৰ বাবে আজি এই কাম সক্ষম হৈ উঠিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই মাননীয় মন্ত্ৰী মহোদয়ক পি এইচ ই বিভাগৰ মই দুটা মান বিশেষ কথা আজি আপোনালোকক অৱগত কৰিব খুজিছো। পি এইচ ই বিভাগত বৰ্তমান

যিখিনি নতুন স্কীম লোৱা হৈছে, সেই স্কীম বিলাক য'ত প্ৰতিষ্ঠা কৰা হ'ব তাত এডোখৰ ভূমিৰ প্ৰয়োজন হয়। বহু ঠাইত দেখা গৈছে যে চৰকাৰী ভূমি নাই বা পূৰ্ব্বতে বিভাগে লৈ থোৱা মাটিও নাই গতিকে নতুন মাটিত দিব লগীয়া হৈছে। নতুন মাটিত দিবলৈ যাওঁতে আমি যিটো পৰিয়ালৰ পৰা আমি মাটিখিনি লওঁ সেই পৰিয়ালটোৰ কোনোবা এগৰাকী সদস্যক যদি এই প্ৰতিষ্ঠানটো বা সেই স্কীমটো চোৱা-চিতা কৰাৰ দায়িত্ব দিব পৰা যায় তেতিয়াহ'লে ভাল হয় আৰু পৰিয়ালটোৱে মাটি দিবৰ কাৰণে আগবাঢ়ি আহে। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ক মই উদ্যোগ ল'বৰ বাবে অনুৰোধ জনাইছো যাতে এই চকীদাৰ বা অপাৰেটৰৰ যিটো পোষ্ট সেই পোষ্টটো সেই পৰিয়ালৰ পৰা দিব লাগে। এতিয়া চৰকাৰে ৬,৫০০ টকাকৈ দিয়াৰ সিদ্ধান্ত লৈছে। গতিকে সেই ৬,৫০০ টকাটো যাতে তেওঁলোকে পায় তাৰ এটা ব্যৱস্থা কৰি দিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়,অন্য এটা কথা মই ক'ব খুজিছো যে আমাৰ বিভাগটোত মই এইবাৰ এই পইচা দিয়াৰ বাবে এইকাৰণে সমৰ্থন দিছো যে মোৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিভাগীয় মন্ত্ৰীৰ ওচৰত কেইটামান ডিমাণ্ড আছে। মই ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ বিধায়ক। কিন্তু মোৰ ডিব্ৰুগড জিলাত এই বিভাগটোৰ যথেষ্ট অসুবিধা আছে। এই বিভাগৰ কেইবাটাও পোষ্টা আমাৰ তাত নাই। মৰাণ পি এইচ ই অফিচত এচ ডি অ' গৰাকী নাই। নাহৰকটীয়া পি এইচ ডি অফিচৰ এচ ডি অ' গৰাকী নাই। ঠিক তেনেদৰে ডিব্ৰুগড় জিলাৰ টেকনিকেল বিভাগৰ যি গৰাকী এচ ডি অ' তেখেতে এতিয়া চাইল্ড কেয়াৰ লিভ লৈ আছে। তাৰ বাবে এতিয়া তাত কাম কৰাৰ অসুবিধা হৈ আছে। তাৰ উপৰিও একাউণ্ট অফিচাৰ গৰাকীও আমাৰ ডিব্ৰুগড় জিলাত নাই। আৰু এটা বিভাগত ছয় গৰকাৰী এ ই ৰ ভিতৰত মাত্ৰ চাৰি গৰাকী আছে। ১৬ গৰাকী জে ই ৰ ভিতৰত মাত্ৰ ৮ গৰাকী জে ই আছে। গতিকে ইমান কম সংখ্যক কৰ্মচাৰী লৈ বিভাগীয় বিষয়া জনে কামখিনি সমাধান কৰাটো সম্ভৱ নহয়। যিহেতু প্ৰধান মন্ত্ৰী ডাঙৰীয়াই জল জীৱন মিশ্যন আঁচনিখনত মিশ্যন প্ৰকিয়াৰে কাম কৰিবলৈ আহ্বান জনাইছে। এইখন কোনো আঁচনিৰ ৰূপত লোৱা নাই ইয়াক এটা অভিযান হিচাপে লোৱা হৈছে। এই আঁচনিখনৰ এটা নিদিষ্ট টাইম ফ্ৰেম বান্ধি দিয়া হৈছে। গতিকে নিদিষ্ট সময়ৰ ভিতৰত কাম কৰিবলৈ হ'লে যথোপযুক্ত বিষয়াৰ প্ৰয়োজন আছে। গতিকে এই যি বাজেটত ইমান টকাৰ ধনৰ ব্যৱস্থা কৰা হৈছে, এই ধনেৰে নিশ্চয় আগন্তুক দিনত এই অভাৱ খিনি পূৰণ কৰাৰ বাবে মই আহ্বান জনাইছো আৰু লগতে আমাৰ যিমান আঁচনি এতিয়া কাৰ্য্যকৰী কৰা হ'ব এই আঁচনিত আমাৰ যিমানখিনি বিধায়ক আছে সকলোৱে সফল ভাৱে কাৰ্য্যকৰী কৰিবৰ কাৰণে সকলোৱে যাতে মনোনিবেশ কৰে তাৰ কাৰণে মোৰ সতীৰ্থ বন্ধু বৰ্গক আহ্বান জনাই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী মিহিৰ কান্তি সোম।

**শ্ৰী মিহিৰ কান্তি সোম ঃ** ধন্যবাদ উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য কারিগরি বিভাগের যে গ্রান্ট ৩০,সে ব্যপারে যে অনুদান দেওয়া হয়েছে সেটা আরো অধিক করা উচিৎ। বিরোধীর আনা প্রস্তাবে বিরোধীতা করে আমি দু-চারটে কথা বলতে চাই। মাননীয় উপাধ্যক্ষ মহোদয়, প্রধান মন্ত্রীর যে স্বপ্ন, জল জীবন মিশন, ড° শ্যামা প্রসাদ মূখার্জীর যে চিন্তা ধারা, গ্রামে গ্রামে জল পৌছে দেওয়া। আর আজকের সরকারের দ্বারা সেটাই বাস্তব রূপ নিচ্ছে। মাননীয় উপাধ্যক্ষ মহোদয়, আগে কংগ্রেসের আমলে যে প্লেন্টগুলো হয়েছিল, বেশিরভাগই বিকল হয়ে পরে আছে। আর আপনারা দেখেছেন এমনিতে রং করা যথেষ্ঠ সুন্দর করে সাজিয়ে রাখা হয়েছে। বাস্তবে সেটাতে জল নেই। মাননীয় মহোদয়, আমরা দেখেছি সেই সময়ের কাজগুলোতে যে পাইপলাইন দেওয়া হয়েছে

অত্যন্ত নিম্ন মানের পাইপ লাইন। আর কিছু দিন পরই পাইপ ফেটে নালা নর্দমার নোংরা জল সেই পাইপে ঢোকত। সেই জল আমরা জনগন পান করতাম। বিগত সরকারের আমলে অভারহেড টেঙ্ক ছিল না। বেশিরভাগ ডিজেল পাম্প দিয়ে চলত। আর যখন ডিজেল শেষ হয়ে যেত তারপর ডিজেল আনার জন্য গ্রামের মানুষকে চাঁদা দিতে হত। সেই চাঁদা দিয়ে ডিজেল কিনে তারপর মানুষ জল পেত। আর তাও ৩০ শতাংশ গ্রামে জলের ব্যবস্থা ছিল । যেভাবে বিদ্যুতের ব্যবস্থা ৩০ শতাংশ গ্রামে ছিল ৭০ শতাংশ গ্রামে জল বিদ্যুৎ বিহীন ছিল। আর এই সরকার আসার পর এই সমস্ত এলাকাতে জল জীবন মিশনের মাধ্যমে পণ্ডিত দীনদয়াল উপাধ্যায়ের যে গ্রামীন বিদ্যুতিকরণ যেভাবে জল জীবন মিশনের কাজগুলো চলছে। আমার ধারনা, অভারহেড করার জন্য আমরা অনেক উপকৃত হব। কারন, অভারহেড করার পর বিদ্যুতের প্রয়োজন হবে না। সেখানে বাল্ব খোললেই জনগন জল পাবেন। আর এটাতে কি হয়েছে, যতগুলো ডিজেল পাম্প ছিল সমস্ত ডিজেল পাম্পগুলোকে সরিয়ে এখন ইলেকট্রিফাইড করা হয়েছে। আগে ইলেক্টিফাইড করার জন্য ডিজেলের প্রয়োজন হবেনা এবং অভারহেডে জল ওঠাতে গেলে যেসময় কারেন্ট থাকবে সেইসময় জল উপরে উঠাবে আর সকাল ৭ টায় যদি মনে করেন জল দেবে জনগনকে বাল্ব খোললে বাড়ি বাড়ি জল পৌঁছে যাবে। তারপর সবচেয়ে বড় ব্যপার হচ্ছে, প্রত্যন্ত এলাকা গ্রামগুলোতে, চা বাগানের ভিতরে জলের ব্যবস্থা ছিল না। চা বাগান কতৃপক্ষ সেই শ্রমিকের লাইনে লাইনে জল দেওয়ার ব্যবস্থা করতে পারেনি। কিন্তু আমার সরকার আসার পর গলি গলিতে পিএইচই র লাইন হচ্ছে এবং ঘরের ভিতরে নেওয়া হয়েছে। মাননীয় প্রধান মন্ত্রীর যে স্বপ্ন, পণ্ডিত দীনদয়াল উপাধ্যায়ের স্বপ্নকে বাস্তব রূপ নেওয়া হয়েছে এই সরকারের মাধ্যমে। তাই মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানাই। এখানে আমার পিএইচই মন্ত্রী রঞ্জিত দাস মহোদয় আছেন উনিও দিনরাত লেগে রয়েছেন এই কাজকে সফল করার জন্য। কারন আমাদের সরকার যে মিশনের জন্য কাজ করছেন পূর্ণ গতিতে এই কাজ চলছে। আর আমার আশা এই সরকার ১৫ থেকে ২০ শতাংশ গ্রাম এখনও রয়েছে। পাহাড় অঞ্চল এখনও রয়েছে, চা বাগানের কিছু এলাকা এখনও কিছু বাকি রয়েছে সেটা যেন করা হয়। দ্বিতীয় কথা, আরেকটি অনুরোধ রাখছি, এই যে বোরিং সিস্টেম, অপেন সোর্স থেকে জল না এনে বোরিং সিস্টেমে যাতে বেশি গুরুত্ব দেওয়া হয়। বোরিং মেশিন এনে যাতে এগুলো কাজ করা হয়। তাহলে কি হবে ড্রিংকিং ওয়াটার নীচ থেকে উঠানো হবে এবং এই জল পরিষ্কার থাকে । এখানে আর্সেনিক যদি থাকে এটা পরীক্ষা করা যাবে। যেগুলি প্লেন্ট অলরেডি কমপ্লিট হয়েছে মাননীয় মুখ্যমন্ত্রী বা পিএইচই মিনিষ্টার অলরেডি কমপ্লিট করেছেন, আমি নিজে দেখেছি সেখানে লেটেস্ট টেকনোলজি ইউজ করা হয়েছে। প্রতিদিন ড্রপ ড্রপ করে এই যে আর্সেনিক ফিল্টার হোক বা ফ্লোরাইড ফিল্টার ব্যবস্থা করে জলের ব্যবস্থা করা হয়েছে। এই মেশিনের মাধ্যমে অটমেটিকলি জল ফিল্টার হচ্ছে। এইজন্য এই কাজটাকে আরও যাতে তরান্বিত করা হয়। বিভাগে স্টাফের অনেক অভাব আছে। ইদানিং সরকার যে ১ লক্ষ স্টাফের নিয়োগ করেছে তাতে পিএইচই যাতে অধিক সংখ্যক স্টাফ পায় তার জন্য আমি মন্ত্রী মহোদয়কে অনুৰোধ করছি।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো।

**শ্ৰীদূৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সদন, প্ৰায় বিলাক সদস্যই চৰকাৰী পক্ষই হওঁক, বিপক্ষই হওঁক, যি বিলাক খুতি-নাতি আছিল, সেই বিলাকৰ সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছে। মই এই মুহূৰ্তত, এই ক্ষেত্ৰত আহিবলগীয়া খুতি-নাতি, অসুবিধা বিলাকৰ সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে চৰকাৰক জনাব বিচাৰিছো। আহিবলগীয়া খুতি-নাতি, অসুবিধা

বিলাক কোৱাৰ মুহূৰ্তত ইতিমধ্যে প্ৰশ্নোত্তৰত মন্ত্ৰী ডাঙৰীয়াই দুই এটা উত্তৰ দিছে যদিও মই ভাৱো খুৰ গুৰুত্বসহকাৰে ইয়াক লোৱাতো দৰকাৰ। বিশেষকৈ জলজীৱনৰ আঁচনিসমূহত quality maintainence কৰিবৰ কাৰণে পাইপকে আৰম্ভ কৰি repeatedly যি প্ৰচেষ্টা গ্ৰহণ কৰিছে, সেয়া আমি দেখিবলৈ পাইছোঁ। পাইপৰ লগতে আৰু অন্যান্য যন্ত্ৰপাতি যিবোৰ লাগে, তাৰ quality maintainence ৰ কাৰণেও ব্যৱস্থা লোৱা হৈছে। যদি revise estimate কৰা নাই তেন্তে ঠিকাদাৰ সকলে quality maintainence কৰিব পাৰিব নে নাই, মোৰ সন্দেহ হৈছে। Revise estimate মানে হৈছে, ৰ'ড, চিমেন্ট আদি যিবিলাক যাৱতীয় বস্তু আঁচনিটো সম্পূৰ্ণ কৰিবৰ কাৰণে দৰকাৰ হয়, সেই যাৱতীয়া বস্তু সমূহৰ দৈনিক মূল্যবৃদ্ধি হৈ থকা দেখিবলৈ পোৱা গৈছে। গতিকে এই ক্ষেত্ৰত quality maintain কৰিবৰ কাৰণে নতুনকৈ আঁচনিবিলাকৰ বাবে যদি revise estimate নকৰে, তেতিয়া হ'লে quality maintain কৰিব পাৰিব বুলি মই নাভাৱো। মই এই পৰামৰ্শটো এই সুযোগতে আগবঢ়াই থৈ দিছো । আমি আঁচনিসমূহৰ আধাশিলা স্থাপন কৰিছোঁ, আঁচনি অৰ্ধনিৰ্মীত অৱস্থাত চাবলৈ গৈছোঁ, আঁচনি সম্পূৰ্ণ হোৱাৰ পিছত আমি উদ্বোধনো কৰিছোঁ। এই আঁচনিবিলাকৰ ক্ষেত্ৰত মই ভাৱো ৰাইজৰ মাজত বিভাগীয় বিষয়াবিলাকেও awareness আনিবৰ কাৰণে কিছু কথা কোৱাৰ প্ৰয়োজন আছে। চৰকাৰী যিকোনো আঁচনি ৰাইজৰ সুবিধাৰ কাৰণে গাঁও সমূহত দিয়া হয়। চৰকাৰে আঁচনি বনাই ভৱিষ্যতে তাত যত্ন চৰকাৰে ল'ব বা চৰকাৰে মেৰামতি কৰি দিব, এনেকুৱা ধৰণ চিন্তা চৰ্চাবিলাক ৰাইজৰ মাজত থাকে। যাৰ ফলত, এটা আঁচনি উদ্বোধন কৰাৰ সময়ত মই দেখিছিলো যে এচাম উদন্দ যুৱকে আঁচনিটোৰ ক'ৰবাত দৰ্জা, ক'ৰবাত পাইপত লঠিয়াই ভাঙি চিঙি থৈ গৈছিল। এনে হোৱাৰ ফলত ৰাইজে শেষত বিভাগকে গালি দিয়ে। এনেধৰণৰ কাণ্ড কোনো পুলিচ, মিলিটাৰী, PHE বিভাগৰ মানুহে control কৰিব নোৱাৰে, এইটো তদাৰক কৰিব লাগিব। এনেবোৰ ঘটনাৰ তদাৰক কৰাৰ কাৰণে যিখন স্থানীয় পৰিচালনা কমিটি কৰি দিয়া হয়, সেই কমিটিখনেই এই কামবিলাকৰ তদাৰক কৰিব লাগিব। মই সেইকাৰণে মন্ত্ৰী মহোদয়ক জনাইছোঁ যে awareness ৰ ক্ষেত্ৰত গ্ৰুপ তৈয়াৰ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এনেকুৱা ধৰণৰ আপত্তিও পাইছো যে কেতিয়াবা বিভাগে পাইপ পুতি থৈ যোৱাৰ পিছত ৰাতি এজাক বৰষুণ হোৱাৰ পিছতে তিনি চাৰি ইঞ্চি মাটিটো বহি যায় আৰু ইয়াৰ বাবে ঠিকাদাৰজনকে দোষ দিয়ে, কিন্তু সেই পাইপটোৰ পিছফালে থকা ঘৰৰ মালিকেও দুকোডাল মাটি দি টুলি নথয়। সেই কাৰণে মই ভাৱো awareness ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ আপোনালোকে গ্ৰহণ কৰিব লাগে। এঠাইত বা দহঠাইত যদি আঁচনিটো কিবা কাৰণত বেয়া হয়, তেতিয়া হ'লে গোটেই জলজীৱন মিছনটোৰ বদনাম হৈ যায়।

আমি ৪০, ৫০ বছৰ ধৰি পানী যোগান আঁচনি দেখি আহিছোঁ। বিভিন্ন আঁচনিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰে প্ৰচেষ্টা কৰি অহা আমি দেখিছো। কিন্তু ভাৰত চৰকাৰে জলজীৱন মিছনটোক এতিয়া মিছন হিচাপে লৈ কাম কৰিছে। এটা সময়ত আমি যিবিলাক অঞ্চলত পানীৰ সমস্যা আছিল, য'ত মানুহে কূৱা খান্দিব নোৱাৰে, দমক'ল পুতিব নোৱাৰে, পাহাৰৰ ওচৰে পাজৰৰ problematic area বিলাকৰ কাম হাতত লৈছিলো আৰু সেই হিচাপে কামো কৰিছিলো। কিন্তু ভাৰত চৰকাৰে এই জলজীৱন মিছনৰ জৰিয়তে problematic area বোৰৰ ওপৰিও যিবোৰ অঞ্চলত পানীৰ সমস্যা নাই, সেই অঞ্চলবিলাকতো বিশুদ্ধ পানী খোৱাৰ ব্যৱস্থা কৰি দিবলৈ ওলাইছে, এইটো সঁচাকৈ ধন্যবাদৰ পাত্ৰ। মই লগতে এই কথাটো ক'বলৈ ওলাইছোঁ যে জলজীৱন মিছনৰ জৰিয়তে আমাৰ যি সমস্যাবহুল আৰ্চেনিকযুক্ত অঞ্চল আছে, সেইবোৰ Identify কৰি

তাত যদি ১০০ মিটাৰ তললৈ গলে ভাল পানী পাই তেন্তে তাত ১০০ মিটাৰলৈ খান্দক আৰু যদি ভাল পানী পোৱাৰ বাবে ৩০০ মিটাৰ তললৈও যাব লগীয়া হয় , তেতিয়া হ'লে ৩০০ মিটাৰলৈ খান্দি সমস্যাটো একেবাৰে সমাধান কৰিব লাগে। সেই আঁচনি কেইটাৰ প্ৰয়োজন সাপক্ষে অতিৰিক্ত ধন ধৰিব লাগে। এই আৰ্চেনিকযুক্ত পানী খোৱা মানুহৰ অৱস্থা, হাত, ভৰি, দাঁত, চকু, কাণ আদিৰ অৱস্থা দেখা পালে, সচাঁকৈ দুখ লাগে। দুখ কৰাৰ বাহিৰে আমি একো কৰিব পৰা নাই। কিন্তু মাননীয় মন্ত্ৰী মহোদয় এটা সুযোগ আহিছে যে সেই অঞ্চলবোৰত বেছিকৈ আপুনি গুৰুত্ব দি তেওঁলোকক ৰক্ষা কৰিব লাগে আৰু তাৰ বাবে আপুনি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, যি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ বিপৰীতে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীজিৰণ বসুমতাৰী।

**শ্ৰীজিৰণ বসুমতাৰী, (গোসাইগাওঁ)** ঃ আমি সকলোৱে জানো যে ভাৰত তথা অসম এখন কৃষি প্ৰধান দেশ। এই দেশখন উন্নতি কৰিবলৈ হ'লে কৃষকসকলে পৰ্য্যাপ্ত সুবিধাখিনি পাব লাগিব। আমি দেখিবলৈ পাইছোঁ যে ভাৰতৰ প্ৰধানমন্ত্ৰী তথা অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত যি পদক্ষেপ লৈছে, ই নিশ্চয়কৈ আমাৰ দেশ তথা ৰাজ্যখনক উন্নতিৰ পথলৈ আগুৱাই লৈ যাব। তথাপিও, কিছুমান বিষয় সংশোধন কৰি কৃষিৰ ক্ষেত্ৰত বহুতো কৰনীয় কাম কৰিবলৈ আছে। আমি যদি সেই কামবোৰ সুচাৰুৰূপে কৰিব পাৰো, তেন্তে অসমখন নিশ্চয়কৈ এখন উন্নত ৰাজ্য হ'ব। অসমক ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ পাচঁখন ৰাজ্যৰ ভিতৰত এখন বুলি গণ্য কৰাৰ আমি যি সপোন দেখিছো, সেই সপোন বাস্তৱত পৰিণত কৰিবলৈ হ'লে সকলো সমষ্টিতে কৃষকসকলৰ বাবে বহুতো সুবিধা কৰি দিব লাগিব। মোৰ গোসাইগাওঁ সমষ্টিৰ এটা অংশ বি টি আৰত আৰু আনটো অংশ অসমতে আছে। গতিকে এই দুয়োটা অংশত আমি কৃষি উন্নয়নৰ বাবে বহুতো কাম কৰিবলগীয়া আছে। এই ক্ষেত্ৰত আমি কৃষিৰ কথা কোৱাৰ লগতে জলসিঞ্চনৰ বিষয়েও ক'ব লাগিব। কৃষকসকলক কৃষি উৎপাদনৰ ক্ষেত্ৰত আমি যদি উন্নত কৰিব বিচাৰো তেন্তে জলসিঞ্চনৰ প্ৰয়োজন হ'বই। যিবোৰ অঞ্চলত পানী যোগান আঁচনি বা জলসিঞ্চনৰ প্ৰকল্প কৰিব পৰা নাই, সেইবোৰ অঞ্চলত আমি নিশ্চয়কৈ আঁচনিসমূহৰ কাম কৰিব লাগিব। গোসাইগাওঁ সমষ্টিৰ বহু অঞ্চলৰ কৃষকসকলে পানী নাটনিৰ বাবে বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। গতিকে সেইবোৰ অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষক সকলক অধিক কৃষি উৎপাদনৰ ক্ষেত্ৰত সহায় কৰিব লাগিব। বানপানীৰ সময়ত নদীৰ মথাউৰি নথকাৰ বাবে কৃষকসকলে কৃষি কাৰ্য্যত যেনেদৰে নিয়োজিত হ'ব লাগিছিল, তেনেদৰে নিয়োজিত হোৱাৰ সুবিধা পোৱা নাই। গতিকে মই ভাৱো, Agriculture Sector ত যিখিনি টকা ইয়াত আৱণ্টন কৰা হৈছে, নিশ্চয়কৈ আমাৰ পৰ্য্যায়মানে সমষ্টিসমূহত কাম কৰিব আৰু এই টকা যিখিনি আৱণ্টন দিছে, নিশ্চয় এইটো আমি যথেষ্ট বুলি ক'ব নোৱাৰো, তথাপিও যিখিনি টকা আমাক আৱণ্টন কৰিছে এইটো সঠিক পথত আমি কাম কৰিব লাগিব। তাৰ কাৰণে মই কৈছো বিৰোধী পক্ষই যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে মই কৈ আছো যে আমাৰ তাত যথেষ্ট টকাৰ প্ৰয়োজন আছে। গতিকে সেই ক্ষেত্ৰত যাতে চৰকাৰে দৃষ্টি ৰাখি কাম কৰে। বিশেষকৈ মই অনুৰোধ কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আমাৰ বি. টি আৰ অঞ্চলত যিখিনি আমাৰ Agriculture Sector ত যদিওবা ইয়াত বিভাগ আছে, তথাপিও যিখিনি টকা আৱণ্টন কৰা হয়, সেইখিনি যথেষ্ট নহয় তাৰ কাৰণে অসম চৰকাৰে পৰ্য্যায় ক্ৰমে প্ৰয়োজন অনুপাতে তাত টকা আৱণ্টন কৰিব লাগিব তেতিয়াহ'লে আমাৰ বি. টি. আৰ তথা আমাৰ সমষ্টিবোৰত নিশ্চিয়কৈ ভালকৈ কাম কৰিব পাৰিম। এইখিনি আপোনাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য ইয়াতে

সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী জলেন দৈমাৰী। আপুনি দুই তিনি মিনিটত মেইন পইণ্টখিনি দি দিলেই হ'ল।

**শ্ৰী জলেন দৈমাৰী, (তামোলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই আজি Agriculture ত আৱণ্টন দিয়া ফাণ্ডৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে।

**শ্ৰী দৰসিং ৰংহাং ঃ** চাৰ, অথনি ডিবেটতো বেলেগ বেলেগ কৈ ৰাখিম বুলি আলোচনা হৈছিল সেই কাৰণে এতিয়া পি. এইচ্. ই. চলি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** তেখেত সকলে specify কৰা নাই। আপুনি বহক।

**শ্ৰী জলেন দৈমাৰী, (তামোলপুৰ) ঃ** আমাৰ পাৰ্টীৰ ফালৰ পৰা agriculture sector ত কোৱাৰ কাৰণে কৈছিল।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি agriculture ৰ ওপৰত কৈছে নেকি? আপুনি PHE ৰ ওপৰত কওঁক।

**শ্ৰী জলেন দৈমাৰী, (তামোলপুৰ) ঃ** মই PHE ৰ ক্ষেত্ৰতে ক'ব বিচাৰিছো মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ তামোলপুৰ সমষ্টিৰ ভাৰত ভূটান সীমান্তত হয়। গতিকে এই অঞ্চল বিলাকত বেছিভাগ পাহাৰীয়া অঞ্চল আছে। গতিকে এই অঞ্চল বিলাকত পানী সহজে পেৰা নাযায়। যোৱা ৫ -৬ বছৰ আগত আমি অঞ্চল বিলাকত পানীৰ কাৰণে ২ ৰ পৰা ৩ কিলোমিটাৰ চাইকেল চলাই মানুহে পানী আনিব লগা হৈছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পৰা আমি যি জে. জে এমৰ স্কীমৰ জৰিয়তে আজি প্ৰতিটো ঘৰে ঘৰে পানী যোগান ধৰিবলৈ সক্ষম হৈছো, গতিকে মই চৰকাৰক আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে আমাৰ তামোলপুৰ সমষ্টিৰ বিভিন্ন অঞ্চল যেনেকৈ ভাৰত ভূটান সীমান্তৰ দৰঙামেলা, বগামাটি, শুকানজুলি, আঙাৰকাটা তেনেকুৱা অঞ্চলবিলাকত আজি জে. জে. এমৰ জৰিয়তে ঘৰে ঘৰে পানী পাবলৈ সক্ষম হৈছে। গতিকে এটা কথা মই ক'ব বিচাৰিছো আজিৰ তাৰিখত আমি জে. জে. এমৰ জৰিয়তে অসমৰ বা বি. টি আৰৰ বিভিন্ন জিলাত, বি. টি. আৰৰ ৫ খন জিলাত যিহেতু ভাৰত ভূটান সীমান্তত বহু অঞ্চল আছে, এই অঞ্চল বিলাকত আজি আমি জলজীৱন মিছনৰ জৰিয়তে আমি পানী পাবলৈ সক্ষম হৈছো। গতিকে ইয়াৰ কাৰণে মই আশা ৰাখিছো যে, আগন্তুক দিনত এই অঞ্চল বিলাকত পানী পাবলৈ সক্ষম হোৱা নাই। আমাৰ চৰকাৰৰ তৰফৰ পৰা বিশেষ ব্যৱস্থা ল'ব বুলি মই আশা ৰাখিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰীমতী সুমন হৰিপ্ৰিয়া। দুই মিনিটত আপুনি শেষ কৰিব।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় ধন্যবাদ। আজি বিৰোধীয়ে Public Health Engineering Department ৰ যিটো কৰ্তন প্ৰস্তাৱ আনিছে, মই তাৰ সম্পূৰ্ণ বিৰোধিতা কৰো। যিহেতু আমাৰ খোৱাপানী আৰু অনাময় আঁচনিৰ এই গোটেইখিনি আচলতে quality of life improve কৰিবৰ কাৰণে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে অত্যন্ত প্ৰয়োজন। জলজীৱন মিছনৰ ক্ষেত্ৰত আমাৰ নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০১৯ চনত আঁচনি ঘোষণা কৰাৰ পৰা আজিলৈকে আমাৰ অসমত দেখা পাইছো মাননীয় মুখ্যমন্ত্ৰী মহোদয়, এই বিভাগৰ মন্ত্ৰীয়ে যেনেকৈ আমাৰ খৰতকীয়াকৈ কাম কৰিছে, ঘৰে ঘৰে দিয়াতো অসম্ভৱ কথা। কাৰণ অসমৰ ভৌগলিক অৱস্থা চাওক, কৰোবাত ওখ পাহাৰ, কৰোবাত টপোগ্ৰাফি চাই দেখা যাব নলৰ সংযোগ কৰাতো অসম্ভৱ কাম সফল কৰি তুলিছে। গতিকে ইয়াত যথেষ্ট পৰ্য্যাপ্ত পইচাৰ দৰকাৰ। সকলোতকৈ ডাঙৰ কথা আমি যেতিয়া চেনচাচ কৰিছিলো, যিমানখিনি আমাৰ পইচাৰ দৰকাৰ, এতিয়া বছৰে

বছৰে জনসংখ্যা বাঢ়ে। ধুবুৰী, মানকাছাৰ যিখিনি বিৰোধীয়ে বাৰে বাৰে কৈ আছে কৰ্তন প্ৰস্তাৱত। মই তেওঁলোককে ক'ব খুজিছো যে, তেওঁলোকৰ ঘৰৰ বছৰে বছৰে বাঢ়ি আছে। গতিকে এইক্ষেত্ৰত তেওঁলোকৰ প্ৰথমতে এঘৰ আছিল যে, দহঘৰ বাঢ়িল, ল'ৰা-ছোৱালী দহ টা বাঢ়িল তেওঁলোকৰ আমাৰ দুটা তিনিটা বাঢ়ে, তেওঁলোকৰ দহ বাৰটা বাঢ়ে। গতিকে কিমান পাইপৰ দৰকাৰ হয়, তেওঁলোককে সকলোতকৈ বেছি দৰকাৰ এই আঁচনি। এইটো এটা movement ৰ নিচিনাকৈ হৈছে। আমাৰ save water আৰু ঘৰে ঘৰে পৰ্য্যাপ্ত পানী সকলোতকৈ ডাঙৰ কথা নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বাৰে বাৰে কৈছে যে, পৰ্য্যাপ্ত পানী আমি দিম আৰু save water দিম। যেতিয়া পৰ্য্যাপ্ত পানী দিম গতিকে আমাৰ এইক্ষেত্ৰত বাজেট এমাউণ্ট ধৰাটো অত্যন্ত দৰকাৰ। এইটো এটা আন্দোলনৰ ৰূপ লৈছে। যদি এইটো পানী দিয়াই movement নহয় যে এইটো এটা আমি involve কৰিছো, all panchyat, women decentralised way ত লৈ গৈছে। নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বহুত শলাগিছে। ভাৰতবৰ্ষত তেওঁৰ এই যিটো vision and mission successful কৰিবলৈ আছো, যি decentralised way ত হ'বলৈ গৈ আছে, সেইটো সকলোতকৈ ডাঙৰ কথা। ইয়াত সকলো মানুহে involve হৈছে। সকলো স্তৰৰ মানুহ involve হৈছে। বিশেষকৈ মহিলা। বৰ হাস্যকৰ কিছুমান কথা কৈছে বিৰোধীয়ে যে ব্ৰহ্মপুত্ৰ আছে তাৰ পানী ব্যৱহাৰ কৰক। ব্ৰহ্মপুত্ৰৰ পানী যে সকলোতকৈ ডাঙৰ pollutant ৰে ভৰি আছে, সেইটো কথা নাজানে। কলিকতাৰ সুব্ৰত দত্তই ৰিচাৰ্চ কৰা মৌলানা আব্দুল কালাম আজাদৰ। তেওঁ ব্ৰহ্মপুত্ৰৰ পানী ৰিচাৰ্চ কৰি কৈছে যে ব্ৰহ্মপুত্ৰৰ পানী খোৱাৰ অনুপযোগী। অখিল গগৈয়ে কলিকতাৰ বাইদেউক লগ কৰিবলৈ গৈ থাকে, যদি ৰিচাৰ্চ কৰা জনকো লগ কৰিলহেঁতেন ব্ৰহ্মপুত্ৰৰ পানী খাব লাগে বুলি নক'লেহেঁতেন। সকলোতকৈ ডাঙৰ কথা বিৰোধীৰ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈছে যে, আমাৰ surface water ত পানী পৰ্য্যাপ্ত পৰিমাণৰ আছে। গতিকে আমাৰ জে.জে এমৰ কি দৰকাৰ। মই আপোনাক জনাব খুজিছো যে surface water ত কিমান ধৰণৰ pollutant থাকে, nutrine, pathogen, plastic, chemical,pesticides, fertiliser.এই pathogen জানে নে কি আমাৰ human যিটো waste আৰু industry ৰ যিটো organic wates সেইটো pathogen বুলি কয়। তাৰপাছত তেওঁলোকে কৈছে surface water ত পানী পৰ্য্যাপ্ত পৰিমাণৰ। তাৰমানে ইমানবিলাক pollutant থকা লেতেৰা পানী খাই মানুহৰ বেমাৰ হওঁক। গতিকে আমাৰ যিটো চিষ্টেমত গৈ আছে, দিগন্ত বৰ্মণ ডাঙৰীয়াই কৈছে গাওঁৰ মানুহে টিউৱেলেৰে পানী খায়। টিউৱেলৰ পানী দৰকাৰ আছে। কিন্তু মই ক'ব খুজিছো যে, গাওঁত সকলোতকৈ বেছি দৰকাৰ খোৱাপানী। যিহেতু গাওঁত আমি খেতিপথাৰত সাৰ দিওঁ। সাৰত কিমান পানী তললৈকে লেতেৰা পানী গুচি যায়। সাৰত কেনেকুৱা ধৰণৰ বেমাৰ হয়, এইটো ক'বলগীয়া নাই। Chamical fertiliser is a worst source of human desease ৰ এটা কাৰণ। গতিকে আমাৰ গাওঁতে সকলোতকৈ দৰকাৰ মই ভাবিছো খোৱা পানী। বেছিভাগ কেঞ্চাৰ বেমাৰী গাওঁতে। মোৰ সমষ্টি হাজোত ঘৰে ঘৰে কেঞ্চাৰ বেমাৰী এতিয়া লাহে লাহে হ'বলৈ আৰম্ভ কৰিছে যিমান আমি আঁচনি দি আছো মুখ্যমন্ত্ৰী health association. ইমান কেঞ্চাৰ বেমাৰী সকলোতকৈ গাওঁতে বাঢ়িছে। গতিকে মই বিচাৰো খোৱাপানীৰ ক্ষেত্ৰত বা জনস্বাস্থ্য কাৰিকৰী যিটো আমাৰ অনাময় আঁচনিৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ Compromise কৰাটো উচিত নহয় যে এজন বৃটিছ Poet W. H. Auden য়ে কৈছিল, "Thousand have lived without love, not one without water". গতিকে আমাক খোৱাপানী হওঁক, অনামায়

আঁচনি হওঁক, এই ক্ষেত্ৰত কৰ্তন প্ৰস্তাৱত বিৰোধিতা কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰমোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এটা সুন্দৰ বিষয়ৰ ওপৰত বিশেষকৈ 'জল জীৱন মিশ্যন' বিষয়ৰ ওপৰত আমাৰ বিধায়ক সকলে সুন্দৰকৈ অংশ গ্ৰহণ কৰিলে। সেই কাৰণে মই আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়া, নজৰুল হক ডাঙৰীয়া, ড° অমিয় কুমাৰ ভূঞা ডাঙৰীয়া, গোবিন্দ চন্দ্ৰ বসুমতাৰী ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া, গণেশ লিম্বু ডাঙৰীয়া, দীপায়ন চক্ৰৱৰ্তী ডাঙৰীয়া, কৌশিক ৰয় ডাঙৰীয়া, মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়া, নিজানুৰ ৰহমান ডাঙৰীয়া, কৰিমউদ্দিন বৰভূঞা ডাঙৰীয়া, ভৰেন ভড়ালী ডাঙৰীয়া, খলিল উদ্দিন মজুমদাৰ ডাঙৰীয়া, দিগন্ত বৰ্মন ডাঙৰীয়া, চক্ৰধৰ গগৈ ডাঙৰীয়া, মিহিৰ কান্তি সোম ডাঙৰীয়া, দুৰ্গাদাস বড়ো ডাঙৰীয়া, জীৰণ বসুমতাৰী ডাঙৰীয়া, সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীকে আদি কৰি সমূহ বিধায়ক সকলক মই আন্তৰিক ধন্যবাদ জনাইছো সকালোৰে ইয়াত অংশ গ্ৰহণ কৰাৰ কাৰণে আৰু বিষয়টো সন্দৰ্ভত বিভিন্নধৰণৰ তেওঁলোকে কৰ্তন প্ৰস্তাৱক সমৰ্থন কৰি এই জল জীৱন মিশ্যনটোৱে যাতে আগন্তুক দিনত ভালদৰে সফলতা লাভ কৰিব পাৰে তাৰ কাৰণে আমাৰ শাসকীয় দলেই হওঁক বা বিৰোধী দলেই হওঁক খুব সুন্দৰ সুন্দৰ পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ মজাতো অৱশ্যে যিসকলে পৰমৰ্শ আগবঢ়াইছে তেওঁলোক সকালোৰে উপস্থিত থাকিলে ভাল লাগিলহেঁতেন। কিছুমানে পৰামৰ্শ আগবঢ়াই চৰকাৰৰ কথাখিনিনো কি আছিল সেইখিনি শুনিবলৈ ভালেকেইজনমান বিধায়ক নাই। পোনপ্ৰথমতে মই এই জল জীৱন মিশ্যনৰ বাবে মাননীয় মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব। তেওঁক এই কাৰণেই ধন্যবাদ দিব লাগিব কাৰণ পূৰ্বতে আমাৰ ইন্দিৰা আবাস যোজনাৰ অধীনত দুখীয়া মানুহক গৃহ প্ৰদান কৰিছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই উপলব্ধি কৰিলে কেনেকৈ এটা গৃহক ঘৰলৈ পৰিৱৰ্তন কৰিব পাৰি। সেইটোৰ প্ৰতি লক্ষ্য ৰাখি তেখেতে প্ৰথমতে গৃহৰ পৰা ঘৰ এটা হ'ব লাগিলে যিটো নিম্ন বুনীয়াদিৰ প্ৰয়োজন শৌচালয় সেইটো দেশৰ কোটি কোটি মানুহক প্ৰদান কৰিলে। যাতে দেশৰ দুখীয়া লোকসকলে শৌচ কৰিবৰ বাবে ঘৰৰ বাহিৰত ৰেল লাইনৰ কাষত, নদীৰ পাৰ আদিত যাবলগীয়া নহয়, তাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা কৰি আছে। এইক্ষেত্ৰত অৱশ্যে আগৰ চৰকাৰেও প্ৰচেষ্টা চলাইছিল। কিন্তু মোদী ডাঙৰীয়াই অতি ক্ষীপ্ৰতাৰে এই কাম কৰিছে। সেইটো কৰাৰ পিছত তেখেতে উপলব্ধি কৰিলে যে ধনী লোকসকলে গেচ জ্বলায়। কিন্তু দুখীয়া মহিলাসকলে গেচ নপায়। যিহেতু এটা ঘৰৰ লগত ৰন্ধন ব্যৱস্থা আছে, সেয়েহে সৌভাগ্য আঁচনিৰ জৰিয়তে দুখীয়া মহিলা সকলক ৰন্ধন গেচৰ ব্যৱস্থা কৰি দিলে। পৰৱৰ্তী সময়ত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই চিন্তা কৰিলে যে কোটি কোটি জনতাই কেৰাচিন তেল ব্যৱহাৰ কৰিবলগীয়া হয়। যিহেতু কেৰাচিনৰ পৰা প্ৰদূষণ হয় আৰু আমি Green Environment গঢ়ি তুলিবৰ বাবে কোটি কোটি জনতাই চেষ্টা কৰি আছো যাতে Green Environment গঢ়ি তুলিব পাৰো তাৰ বাবে মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সৌভাগ্য আঁচনিৰ জৰিয়তে বিদ্যুত সংযোগ দিলে। দুখীয়া লোকসকলে যাতে সুবিধা লাভ কৰে আৰু লগতে কেৰাচিনৰ ব্যৱহাৰ যাতে কমাব পাৰে। তেনেকুৱা এটা ব্যৱস্থা কৰাৰ পিছত চতুৰ্থ ব্যৱস্থা কৰিলে দেশৰ প্ৰায় পঞ্চাশ শতাংশ মানুহে খোৱা পানী সংগ্ৰহ কৰিবলগীয়া হয়। তাৰোপৰিও যিখিনি খোৱা পানী সংগ্ৰহ কৰে সেইখিনি অতি সীমিত আৰু নন ট্ৰিটেড খোৱা পানী তেওঁলোকে যিকোনো ঠাইৰ পৰা সংগ্ৰহ কৰে। আমি যদি দেশৰ কথা ক'বলৈ যাওঁ, মধ্যপ্ৰদেশ, ৰাজস্থান বা ৰাজস্থানৰ মৰুভূমি আদি ঠাইত তেওঁলোকে যিকোনো

ঠাইৰ পৰা  সংগ্ৰহ কৰে। আমি সকলোৱে জানো যে গুজৰাট আৰু মধ্যপ্ৰদেশৰ মাজেৰে এখনেই নদী বৈ গৈছে, সেইখন হৈছে নৰ্মদা। কিন্তু আমাৰ অসমত ইমান নদ-নদী থকাৰ পিছতো আমাৰ বিশেষকৈ উত্তৰাঞ্চলৰ মানুহখিনি যিখিনি বিশেষকৈ Foot Hills জড়িত সেই বিষয়ে আজি ভালেকেইজন বিধায়কে কৈছে। ভূটান Foot Hills তযিহেতু পাথৰ আছে, তাৰ বাবে তেওঁলোকে পানী নাপায়। মাননীয় অধ্যক্ষ মহোদয়েও তেওঁৰ সমষ্টিত যে পানী নাপায় এই বিষয়টো লৈ তেওঁৰ চেম্বাৰত এখন সভা কৰিছো। বিশেষকৈ ভূটান Foot Hills ত তলত পাথৰৰ শ্লেপ আছে। যাৰ কাৰণেসেই অঞ্চলৰ মানুহে পানী নাপায়। দ্বিতীয়তে, আমি জানো যে আমাৰ অসমত আৰ্চেনিক যুক্ত এৰিয়া বহুত আছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ বেচিনৰ কাষত বহু আৰ্চেনিক আছে। বহু পাহাৰীয়া বা ভৈয়াম অঞ্চলত পানীৰ ফ্ল’ৰাইড আছে। এইবোৰ কথা উপলব্ধি কৰি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ২০১৯ চনৰ ১৫ আগষ্ট তাৰিখে কোটি কোটি  মানুহে ঘৰে ঘৰে বিশুদ্ধ খোৱা  পানী যোগান ধৰাৰ বাবে ‘জল জীৱন মিশ্যন’ আঁচনিৰ ঘোষণা কৰিলে। আমি প্ৰায় ৬৩ লাখ মানুহক আমাৰ পানী যোগানৰ ব্যৱস্থা কৰিলে আৰু এই ব্যৱস্থাটো ঘোষণা কৰাৰ পিছত প্ৰায় ৯০ শতাংশ টকা ভাৰত চৰকাৰে দিছে আৰু ১০ শতাংশ আমাৰ চৰকাৰে দিছে। এইখিনি ইমপ্লিমেণ্ট কৰাৰ দায়িত্ব আমাৰ সমাজত সকলোৰে। ২০২৪চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত ৬৩ লাখ মানুহক আমি খোৱা পানী দিবলৈ গৈ আছো। অসমত যেতিয়া আমাৰ বিভাগে চাৰ্ভে কৰিলে তেতিয়া আমাৰ চাৰ্ভেত দেখিলো যে ২০১৯ চনৰ ১৫ আগষ্ট তাৰিখলৈকে ইতিমধ্যে পানীৰ জৰিয়তে জনস্বাস্থ্য কৰিকৰী বিভাগেই হওঁক বা অন্য বিভাগেই হওঁক এক লাখ এঘাৰ হাজাৰ তিনিশ এঘাৰটা পৰিয়ালে ইতিমধ্যে পানীৰ সংযোগ পাই আছে। যেতিয়া এই স্কীমটো আৰম্ভ হ’ল হোৱাৰ পিছত ২০১৯ চনৰ ১৫ আগষ্ট তাৰিখৰ পৰা আমাৰ ২০২১ চনৰ ৩০ এপ্ৰিললৈ অৰ্থাৎ যোৱা যিখন চৰকাৰ আছিল, সেই চৰকাৰখনে ৬ লাখ ৩ হাজাৰ ৫ শ ৬১ টা পৰিয়ালক ইতিমধ্যে পানী যোগান দিছে।  মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি নতুনকৈ আমি দায়িত্ব লোৱাৰ পিছত যোৱাকালি ২৭ মাৰ্চ তাৰিখলৈকে ১৫ লাখ ৮৩ হাজাৰ  ৬ শ ৪৭ টা পৰিয়ালক আমি ইতিমধ্যে পাইপ কানেকশ্যন সংযোগ কৰিছো। মই সেইটো কোৱা নাই যে এই সকালোখিনি মানুহে পানী পাইছে। কিছুমান পাইপৰ পৰা এতিয়াও পানী উলিয়াবলৈ বাকী আছে। কাৰণ আমি টেপৰ কানেকশ্যন কৰাৰ লগে লগে আৰু  অভাৰ ওৱেট ৰিজাৰ্ভাৰ লগোৱাৰ লগে লগে আমি পানী দিব নোৱাৰো। কাৰণ বিভিন্ন ধৰণৰ পৰীক্ষা-নীৰিক্ষা কৰিব লাগে। তাৰ পিছত চাৰ্টিফিকেট পোৱাৰ পিছতহে আমি পানী দিব পাৰো। আজি বহুতেই আৰ্চেনিক, ফ্ল’ৰাইডৰ কথা কৈ আছে। কিন্তু আপোনালোকে এশ শতাংশ শংকামুক্ত হৈ থাকক যে আমাৰ জল জীৱন আঁচনিৰ দ্বাৰা কোনেও আৰ্চেনিক, ফ্ল’ৰাইড যুক্ত পানী নাপায়। সকলোৱে আৰ্চেনিক, ফ্ল’ৰাইড মুক্ত পানী পাব। সেইকাৰণে নাম দিয়া হৈছে ট্ৰিটেড ৱাটাৰ। তথাপিও আমি পানী ব’ৰিং কৰাৰ পিছত ৰিজাৰ্ভাৰত ভৰোৱাৰ পিছত সেইবোৰ পানী দুবাৰ, তিনিবাৰ টেষ্ট কৰিব লাগে। মই নিজেও দুই, তিনিদিন আগতে বঙাইগাওঁ, ধুবুৰী, গোৱালপাৰা আদি জিলাত পৰিভ্ৰমণ কৰি যোৱাকালি নিশা আহিছো আৰু মই বিশেষকৈ এই বিষয়টোৰেই মণিটৰ কৰিছিলো। মই ধুবুৰী, গোৱালপাৰাত বিধায়কসকলক মাতিছিলো। কিন্তু বিধান সভা চলি থকাৰ বাবে তেওঁলোক হয়তো আহিব পৰা নাছিল। এইটোৰ বাবে আমাৰ প্ৰতিগৰাকী বিধায়ক জনপ্ৰতিনিধিৰ প্ৰয়াস লাগিব আৰু এই প্ৰয়াসটো অধিক ক্ষীপ্ৰতৰ ৰূপ দিছে আমাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। কৰাণ আমি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগত আলোচনা কৰিছিলো যে জল জীৱন মিশ্যনৰ এই টাৰ্গেটটো সফল হ’বলগীয়া হয়, তেতিয়াহ’লে সকলোৰে প্ৰয়াস লাগিব। তাৰ কাৰণে মুখ্যমন্ত্ৰী

ডাঙৰীয়াক মই নিজে কেবিনেট নোট দিছো। যিহেতু আমাৰ সকলো গাৰ্জেন মিনিষ্টাৰ আহিব। গাৰ্জেন মিনিষ্টাৰক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব দিছে যে প্ৰত্যেকজন গাৰ্জেন মিনিষ্টাৰ জল জীৱন মিশ্যনৰ মিনিষ্টাৰো হ'ব। আমাৰ সেইকেইখন জিলাত তেওঁলোকেই মিনিষ্টাৰ হ'ব। ওপৰত মুখ্যমন্ত্ৰী মহোদয় আছে। তাৰ পিছত মই চাই আছো। তাৰোপৰিও আমাৰ যিকেইজন গাৰ্জেন মিনিষ্টাৰ আছে, বিধায়ক আছে, গাওঁ পঞ্চায়তৰ প্ৰেছিডেণ্ট সকলো responsible হয়। উপায়ুক্তসকলক আমি responsible কৰিছো, কাৰণ পূৰ্বতে যদিও DC সকল চেয়াৰমেন আছিলে কিন্তু তেওঁলোকৰ এই বিষয়টোলৈ কোনো কাম নাছিলে। আজি যদি মাটি লগা হয়, Public Health ৰ Engineer য়ে ক'লে মাটিখিনি দিব নোৱাৰে। DC জনৰ involvement লাগিব, জিলা প্ৰশাসনৰ involvement লাগিব, তাৰকাৰণে revenue যিজন ADC তেওঁক আমি involve কৰিছো। ইয়াৰ লগে লগে আমি চাৰ্কোল অফিচকো involve কৰিছো। এতিয়া আমি পঞ্চায়তৰ প্ৰতিনিধি সকলকো involve কৰিবলৈ গৈ আছো উপভোক্তা কমিটিত। এই মিছনটোত মাননীয় মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি আমি প্ৰতিগৰাকী ব্যক্তিয়ে ইয়াত জড়িত হৈছো, এইকাৰণেই যে ২০২৪ চনৰ আগে আগে আমি এই ক্ষেত্ৰত সফলতা লাভ কৰিব পাৰো। ২০২১ চনৰ ১ মে' তাৰিখে আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছত ইতিমধ্যে ১৫,৮৩,৬৪৭ টা connection দিবলৈ সক্ষম হৈছো। জলজীৱন মিছনৰ উদ্দেশ্যটো হৈছে যে অকল পানীৰ connection দিলেই নহ'ব। যোৱাকালি মই বঙাইগাঁৱত গৈ নিজে গালি পাৰিছো যে পানী কিমান সময় দিয়ে? তেওঁ ক'লে যে ৰাতিপুৱা ১ ঘন্টা আৰু গধূলি ১ ঘন্টা, মুঠ ২ ঘন্টা সময় দিয়ে। তাত প্ৰায় এহাজাৰ লিটাৰ পানী যায়। আমাৰ নিয়মমতে ৫৫ লিটাৰ পানী দিব লাগে। এতিয়াৰ পৰাই যদি মানুহক practice টো বেয়া কৰি দিয়ে, গৰুকো সেয়া পানী দিয়ে, খেতিপথাৰতো দিয়ে। এইটো treated water. সেইকাৰণে মই অফিচাৰ সকলকো কৈছো যে এতিয়ালৈকে আমি যিখিনি সফলতা লাভ কৰিছো, আমাৰ বিৰোধী বিধায়ক সকলে পৰামৰ্শ আগবঢ়াইছে যে আগন্তুক দিনত এইটো আৰু বেছি ভাল হয়। ইয়াৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই হওক বা Guardian Minister য়েই হওক, Public Health ৰ Additional Chief ৰ পৰা আৰম্ভ কৰি MD আৰু প্ৰতিগৰাকী engineer, প্ৰতিগৰাকী জিলা প্ৰশাসনৰ বিষয়া সকলৰ লগতে Public Health ৰ পিয়নলৈকে ধন্যবাদ জনাইছো, কাৰণ তেওঁলোকৰ support ৰ কাৰণে আমি আগন্তুক দিনত সফলতা লাভ কৰিব পাৰিম। ইতিমধ্যে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। মই আৰ্ছেনিকৰ কথা ক'লো। আৰ্ছেনিকৰ কথা অখিল গগৈ ডাঙৰীয়াই কৈছিলে। তেখেতো ইয়াত থাকিলে ভাল পালোহেঁতেন।

ইয়াৰ উপৰিও আমি অকল যে পানী মানুহৰ ঘৰত দিয়াৰ সিদ্ধান্ত লৈছো সেয়া নহয়, আমাৰ অসমত মুঠ বিদ্যালয় আছে ৪২,৪০৫ খন। তাৰ ভিতৰত ইতিমধ্যে আমি ২৮,৩১৬ খন বিদ্যালয়ত পানী দিয়াৰ ব্যৱস্থা কৰিছো। তাৰোপৰি ৩৪ হাজাৰ অঙ্গনবাড়ী কেন্দ্ৰৰ ভিতৰত ১৩,৬৮৩ টা কেন্দ্ৰত পানী দিয়াৰ ব্যৱস্থা কৰিছো।

আগন্তুক দিনত জলজীৱনত আমি ৪ টা বিষয় লক্ষ্য ৰাখিব লাগিব। এটা হৈছে ইয়াৰ পৰিমাণ, যিটো মই ইতিমধ্যে কৈছো যে ৫৫ লিটাৰ। দ্বিতীয়তে, ইয়াৰ মানদণ্ড, যিটো BIS মানদণ্ডৰ হ'ব লাগিব। ১০৫০০ যিটো rank আছে, সেই rank ৰ মানদণ্ড হ'ব লাগিব আৰু সেয়া হ'ব লাগিলে যি NABL আছে সেই laboratory ত test কৰিব লাগিব। ইয়াৰ উপৰিও pressure, যদি adequate pressure থাকে আৰু তাৰ frequency ৰ যাতে

এটা ধাৰাবাহিকতা থাকে। এই ৪ টা মানদণ্ড - পৰিমাণ, মানদণ্ড, পানীৰ চাপ আৰু ধাৰাবাহিকতা এই চাৰিটা বিষয়ৰ ওপৰত আমি অধিক গুৰুত্ব আৰোপ কৰিছো। আজি আমি গৰ্বসহকাৰে ক'ব পাৰো যে এইটো বছৰত পশ্চিমবঙ্গত connection হৈছে ২৩,০৮,০০০, উৰিষ্যাত connection হৈছে ৭০,০৭,০০০, কৰ্ণাটকত হৈছে ১৮,৮০,০০০, বিহাৰত হৈছে ২০,৫৮,০০০ আৰু অসমত হৈছে ১৫,৮৩,০০০। মই এই figure বোৰ এই কাৰণেই কৈছো যে আমি এইটো বছৰত দেশৰ ভিতৰতে ১ ৰ পৰা ৫ নং rank ত থাকিবলৈ সক্ষম হৈছো আপোনালোক সকলোৰে সহায় সহযোগত। গতিকে আপোনালোক সকলো ইয়াৰ বাবে ধন্যবাদৰ পাত্ৰ।

আমাৰ মণ্ডল ডাঙৰীয়াই যিখিনি কথা কৈছে সেয়া মই স্বীকাৰ কৰিছো। তেখেতে ভাল পৰামৰ্শ দিছে যে আগন্তুক দিনত যাতে আমি আৰু বেছি improve কৰিব পাৰো আৰু এইটো ক্ষেত্ৰত তেওঁলোককো যাতে involve কৰিব পৰা যায়। আমি ইতিমধ্যে DC সকলক কৈছো যে যিহেতু all MLAs are Stake Holder গতিকে তেখেত সকলকো মাতি সভা সমিতিবিলাক কৰিব লাগে। এতিয়া তেওঁলোকেও তাত পৰামৰ্শ দিব পাৰিব। আমাৰ যদিও 3rd party আছে, এইটো বহুতৰ বিভিন্ন ধৰণৰ ধাৰণা আছে, এইটো আমি পৰিহাৰ কৰিব লাগিব। পাইপ ফুটিলে আমি চিন্তা কৰিবলগীয়া কোনো কথা নাই কাৰণ ১০০ শতাংশ টকা খৰছ কৰাৰ পিছতো ৩০ শতাংশ টকাও বহু ঠিকাদাৰে পোৱা নাই। কাৰণ এই system টোৱেই তেনেকুৱা। এইটো আমি বনোৱা system নহয়। জলজীৱনৰ এইটো সৰ্বভাৰতীয় system. সেইবাবে ইয়াত 3rd party inspection হ'বই লাগিব। 3rd party inspection নোহোৱালৈকে কোনো DC বা engineer য়ে প্ৰমান দিব নোৱাৰে। এই 3rd party কৰাৰ কাৰণে আমি empanel কৰিছিলো ভাৰতবৰ্ষৰ কেইবাটাও agency য়ে সহযোগ কৰিছিলে, যিটো required qualification. তাৰ ভিতৰত Aegis India Consulting Engineers Private Limited, Intertek India Pvt. Ltd.,Borevoyatus Pvt. Ltd.এই কেইটাক আমি point 0.64% consultancy fees দি recognised কৰিছো আৰু সমগ্ৰ ৰাজ্যতে তিনিটাকৈ তেনেকুৱা consultant আছে। সকলোৱে certify কৰিলেহে payment টো দিব পৰা যাব আৰু যদি তেওঁলোকৰ certify কৰোতে ভুল হয় তেওঁলোকৰ চিৰজীৱনৰ কাৰণে licence cancel হ'ব। পাইপৰ ক্ষেত্ৰত বহুতেই কৈছে যে পাইপৰ কোৱালিটি বেয়া বা ফুটি গৈছে, পাইপ certify কৰিব লাগিব আৰু পাইপ certify কৰাৰ কাৰণে আমাৰ 3rd party inspection কৰে CIPET, PDAL আৰু RICH, এই তিনিটাই যেতিয়া আমাক certify কৰিব তাৰ পিছতহে ঠিকাদাৰে অৰ্ডাৰ দিব পাৰিব। আমি কোনোদিনে কোনো মন্ত্ৰী বা বিধায়কে কোনো engineer ক কোৱা নাই যে আপুনি অমুক পাইপটো লগাওক। ঠিকাদাৰে যিহেতু ১০০ শতাংশ advance payment দি পাইপ কিনিব লাগে, গতিকে তেওঁলোকে যাৰপৰা কিনিব পাৰে সেয়া মুঠতে certified হ'ব লাগে। আমি সেইটোহে চাওঁ। তেনেকুৱা প্ৰায় ৪০ টা পাইপ বনোৱা কোম্পানী আছে ভাৰতবৰ্ষত। লাহে লাহে অসমতো দুই এটা হৈ আছে।

ইয়াৰ পিছত আমি দেখিছো বিশেষকৈ এটা বিষয়ত, আমাৰ Users Committee ৰ ক্ষেত্ৰত। এই ক্ষেত্ৰত সকলোৱে কৈছে যে সফলতা অৰ্জন কৰিবলৈ একেবাৰে grass root level ত, আমি আজি আপোনালোকক জনাবলৈ বিচাৰিছো যে কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে অসমত যিমান BDO আছে আৰু যিমান Public Health ৰ Engineer আছে তেওঁলোকক লৈ এখন conclave কৰক। সেই আধাৰত আমি কলাক্ষেত্ৰত সকলো

BDO আৰু Public Healthৰ Engineer সকলক লৈ আৰু virtually জিলা পৰিষদ, AP President, GP Presedent ক লৈ আমি conclave কৰিছো যাতে এই আঁচনিটো আগন্তুক দিনত তেওঁলোকে চলাব পাৰে। কাৰণ আগতে যিবিলাক আঁচনি আছিলে সেইবিলাক abandoned হৈ গ'ল। মোৰ আগৰ সমষ্টি বৰ্তমান মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ ঘৰৰ ওচৰতে থকা আঁচনি এটা abandoned হৈ গ'ল। অকল এইটোৱে নহয় অসমৰ প্ৰায়বিলাক আঁচনি abandoned হৈ গ'ল। কিন্তু আমাৰ আঁচনিবোৰ যাতে abandoned হৈ নাযায় তাৰকাৰণে আমি উপভোক্তা সমিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছো। উপভোক্তা কমিটিয়ে আমি দুই ধৰণে বনাইছো। এটা হৈছে প্ৰতিখন গাঁৱত মানুহৰ মাজত যাতে সজাগতা থাকে তাৰবাবে village level ত এটা এটা কমিটি হ'ব আৰু একোখনকৈ Users Committee হ'ব। Users Committee zone ত আমি পঞ্চায়তক নিশ্চিত ৰূপত অংশীদাৰ কৰিছো, পঞ্চায়তৰ সভাপতি হওক বা পঞ্চায়তৰ সদস্য হওক। আমি এইটোও কৈছো যে আমাৰ বিধায়ক সকলো যদি তাত যাব পাৰে, তেতিয়া বেছি ভাল হ'ব। Users Committee সকলক আমি practice কৰাব দিছো। এই practice টো হৈছে যে, আজি দুই এজনে কৈছে ১০০ টকাকৈ লোৱাৰ কথাটো। আচলতে আমি কৈছো যে ১০০ টকাটো maximum.কিন্তু আজি বঙাইগাঁও জিলাত সিদ্ধান্ত লৈছে যে তেওঁলোকে প্ৰতিজন মানুহৰ পৰা মাহেকত ৫০ টকাকৈ ল'ব। কোনোবাই হয়তো ২০ টকাকৈও ল'ব পাৰে। তাতে কোনো ক্ষতি নাই। কাৰণ আমি যিহেতু প্ৰতিটো আঁচনিৰ বিপৰীতে 15 th commission ৰ untide fund ৰ পৰা ১৪ হাজাৰ টকাকৈ দিছো। ৬,৫০০ টকা যিজন ভলিন্টিয়াৰে কাম কৰি আছে তেওৰ কাৰণে বা যিয়ে কাম কৰিব তেওৰ কাৰণে। ৫০০ টকা দিছো আমি কেমিকেলৰ কাৰণে। মেইটেন্সে কৰাৰ বাবে আমি ১৫০০ টকা দিছো। কেতিয়াবা টেপ টো ভাঙিলে বা পাইপটো ফুটিলে যাতে ঠিক কৰি দিব পাৰে তাৰ বাবে আমি প্ৰতিমাহত ১৫০০ টকা দিছো। আৰু বাকী ৫০০০ টকা দিছো ইলেকট্ৰিচিটিৰ বাবে। ইমান টকা নাযায় ইলেকট্ৰিচিটিত তথাপি আমি ১৪০০০ টকা ধৰিছো যাতে আগন্তুক দিনত ৫ বছৰ আমি চলাই থাকিব পাৰো। কিন্তু আমি তেওলোকক কিছু প্ৰেক্টিছ কৰাব লাগিব যদি প্ৰেক্টিছ নকৰে ৫ বছৰ পিছত আকৌ এবাগুন হৈ যাব। গতিকে মই আজি আপোনালোকক আহ্বান জনাইছো যাতে তেওলোকক যাতে প্ৰেক্টিছটো কৰায়। তেতিয়া হ'লে আগন্তুক দিনত এই স্কীমসমূহ চলি থাকিব। বহুতে টয়লেটৰ কথা কৈছে। স্বচ্ছ সেৱা মিশ্যনত আজি বহু বছৰ আগৰ পৰা টয়লেট নিৰ্মাণ হ'ব লাগিছিল। বহুতে কৈছে যে হাজাৰ হাজাৰ টয়লেট নিৰ্মাণ হৈছে। কোনোবাই কৈছে যে মোৰ সমষ্টিত ২১ হাজাৰ নিৰ্মাণ হৈছিল ১০ হাজাৰ হৈছে। সেই কথাটো মইয়ো স্বীকাৰ কৰিছো। কাৰণ মই যেতিয়া বিধায়ক আছিলো মোৰ সমষ্টি সৰভোগতো দেখিছিলো যে মানুহৰ ঘৰত টয়লেট নাই। কিন্তু যেতিয়া খৱৰ লৈছো মোক কৈছে বেচ লাইন চাৰ্ভে। বেচ লাইন চাৰ্ভে মানে কৈছে যে, সেইসময়ত চাৰ্ভে কৰি সেইখিনি আওঁতাত আনিছিলে। এতিয়া নতুনকৈ লেফ্ট আউটৰ কাৰণে নতুনকৈ টয়লেট দিয়াৰ ব্যৱস্থা কৰিছো। প্ৰতি জিলাত ৩০০০ পৰা ৬০০০ লৈ আমি টয়লেট আবন্টণ দিছো। এতিয়া নতুনকৈ এটাও লেফ্ট আউট নাথাকে তেনেকুৱা ব্যৱস্থা কৰিছো। কিন্তু উপাধ্যক্ষ ডাঙৰীয়া আমি এইবোৰ দেখিছো যে, পঞ্চায়তৰ প্ৰতিনিধিসকলে যেতিয়া চাৰ্টিফিকেট দিয়ে কনট্ৰেক্টৰক যে ৭০০ টা হাউচহোল্ড আছিলে ৭০০ টাই হৈছে । তেতিয়া হ'লে ইঞ্জিনিয়াৰসকলে ঘৰে ঘৰে গৈ কেনেকৈ ইমানখিনি চাৰ্ভে কৰিব। জন প্ৰতিনিধি হিচাপে পঞ্চায়তৰ চাৰ্টিফিকেট যেতিয়া লিখি দিয়ে মই তেতিয়া চেক কৰি চালো , মই এতিয়াও দুই এখন জিলাত

পেপেন্ট বন্ধ কৰি ৰাখিছো । সম্ভৱ বৰপেটা জিলাতো বন্ধ হৈ আছে। বাঘবৰত প্ৰব্লেম আছিলে বন্ধ হৈ আছে। বহুতে কয় বিলখিনি এৰি দিয়ক । মই কৈছো গাওঁ পঞ্চায়তৰ জনপ্ৰতিনিধিয়ে নতুনকৈ লিখি দিয়াক। এতিয়া পঞ্চায়তৰ প্ৰতিনিধিসকলে কৰা বুলি যদি লিখি দিয়ে আমি কি কৰিম। গতিকে এই ক্ষেত্ৰত মই আপোনালোকক অনুৰোধ জনাইছো যে সেই পঞ্চায়তত গৈ পেলাই এই বিষয়টো যাতে অনুসন্ধান কৰে আৰু পঞ্চায়তৰ জন প্ৰতিনিধিসকলক যাতে সোধে যে কাম নোহোৱাকৈ আপোনালোকে কিয় লিখি দিছে। তাৰ কাগজ পাৱলিক হেল্থত পাব আপোনালোকে। গতিকে এই ক্ষেত্ৰত নিশ্চিতভাবে আপোনালোকে সহায় কৰিব লাগিব। আপোনালোকে যিখিনি পৰামৰ্শ দিছে সেইখিনি আমি আদৰণি জনাইছো। এতিয়া ২০২৪ চনৰ ৩১ মাৰ্চৰ আগতে এইখিনি যাতে কৰিব পাৰো তাৰ কাৰণে সহযোগ বিচাৰিছো। কাৰণ এই টকা ভবিষ্যতে আগলৈ আমি নাপাম। এইবাৰে মোদী ডাঙৰীয়াৰ আৰ্শীবাদৰ বাবে পাইছো। যাৰ বাবে মুখ্যমন্ত্ৰী মহোদয় ডঃহিমন্ত বিশ্ব শৰ্মা , গাৰ্জিয়ান মিনিষ্টৰা, উপায়ুক্ত, বিভাগীয় বিষয়াসকলোকে আদি কৰি সকলোৱে আমি নিৰলসভাবে লাগি আছো। বাজেটৰ তিনি দিনৰ বন্ধত মই এই কথাটোৱে মই ৪ খন জিলাত গৈ পৰিদৰ্শন কৰিছো। মই যেতিয়া জিলাসমূহত যাওঁ তাত আপোনালোকক ৰিভিউ মিটিঙত মাতো। আগন্তক দিনত যিবিলাক ৰিভিউ মিটিঙ হ'ব তাত নিশ্চয় মাতিম। যোৱাকালি ধুবুৰী জিলাত মাতিছিলো কিন্তু এচেমব্লীৰ কাৰণে আহিব নোৱাৰিলে।। পৰৱৰ্ত্তী সময়ত য'ত যাম আপোনালোকে যাতে স্পেচিফিক কমপ্লেইন থাকিলে যাতে দিয়ে। অখিল গগৈ ডাঙৰীয়াই যিটো কমপ্লেইন দিছে মই বিভাগক এনকোৱাৰী কৰিবলৈ দিম। এই যিটো টকা ভাৰত চৰকাৰে আমাক দিছে আমি সেইটো সদব্যৱহাৰ কৰিব লাগিব। জন জীৱন মিশ্যনৰ ক্ষেত্ৰত আমি ১ ৰ পৰা ৫ নম্বৰৰ ভিতৰত আছো। আগন্তুক দিনতো যাতে থাকিব পাৰো লগতে ২০২৪ চনৰ ৩১ মাৰ্চৰ ভিতৰত আমি সফল কৰিব পাৰো তাৰে কামনাৰে লগতে আপোনালোকৰ সহায় সহযোগ বিচাৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য সৰ্ব্বশ্ৰী শ্ৰীদেবব্ৰত শইকীয়া, ৰকিবুল হুচেইন, ভৰত নৰহ, ৰাজেদ আলি চৌধুৰী, আব্দুৰ ৰছিদ মণ্ডল, আবুল কালাম ৰছিদ আলম, কমলেখ্য দে পুৰকায়স্থ, ভাস্কৰ জ্যোতি বৰুৱা, দিগন্ত বৰ্মন, প্ৰদীপ চৰকাৰ, হাফিছ বছিৰ আহমেদ, আমিনুল ইছলাম (জ্যেষ্ঠ), চিৰাজুদ্দিন আজমল, ৰফিকুল ইছলাম, নজৰুল হক, সুজামুদ্দিন লস্কৰ, নিজামুদ্দিন চৌধুৰী, নিজানুৰ ৰহমান, আমিনুল ইছলাম মজিবৰ ৰহমান, চামচুল হুদা, আশ্ৰাফুল হুচেইন, কৰিমুদ্দিন বৰ ভূইএগ্ৰা, আব্দুল আজিজ, জাকিৰ হুচেইন লস্কৰ , মনোৰঞ্জন তালুকদাৰ আৰু অখিল গগৈ আপোনালোকৰ কৰ্ত্তণ প্ৰস্তাৱ ৪ টা আছে। আপোনালোকে প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, (গোৱালপাৰা পশ্চিম)** ঃ উপাধ্যক্ষ ডাঙৰীয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী আৰু বিষয়াসকলৰ অভিজ্ঞতা আৰু দক্ষতাৰ ওপৰত মোৰ ব্যক্তিগতভাৱে সম্পূৰ্ণ আস্থা আৰু বিশ্বাস আছে। কিন্তু মোৰ বক্তব্যত কোৱা কিছু কথাৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে - থাৰ্ড পাৰ্টি- যিটো কনচালটেন্ট যদি ভুল কৰে তেওলোকক টাৰ্মিনেট কৰা হব। কিন্তু মোৰ কথা হ'ল তেওলোকৰ কিবা মটগেজ আছেনেকি ? এনেকুৱা বেয়া কাম কৰিলে তেওলোকৰ কি পানিচমেন্ট হ'ব পাৰে। ফাইনেন্সিয়েল পেনাল্টি কি কি থাকিব এই কথাখিনি উল্লেখ থাকিলে ভাল হ'ব। দ্বিতীয়তে যিটো ইউজাৰ কমিটিৰ ক্ষেত্ৰত কোৱা হৈছে- জল জীৱন আঁচনিৰ সফলতাৰ মূল ভিত্তি হৈছে পাম্প অপাৰেটৰৰ ডিউটি। আঁচনি ডিফাং হোৱাৰ পৰা পানীৰ পাইপ ফটালৈকে যিখিনি সমস্যা আছে পাম্প অপাৰেটৰসকলে ঠিকমতে ডিউটি নকৰা বাবে হৈছে।

তেওলোকে যিটো ৰিমুনাৰেশ্যন পাব লাগে সেইটো নাপায়। মই ভাল পাইছো চৰকাৰে **৬৫০০** টকা দিয়াৰ বাবে সিদ্ধান্ত লৈছে। কিন্তু আজিৰ দিনত এই টকা একেবাৰে সামান্য । গতিকে যিহেতু এই টকা আন টাইড ফাণ্ডৰ পৰা দিয়া হৈছে , এইটো ১০ হাজাৰ টকা কৰিবলৈ অনুৰোধ জনাইছো। এই টকাটো আপোনালোকে ইউজাৰ কমিটিক দিব বিচাৰিছে- ইউজাৰ কমিটিয়ে পঞ্চায়তক বিল দিব। অপাৰেটৰক ৰিমুনাৰেশ্যন দিয়া কথাটো ইজি প্ৰচেচত যাব লাগে। পঞ্চায়তে ডাইৰেক্ট অপাৰেটৰক টকাটো দিয়ক। যেতিয়া টকা সময়মতে অপাৰেটৰে টকা পাব তেতিয়া তেওলোকে টাইমলী ডিউটিও কৰিব। তৃতীয় কথাটো হৈছে যে, ইণ্ডিভিজুৱেলৰ হাউচহোল্ডৰ টয়লেটৰ যিটো মিচ এপ্ৰপ্ৰিয়েশনৰ কেচ, জি পিৰ প্ৰেচিডেন্টবিলাক ফলচ চাৰ্টিফিকেট দিছে। মই নিশ্চিত ভাবে কৈছো মোৰ সমষ্টিৰ ভিত্তিত কিছু বিষয়াই নিজে এন জি অ অপাৰেট কৰিছিল । কিছুমান এন জি অৰ মালিক অফিচাৰসকল আছিল। তেওলোকে কিছুমান মিডিলমেন এনগেজ কৰি পঞ্চায়ত প্ৰেছিডেন্টৰ চহী জাল কৰি কমপ্লিশ্যন চাৰ্টিফিকেৰ্ট দি টকা আত্মসাৎ কৰিছে। বাঘবৰ সমষ্টিত মোৰ জন্ম । বাঘবৰৰ কথাটো মই ক'ব পাৰো। মোৰ সমষ্টি গোৱালপাৰা পশ্চিমতো এনেকুৱা ঘটনা হৈছে। বাঘবৰত ৬০ কোটি টকা খৰছ কৰিছে, ৫০ হাজাৰ টয়লেট দিছে তদন্ত কৰিলে ওলাব। মোৰ সমষ্টিত ৪০ হাজাৰ ফেমিলিক টয়লেট দিছে এইটো ডাঙৰ এচীভমেন্ট কিন্তু মইতো তাত ৪০ হাজাৰ টয়লেট দেখা পোৱা নাই। যদি পঞ্চায়ত সভাপতিয়ে ক'বাত বেয়া কাম কৰিছে পানিচমেন্ট হওঁক। গতিকে এই দুৰ্নীতিৰ ক্ষেত্ৰত বাঘবৰ সমষ্টি আৰু গোৱালপাৰা পশ্চিম সমষ্টিত এনকোৱাৰীৰ ব্যৱস্থা হওঁক। মই দাবী ৰাখিছো। আমি গাওঁত পানী দিছো কিন্তু চহৰতো হিউজ মানুহ থাকে। তাতো যাতে পানীৰ ব্যৱস্থা কৰা হয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কৰ্ত্তণ প্ৰস্তাৱটো উঠাই ল'বনে সেইটো কওক ?

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, (গোৱালপাৰা পশ্চিম)** ঃমন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিলে মোৰ কোৱাত সুবিধা হ'ব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ)ঃ** তেখেতে যিটো ৰেমুনাৰেশ্যনৰ কথা কৈছে আগন্তক দিনত চিন্তা কৰি চাম।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম) ঃ** মন্ত্ৰী মহোদয়ে কিবা এটা প্ৰতিশ্ৰুতি দিলে কোৱাত সুবিধা হয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কোৱাৰ সুবিধা দিব লাগিব, আপুনি যদি ইমান কয়, মন্ত্ৰী মহোদয়ে কি ক'ব ? মন্ত্ৰী মহোদয় কিবা কব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ)ঃ** তেখেতে renumanation ৰ কথাটো কৈছে ঠিকেই আছে, সেইটো ভাল কথা। সেইটো আগন্তুক দিনত চাম চিন্তা কৰি। কিন্তু এটা বস্তু আমি লক্ষ্য কৰিব লাগিব এই যিখিনি আমাৰ অস্থায়ী শ্ৰমিক আছিল, তেওঁলোকে ১৫ বছৰত মাত্ৰ ৩০ হাজাৰ টকা পাইছিল। এতিয়া আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এটা বুদ্ধি দিলে যে আপুনি এই টকাটো আনটাইডত বেছি খৰচ নকৰি টাইডত খৰচ কৰিব লাগে। মোৰো এটা দায়িত্ব আছিল, যি নহওঁক এইখিনিয়ে সদায় ফেচবুক যোগে কৈ থাকে আমি ভৈলাণ্টীয়াৰ পানী দি আছোঁ, পানীটো নাপালে হাহাকাৰ লাগিব, গতিকে অন্তত প্ৰথম অৱস্থাত ৬৫০০ টকা দিছো। আগন্তুক দিনত যদি পাৰো আমি চেষ্টা কৰিম। মই নিশ্চিত ভাৱে যেতিয়া ইউজাৰ কমিটিৰ হাতত পইচাবোৰ যাব ২০ টকা বা ৫০ টকা, ৫০ টকাৰ পৰা ১০০ টকা, তেতিয়া ১০০০০ ও দিব পাৰিব, ১৫০০০ ও দিব পাৰিব, dipended the collection. গতিকে আমি সেইটো কৰিব লাগিব

আগন্তুক দিনত আৰু যিটো বাঘবৰৰ, সেইটো আমি ইতিমধ্যে তদন্ত কৰি হোল্ডত ৰাখি থৈ দিছোঁ। আপুনি এদিন আহি আব্বাছ ডাঙৰীয়াক লগ ধৰিলে জানিব পাৰিব, আমাৰ সেইটো পেমেন্টো বন্ধ আছে বাঘবৰ আৰু কোনোৰা এটা ঠাইত। আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়া আপুনি যিকেইটা পঞ্চায়ত তেনেকুৰা আছে, এখন লিখিত ভাৱে দিব । কাৰণ আমাৰ ১০০ শতাংশ ট্ৰেন্সপাৰেন্ট, কাৰণ পাইখানাৰ কাৰণে যদি পইচা খাবলগীয়া হয় কিমান এটা বেয়া কথা। গতিকে পাইখানাৰ নামত যদি পইচা দিব লগীয়া হয় সেইখন সমাজ কেনেকুৰা সমাজ হ'ব লাগিবঙ্গ গতিকে আমি এই ক্ষেত্ৰত শূণ্য সহনশীল আৰু দোষী যদি কোনোৰা থাকে নিশ্চিত ভাৱে ব্যৱস্থা ল'ম মই, যেতিয়ালৈকে মন্ত্ৰী হৈ থাকোঁ। তৃতীয় পাৰ্টীৰ ক্ষেত্ৰত যদি তেওঁলোকৰ তেনেকুৰা অসুবিধা থাকে বা অভিযোগ মতে আমি দেখো যে তেওঁ দোষী, তেতিয়া তেওঁলোকৰ গোটেই জীৱনটো নষ্ট হ'ব। কাৰণ ভাৰতবৰ্ষত ক'তোৱে নাপাব কাম। এই তিনিটা ৰেপুটেড পাৰ্টী। এই যে ampenal, এই এম্পেনেলে বহুত টেণ্ডাৰ কৰাৰ পিছত তেওঁলোকৰ জে জে এমে কেন্দ্ৰীয় চৰকাৰে বহুত চালিজাৰী চাই হে দিছে। গতিকে তেওঁলোক ডাঙৰ ডাঙৰ কোম্পানী বিলাকে বেকলিষ্টেড হৈ কেতিয়াও কোম্পানী মাৰি পেলাব নোৱাৰেঙ্গ তথাপি তৃতীয় পাৰ্টীৰ বিৰূদ্ধে কিবা অভিযোগ থাকে, আপুনি মোক জনাব, মই বিহীত ব্যৱস্থা লম।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি উইদ্ৰ কৰিব প্ৰস্তাৱ কেইটা ?নাই আৰু আলোচনা নহ'ব।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম) ঃ** উপাধ্যক্ষ মহোদয়, যিহেতু কথাখিনি কৈছে, মই আশা ৰাখিছো অপেৰেটৰৰ যিটো renumanation andhansment আৰু সৰলীকৰণ, পেমেন্টো সৰলীকৰণ আৰু বাঘবৰ আৰু গোৱালপাৰা পশ্চিম সমষ্টিত individual household toilet ৰ ক্ষেত্ৰত যি দুৰ্নীতি হৈছে, তাৰ তদন্তৰ যি আশ্বাস দিছে আৰু যিটো তৃতীয় পক্ষৰ ক্ষেত্ৰত বেয়া কাম কৰিলে, তেওঁলোকক পানিচমেন্টৰ যি আশ্বাস দিছে সেইকাৰণে মোৰ যিটো কাটমোচন, মই প্ৰত্যাহাৰ কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য হাফিচ বছিৰ আহমেদ, আপোনালোকে আপোনালোকৰ কৰ্তন প্ৰস্তাৱটো উঠাই ল'ব।

**শ্ৰীনজৰুল হক ঃ** উপাধ্যক্ষ ডাঙৰীয়া, মোৰ বক্তব্যত যিখিনি কৈছিলোঁ, বাকীখিনি মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিলে, কম বেছি পৰিমাণে আমি চেটিচফেক্টৰী উত্তৰ লাভ কৰিছোঁ। কিন্তু মই এটা কথা কৈছিলোঁ, মাৰ্চ মাহত ধুবুৰী জিলাত ধুবুৰী সমষ্টিত ২৫ হাজাৰ টাৰ্গেত দিয়া হৈছে ফাঙ্গনেল হাউচহ'ল্ড টেপ কানেক্চন, এতিয়া ফাংচনেল হোৱা নাই। কাগজে কলমে দেখুওৱা হৈছে। মন্ত্ৰী মহোদয়ে একো নকলে। যিয়ে নহওঁক আমাৰ ডেপুতি লিডাৰ এতিয়া আহিছে, আমি কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছিলোঁ, এইটো আমি উঠাই ললোঁ আৰু কৰ্তন প্ৰস্তাৱটো পাছ কৰা হওক।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য মনোৰঞ্জণ তালুকদাৰ, আপোনালোকৰ কৰ্তন প্ৰস্তাৱটো উঠাই লব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই যি উত্তৰ দিছে, উত্তৰটো শুনাত ভাল। কিন্তু এনপেনেল ঠিকাদাৰৰ বাছনিৰ ক্ষেত্ৰত সচৰাচৰ যি ধৰণৰ অভিযোগ শুনা যায়, কাম এল'টমেন্ট কৰাৰ ক্ষেত্ৰত সৰু সৰু ঠিকাদাৰ বিলাক যেনেকৈ বঞ্চিত হৈছে, ইয়াৰ যদি এটা সমধান উলিয়াব পৰা নাযায়, তেতিয়া ডাঙৰ ডাঙৰ কৈ পেকেজত ঠিকা দিলে কামো আৰম্ভ নহয়, কমো ঠিক নহয়। সেই কাৰণে সৰু সৰু ঠিকাদাৰ বিলাকক কামৰ আৱন্টন দিয়াৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই বক্তব্য কোনো ৰখা নাই। তথাপি আশা ৰাখিছোঁ এই ক্ষেত্ৰত হেজৰদাৰী কৰিব আৰু

অভিযোগ যিবিলাক আছে ৰাইজৰ পৰা, আমি ইতিমধ্যে ডি চি মহোদয়ক জনাইছোঁ। পাইপ পুটিব লাগে প্ৰায় ২.৫০ ফুট, ৩ ফুটৰ ভিতৰত, এক ফুটত পাইপ পুটি থৈ গৈছে, কেইবাখনো গাঁৱৰ কথা জনোৱাৰ পিছতো এইটো ৰিমেজি হোৱা নাই। এনেকুৱা অভিযোগ বিলাক তাৎক্ষনিক ভাৱে হস্তক্ষেপ কৰি জলজীৱনটো সফল আঁচনি ৰূপে চিহ্নিত হয়, তাৰ দৃঢ় পদক্ষেপ নিশ্চিত ভাৱে মন্ত্ৰী মহোদয়ে লব বুলি আশা ৰাখিছো আৰু তেওঁৰ পৰা মই এচুৰেন্সো বিচাৰোঁ এই ক্ষেত্ৰত। কাৰণ অভিযোগ দি থাকিলে যদি অভিযোগৰ তদন্ত নহয়, বিষয়া বিলাকৰ ক্ষেত্ৰত মোৰ এটা ডাঙৰ অভিযোগে আছিল, তেখেতসকল বিষয়া কেৱল কমিচনৰ ধান্দাত থাকে আৰু যেনেতেনে প্ৰকাৰে গোটেই আঁচনিটো যদি পলিটিকেলাইজ হৈ যায়, তেতিয়াহলে অসুবিধা হয় আৰু সেই অসুবিধাৰ আমি সন্মূখীন হৈছোঁ। তথাপি হাউচত যেতিয়া তেওঁ এচুৰেন্স দিছে, এইখিনি ক্ষেত্ৰতো তেওঁ নজৰদাৰী কৰিব বুলি ভাবি মই কৰ্তন প্ৰস্তাৱটো উঠাই লৈছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰণজিৎ কুমাৰ দাস (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, এটা ক্লিয়াৰীফিকেচ দি আছোঁ, আমাৰ জলজীৱন মিছন অসমে মাত্ৰ ১৭ শতাংশহে কাম চেন্ট্ৰলী স্পন্‌চেড কৰিছে, এৱাৰ্ড কৰিছে আৰু ৮৩ শতাংশ কাম জিলা উপায়ুক্ত তাত অথৰীতি, গতিকে জিলা পৰ্য্যায়ৰ পৰা ৮৩ শতাংশ দিয়া হৈছে। এতিয়া চাওঁক গোবিন্দ বসুমতাৰী ডাঙৰীয়াই এইটো এটা গুৰুত্বপূৰ্ণ কথা কৈছিল, যে আমাৰ ভূটান ফুডলিষ্টত যিমান ধৰণৰ পাথৰ আছে বা আমাৰ দুৰ্গাদাস বড়ো ডাঙৰীয়াই কৈছে, এতিয়া আমি উত্তৰাঞ্চলত যদি কাম কৰিব যাওঁ নিশ্চিত ৰূপত ডাঙৰ পাৰ্টীকে দিব লাগিব। কাৰণ যাৰ ৰিগ্ মেচিন আছে। আমাৰ সৰু সৰু ঠিকাদাৰ সকলৰ ৰিগ্ মেচিন নাই। গতিকে ৰিগ্ মেচিন কিছুদিনৰ কাৰণে ভাড়াত ললেও কৰিব নোৱাৰিম। গতিকে তেনেকুৱা ক্ষেত্ৰত আমি ৰিগ মেচিন আনি, কাৰণ আমি সফলতা লাভ কৰিব লাগিব, কাৰণ সেইখিনি মানুহ যদি বাদ পৰি যায় মিছনৰ পৰা, সেই মানুহে চিৰদিনে অভিশাপ দি থাকিব। গতিকে তেনেকুৱা কামৰ ক্ষেত্ৰত হয়তো আমি চেন্ট্ৰলী স্পন্‌চেড কৰিব লাগিব বাকী আমি যিমান মুঠ এম্‌পেমেল আছে খুব কমেও ১০০০০ ঠিকাদাৰ। ১০ হাজাৰ ঠিকাদাৰৰ সকলোকেতো দিব নোৱাৰিম, যিমানটা আঁচনি আছে। সেই কাৰণে আঁচনি মতে দিব লাগিব। গতিকে সেই কাৰণে য'ত পাথৰ আদি আছে তাৰ কাৰণে আমি নতুনকৈ চিন্তাচৰ্চা কৰি আছোঁ। আজি অধ্যক্ষ মহোদয়ো তেনেকুৱা এটা চাজেচন দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। অখিল গগৈ ডাঙৰীয়া যিহেতু অনুপস্থিত, তেওঁ প্ৰস্তাৱটো অনাৰ সময়তো অনুপস্থিত, উঠাই লোৱা সময়তো অনুপস্থিত। বাকী তিনিওটা দলে উঠাই লৈছে, মই ভাৱো কৰ্তন প্ৰস্তাৱ চাৰিটা প্ৰত্যাহাৰ কৰাত সদনৰ অনুমতি আছে। সদনৰ সন্মতি সাপেক্ষে কৰ্তন প্ৰস্তাৱ চাৰিটা প্ৰত্যাহাৰ কৰা হ'ল।

মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ। মঞ্জুৰী প্ৰস্তাৱটো হ'ল - ২০২৩ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালচোৱাত মঞ্জুৰী নম্বৰ ৩০, পানী যোগান আৰু অনাময়া, সম্পৰ্কীয় কেতবোৰ ব্যায় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১৩৯৫ কোটি ২৪ লাখ ৪৪ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে, যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। দাবী মঞ্জুৰী নম্বৰ ৩০ টো গৃহীত হ'ল।

এতিয়া মঞ্জুৰী নম্বৰ ৪৮, কৃষিৰ ওপৰত অহাকালি আমি আলোচনা কৰিম।

এতিয়া কাৰ্য্যসূচী নং -৪।

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয়া পৰিক্ৰমা মন্ত্ৰীয়ে "The Assam Ex-Servicemen (Reservation of Posts in State Services and Posts of Grade III and Grade IV) Rules, 2021" খন সদনত দাখিল কৰিব।

**শ্ৰীপিয়ুষ হাজাৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ "The Assam Ex-Servicemen (Reservation of Posts in State Services and Posts of Grade III and Grade IV) Rules, 2021" খন সদনত দাখিল কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয়া পৰিক্ৰমা মন্ত্ৰীয়ে ২০২০-২১ চনৰ Transformation & Development বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিব।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ ২০২০-২১ চনৰ Transformation & Development বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই দুই তিনি মিনিট মান সময় সদনৰ সন্মতি মৰ্মে সদনৰ সময়টো বঢ়াই ল'ব বিচাৰিছোঁ।

এতিয়া কাৰ্য্যসূচী নং- ৬। মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ২০২০-২১ চনৰ Administrative Reforms, Training, Pension and Public Grievances বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব ।

**শ্ৰী পীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ ২০২০-২১ চনৰ Administrative Reforms, Training, Pension and Public Grievances বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ৭। এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ২০২০চনৰ Assam State Police Accountability Commission ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব ।

**শ্ৰী পীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ ২০২০চনৰ Assam State Police Accountability Commission ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ৮। এতিয়া মাননীয় খাদ্য আৰু অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা মন্ত্ৰীয়ে The Assam Food Security Rules, 2021খন সদনত দাখিল কৰিব ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Food Security Rules, 2021খন সদনত দাখিল কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ৯। এতিয়া মাননীয় খাদ্য আৰু অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা মন্ত্ৰীয়ে ২০২০-২১ চনৰ খাদ্য আৰু অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২০২০-২১ চনৰ খাদ্য আৰু অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ১০। এতিয়া মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰীৰ হৈ ২০২০-২১ চনৰ বিজ্ঞান প্ৰযুক্তি আৰু বতৰ পৰিৰৰ্তন বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰীৰ হৈ ২০২০-২১ চনৰ বিজ্ঞান প্ৰযুক্তি আৰু বতৰ পৰিৰৰ্তন বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ১১। এতিয়া মাননীয় বিত্তমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ২০২০-২১ চনৰ বিত্ত বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰীৰ হৈ ২০২০-২১ চনৰ বিত্ত বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ১২। এতিয়া মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ২০২০-২১ চনৰ Assam State Textile Corporation Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰীৰ হৈ ২০২০-২১ চনৰ Assam State Textile Corporation Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ১৩। এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে "The Assam Direct Recruitment Commissions for Analogoud Posts in Class II and Class IV (Amendment) Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Direct Recruitment Commissions for Analogous Posts in Class II and Class IV (Amendment) Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** বিধায়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি আছেনে? অনুমতি দিয়া হ'ল। এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Direct Recruitment Commissions for Analogous Posts in Class II and Class IV (Amendment) Bill, 2022" সদনত উত্থাপন কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোণামা পঢ়ি দিব ।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** "The Assam Direct Recruitment Commissions for Analogous Posts in Class II and Class IV (Amendment)

Bill, 2022"

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ১৪। এতিয়া মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে "The Assam Aid to Industries (Small and Cottage Industries) (Repealing) Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰীৰ হৈ "The Assam Aid to Industries (Small and Cottage Industries) (Repealing) Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** বিধায়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি আছেনে? অনুমতি দিয়া হ'ল। এতিয়া মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰীৰ হৈ "The Assam Aid to Industries (Small and Cottage Industries) (Repealing) Bill, 2022" সদনত উত্থাপন কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোণামা পঢ়ি দিব ।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** "The Assam Aid to Industries (Small and Cottage Industries) (Repealing) Bill, 2022"

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ১৫। এতিয়া মাননীয় শিক্ষা মন্ত্ৰীক "The Assam Elementary Education (Provincialization) (Repealing) Bill, 2022" সদনত উত্থাপন কাৰৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ""The Assam Elementary Education (Provincialization) (Repealing) Bill, 2022" বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** বিধায়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি আছেনে? অনুমতি দিয়া হ'ল। এতিয়া মাননীয় শিক্ষা মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ""The Assam Elementary Education (Provincialization) (Repealing) Bill, 2022" বিধেয়কখন সদনত উত্থাপন কৰিলো ।

**মাননীয় উপাধ্যক্ষঃ** অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোণামা পঢ়ি দিব ।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** বিধেয়কখনৰ শিৰোণামা-"The Assam Elementary Education (Provincialization) (Repealing) Bill, 2022"

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ১৬। এতিয়া মাননীয় শিক্ষা মন্ত্ৰীক "The Assam State Higher Education Council (Repealing) Bill, 2022" সদনত উত্থাপন কাৰৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই The Assam State Higher Education Council (Repealing) Bill, 2022" বিধেয়কখন উত্থাপন

কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** বিধায়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি আছেনে? অনুমতি দিয়া হ'ল। এতিয়া মাননীয় শিক্ষা মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই The Assam State Higher Education Council (Repealing) Bill, 2022" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোণামা পঢ়ি দিব ।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** বিধেয়কখনৰ শিৰোণামা-The Assam State Higher Education Council (Repealing) Bill, 2022"

**মাননীয় উপাধ্যক্ষঃ** কাৰ্য্যসূচী নং ১৭। "The Assam venture Sanskrit and Pali Educational Institutions (provincialisation of Services) (Repealing) Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam venture Sanskrit and Pali Educational Institutions (provincialisation of Services) (Repealing ) Bill, 2022" সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে? যদি আছে, অনুমতি দিয়া হ'ল। এতিয়া মাননীয় শিক্ষামন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam venture Sanskrit and Pali Educational Institutions (provincialisation of Services) (Repealing ) Bill, 2022" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** বিধেয়কখনৰ শিৰোনাম "The Assam venture Sanskrit and Pali Educational Institutions (Provincialisation of Services) (Repealing) Bill, 2022"

**মাননীয় উপাধ্যক্ষঃ** কাৰ্য্যসূচী নং ১৮। ডাঃ ৰণোজ পেগুক The Assam Classical Institutions (Sanskrit and Pali-Parkrit) (Provincialisation) (Repealing ) Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Classical Institutions (Sanskrit and Pali-Parkrit) (Provincialisation) (Repealing ) Bill, 2022"সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে? যদি আছে, অনুমতি দিয়া হ'ল। এতিয়া মাননীয় শিক্ষামন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Classical Institutions (Sanskrit and Pali-Parkrit) (Provincialisation) (Repealing ) Bill, 2022"বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** বিধেয়কখনৰ শিৰোনাম The Assam Classical Institutions (Sanskrit and Pali-Parkrit) (Provincialisation) (Repealing ) Bill, 2022"

**মাননীয় উপাধ্যক্ষঃ** কাৰ্য্যসূচী নং ১৯। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰীক "The Assam State Youth Commission Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী বিমল বড়া (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam State Youth Commission Bill, 2022" সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** অনুমতি দিয়া হ'ল। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে ৰাজ্যপাল মহোদয়ে, ২০২২ চনৰ ২৬ মাৰ্চ তাৰিখত এটা বাণী পঠিয়াইছিল।

বাণীটো হ'ল-

"Under the provision of Artical 207 (1) of the Constitution of India I, Prof, Jagdish Mukhi, Governor of Assam recommended the introduction of " The Assam State Youth Commission Bill 2022" in the Assam Legislative Assembly. মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী বিমল বড়া (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam State Youth Commission Bill, 2022" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** "The Assam State Youth Commission Bill, 2022"

**মাননীয় উপাধ্যক্ষঃ** এতিয়া সদন অহা ইংৰাজী ২৯-০৩-২০২২ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।